www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ব্যক্তিগত অভিজ্ঞতা অবিহনে মানুহে বহুতো প্ৰকৃত সত্যৰ সম্পূৰ্ণ অৰ্থ কেতিয়াও হৃদয়ংগম কৰিব নোৱাৰে। — জন ষ্টুৱাৰ্ট মিল

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰচত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❐ষষ্ঠ বছৰ ❐সংখ্যা - ১৯২ ❐ শুকুৰবাৰ ❐১২ ছেপ্টেম্বৰ, ২০২৫ চন ❐২৬ ভাদ, ১৯৪৭ শক ❐VOL - 6 ❐NO.- 192 ❐Friday ❐12th September, 2025 ❐মূল্য ঃ ১০.০০ টকা ❐মুঠ পৃষ্ঠা ঃ ৮

## আলফা (স্বাঃ)ৰ শীৰ্ষ নেতা মৃগাংক অসমৰ আত্মসমৰ্পণ

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১১ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ থানাৰ অন্তৰ্গত ২ নং ডিৰাক গাঁৱৰ ফুলেন গোহাঁইৰ পুত্ৰ আলফা স্বাধীনৰ স্বয়ম্ভু লেফটেনেণ্ট বুদ্ধেশ্বৰ গোহাঁই ওৰফে মৃগাংক ⏩৬ পৃষ্ঠাত

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণ দাবীত ৰাইজৰ দলে ঘোষণা কৰিব স্বতন্ত্ৰ আন্দোলন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ ছেপ্টেম্বৰ ঃ** অসমৰ ৰাজনৈতিক মহলত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈৰ সাম্প্ৰতিক মন্তব্য- ⏩৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ প্ৰচাৰ সভাত হাজাৰ-হাজাৰ লোকৰ সমাৱেশ; সম উন্নয়নৰ বাৰ্তাৰে ভোট ভিক্ষা

# বড়োভূমিত আগ্ৰাসী ৰূপত বিজেপিৰ ৰণডংকা

▪ বিটিআৰ অঞ্চলৰ লোক ভূমিৰ সমস্যাক লৈ চিন্তিত, তেওঁলোকে আজিও ভূমিপট্টা লাভ কৰা নাই ঃ মুখ্যমন্ত্ৰী ▪



### ভৈৰৱকুণ্ড পৰিষদীয় সমষ্টিত বিজেপিৰ প্ৰাৰ্থী মিনন মোছাহাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ওদালগুৰি, ১১ ছেপ্টেম্বৰ ঃ** বিটিচি নিৰ্বাচনৰ দিনকেইটামান বাকী থকাৰ মাজতে আজি ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ড পৰিষদীয় সমষ্টিত বিজেপিৰ প্ৰাৰ্থী মিনন মোছাহাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিলে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই সমষ্টিৰ শান্তিপুৰত অনুষ্ঠিত এক বিশাল নিৰ্বাচনী সভাত হাজাৰ হাজাৰ সমৰ্থকক উদ্দেশ্যি ⏩৬ পৃষ্ঠাত

### পেনেলৰ পৰা আঁতৰিল সুশিলা কাৰ্কী, কাঠমাণ্ডুৰ মেয়ৰ বলেন শ্বাহ

## নেপালৰ অন্তৰ্ৱৰ্তী চৰকাৰৰ নেতৃত্ব দিব কুলমান ঘিচিঙে !

**ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ ছেপ্টেম্বৰ ঃ** নেপালৰ জেন জি আন্দোলনে দেশৰ ৰাজনৈতিক পৰিস্থিতিক নতুন দিশ দিছে। চাৰি ঘণ্টাৰ জুম বৈঠকত সুশীলা কাৰ্কীক তেওঁলোকৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰা হৈছিল, ⏩৬ পৃষ্ঠাত



### ভাৰতীয় নাগৰিকত্ব গ্ৰহণৰ তিনি বছৰ পূৰ্বেই ভোটাৰ তালিকাত সন্নিবিষ্ট হৈছিল ছোনিয়া গান্ধীৰ নাম

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ ছেপ্টেম্বৰ ঃ** ভোটাৰ তালিকাত জালিয়াতিৰ অভিযোগত ৰাহুল গান্ধীৰ সৰৱতাৰ ⏩৬ পৃষ্ঠাত

গৌৰৱ গগৈৰ পাকিস্তান লিংকৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ ৰাজহুৱা

## দুটি নিষ্পাপ সন্তানৰ ভৱিষ্যতৰ কণ্ঠ মূক কৰি তোলা হৈছে ঃ মুখ্যমন্ত্ৰী

▪ মুখ্যমন্ত্ৰীয়ে এতিয়া আবোল তাবোল বকিবলৈ আৰম্ভ কৰিছে; কংগ্ৰেছৰ অভিযোগ ▪

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ ছেপ্টেম্বৰ ঃ** যোৱা ১০ ছেপ্টেম্বৰত গৌৰৱ গগৈৰ পাকিস্তান লিংকৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সকলো কথা ৰাজহুৱা নকৰাক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া অব্যাহত আছে। ইয়াৰ মাজতে মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ যোগেৰে এছ আই টিৰ প্ৰতিবেদনত কি আছে সেয়া ৰাজহুৱা কৰিছে। ১১ ছেপ্টেম্বৰৰ সন্ধিয়া সামাজিক মাধ্যম যোগে, ৯৬ ⏩৬ পৃষ্ঠাত



### জনজাতিকৰণ আৰু পূৰ্ণ স্বায়ত্ত শাসনৰ দাবীত বিশাল জোঁৰ সমদলৰ প্ৰস্তুতি


## ১৯ ছেপ্টেম্বৰত সমদলেৰে তিনিচুকীয়া কঁপাব মটকসকলে



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১১ ছেপ্টেম্বৰ ঃ** অসমৰ আদিম ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীৰ পিছত এইবাৰ অন্যতম ভূমিপুত্ৰ মটক জনগোষ্ঠীয়ে এইবাৰ ৰাজপথ কঁপাবলৈ সাজু হৈছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সন্মুখত প্ৰত্যাহ্বান সৃষ্টি কৰাৰ বাবে সম্পূৰ্ণ ⏩৬ পৃষ্ঠাত

বিগত ৯ মাহত পূৰ্ব অৱগতি নোহোৱাকৈ ছ বাৰ বিদেশ ভ্ৰমণ

## জেড-প্লাছ নিৰাপত্তাৰ নিয়ম-নীতি পালনত ব্যৰ্থ ৰাহুল গান্ধী




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ জেড-প্লাছ নিৰাপত্তা প্ৰটকল ভংগৰ অভিযোগত কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচ বাহিনী (চি আৰ পি এফ) উদ্বিগ্ন হৈ পৰিছে। বিগত ৯ মাহত ৰাহুল গান্ধীয়ে কোনো পূৰ্ব অৱগতি নোহোৱাকৈ ৬ বাৰ বিদেশ ভ্ৰমণ কৰাৰ পিছত চি আৰ পি এফে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খৰ্গে আৰু ৰাহুল গান্ধীৰ ওচৰলৈ এই বিষয়ে চিঠি প্ৰেৰণ কৰিছে। ⏩৬ পৃষ্ঠাত

কোঠাত মাতৃ-পুত্ৰৰ, চোতালত পিতৃৰ পৰি ৰ'ল মৃতদেহ

## ছিপাঝাৰত একেটা পৰিয়ালৰ তিনিজনৰেই প্ৰাণ কাঢ়িলে দুৰ্বৃত্তই

অচিনাক্ত দুৰ্বৃত্তৰ বৰ্বৰ আক্ৰমণ; নৃশংস ঘটনাত নিহত পুত্ৰ ধৃতিৰাজ সপ্তম শ্ৰেণীৰ ছাত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ছিপাঝাৰ, ১১ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰত সংঘটিত এক ভয়ংকৰ হত্যাকাণ্ডই সমগ্ৰ অসমত চাঞ্চল্যৰ সৃষ্টি কৰিছে। বৃহস্পতিবাৰে নাৰিকলি অঞ্চলত এই জঘন্য ঘটনা ঘটে। একেটা পৰিয়ালৰ তিনিজন সদস্যই অচিনাক্ত দুৰ্বৃত্তৰ বৰ্বৰ আক্ৰমণত প্ৰাণ হেৰুৱায়। নিহতসকলক দীপক নাথ, ⏩৬ পৃষ্ঠাত





বিটিআৰৰ নিৰ্বাচনী জনসভাত ব্যাপক প্ৰচাৰ সোণোৱালৰ

### বিপিএফ, ইউপিপিএলৰ চৰকাৰৰ বিৰুদ্ধে বিয়াগোম দুৰ্নীতিৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ ছেপ্টেম্বৰ ঃ** বিটিআৰ-ৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিটিআৰ-ৰ অন্তৰ্গত ১৯ নং থুৰিবাৰী পৰিষদীয় সমষ্টিৰ পালেংবাৰীত ভাৰতীয় জনতা পাৰ্টিৰ নিৰ্বাচনী জনসভাত উপস্থিত ⏩৬ পৃষ্ঠাত

### বিশ্বজিৎ দৈমাৰীয়ে বিপিএফৰ সৈতে থাকি বিটিচি লেতেৰা কৰিছিল ঃ প্ৰমোদ বড়ো

**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ১১ ছেপ্টেম্বৰ ঃ** ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল)ৰ সভাপতি তথা বড়োলেণ্ড ⏩৬ পৃষ্ঠাত

### বিজেপিৰ আমোলত অসম ২০ বছৰ পিছুৱাই গ'ল ঃ ৰিপুন বৰা

▪প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ পূৰ্বে মঙলদৈত ৰিপুন বৰাৰ সংবাদমেল ▪

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ ছেপ্টেম্বৰ ঃ** মঙলদৈত দৰং জিলাৰ কংগ্ৰেছ কাৰ্যালয়ত আজি অনুষ্ঠিত এক সংবাদমেলত ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ ⏩৬ পৃষ্ঠাত

জনজাতিৰ মৰ্যাদা-ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসন প্ৰদানৰ দাবী

## ৩০ সহস্ৰাধিক মৰাণ জনগোষ্ঠীৰ লোকৰ সমাৱেশেৰে কঁপাই তুলিলে তিনিচুকীয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, অসম বাৰ্তা, তিনিচুকীয়া, ১১ ছেপ্টেম্বৰ ঃ** অসমৰ আদিম ভূমিপুত্ৰ মৰাণ জনতাই আজি বিশাল জোঁৰ সমদলেৰে এক প্ৰকাৰ ইতিহাস ৰচিলে তিনিচুকীয়া সদৰত।




বাণিজ্যিক চহৰ তিনিচুকীয়াৰ সমীপৱৰ্তী বৰগুৰিস্থিত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰা তিনিচুকীয়া সদৰৰ থানা চাৰিআলিলৈকে প্ৰায় ৪ কি.মি. পথত হাজাৰ ⏩৬ পৃষ্ঠাত






# ভোটাৰ তালিকা আৰু নতুন সমজোৱা লোৱা হ'ব নমাটি সমবায় সমিতিত

**অসম বাৰ্তা, ডবকা, ১১ ছেপ্টেম্বৰ** ঃ হোজাইৰ নমাটি সমবায় সমিতি লিঃৰ সকলো অংশীদাৰক এক বিবৃতি যোগে জনায় যে অসম সমবায় সমিতি আইন ২০০৭ অনুসৰি নমাটি সমবায় সমিতি লিঃৰ ২০২৬-২০২৭ বৰ্ষৰ খচৰা ভোটাৰ তালিকা (ভোটাধিকাৰ থকা সকলো নবীকৰণ) প্ৰস্তুত কৰণৰ কাম ইং ০৮/০৯/২০২৫ তাৰিখৰ পৰা ১৩/০৯/২০২৫ তাৰিখলৈকে প্ৰতিটো গাওঁ পঞ্চায়ত কাৰ্য্যালয় নবীকৰণ আৰু নতুন সমজুৱা লোৱা হব আৰু ০৮/০৯/২০২৫ তাৰিখৰ পৰা আৰম্ভ কৰি ২০/০৪/২০২৬ তাৰিখে অন্ত পৰিব আৰু ২০/০৪/২০২৬ তাৰিখে উক্ত খচৰা ভোটাৰ তালিকা সমিতিৰ কাৰ্য্যালয়ৰ জাননী ফলকত প্ৰকাশ কৰা হব। এই ভোটাৰ তালিকাখন চূড়ান্ত কৰিবৰ বাবে অসম সমবায় সমিতি আইন ২০০৭ আৰু অসমৰ সমবায় সমিতি সমূহৰ পঞ্জীয়ক চাৰ্কোলাৰ নং CF.9/2021/10, dtd.26-03-2023 অনুসৰি এনে কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ০৮/০৯/২০২৫ পৰা ২০/০৪/২০২৬ লৈকে সমিতিৰ ২০২৫-২০২৬ বৰ্ষৰ খচৰা ভোটাৰ তালিকা (ভোটাধিকাৰ থকা) সকলোৰ নবীকৰণৰ কাম প্ৰস্তুতকৰণ, ২০/০৪/২০২৬ তাৰিখে খচৰা ভোটাৰ তালিকা প্ৰকাশ, ২০/০৪/২০২৬ ৰ পৰা ৩০/০৪/২০২৬ লৈ খচৰা ভোটাৰ তালিকাৰ ওপৰত ওজৰ-আপত্তি গ্ৰহণ, ১০/০৫/২০২৬ তাৰিখে ২০২৬-২০২৭ বৰ্ষৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ, ইপিনে ওজৰ আপত্তিৰ কিছু নিয়ম বান্ধি দিয়া হৈছে। যদি সমিতিৰ এলেকাধীন কোনো সমজুৱাৰ নাম এই খচৰা ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হোৱা নাই তেনেহলে সেই ব্যক্তিয়ে উপযুক্ত প্ৰমাণ সহ সমিতিৰ কাৰ্যালয়ত ৩ নং কাৰ্যসূচীত উল্লেখ কৰা সময় অনুসৰি আবেদন কৰিব পাৰিব। যদি সমিতিৰ এলেকাধীন কোনো মৃত সমজুৱাৰ নাম এই খচৰা ভোটাৰ তালিকাত প্ৰকাশ পাইছে তেনেহলে সেই মৃত ব্যক্তিৰ মৃত্যুৰ প্ৰমাণ পত্ৰ (সংশ্লিষ্ট বিষয়া তথা গাঁওবুঢ়াৰ দ্বাৰা প্ৰদত্ত) সহ আবেদন প্ৰকাৰে ওপৰত উল্লিখিত ৩ নং কাৰ্যসূচীৰ সময়সূচী অনুসৰি লিখিত হিচাপে সমিতিৰ কাৰ্যালয় খোলা থকা অৱস্থাত সমিতিৰ সম্পাদকক জমা দিব লাগিব। মৃত, ব্যক্তিৰ নামৰ বিপৰীতে উত্তৰাধিকাৰীসূত্ৰে যদি কোনো ব্যক্তিৰ নাম অন্তৰ্ভুক্ত কৰিব লাগে তেন্তে তেনে ব্যক্তিয়ে' ওপৰত উল্লিখিত ৩ নং কাৰ্যসূচীৰ সময়সূচী অনুসৰি লিখিত হিচাপে সমিতিৰ কাৰ্যালয় খোলা থকা অৱস্থাত সমিতিৰ সম্পাদকক জমা দিব লাগিব। এই কথা এক প্ৰেছ বিবৃতি যোগে নমাটি সমবায় সমিতি লিঃৰ সভাপতি আব্দুছ ছালাম আৰু সম্পাদক ৰিয়াজ উদ্দিন লস্কৰে জানিব দিয়ে।

# গছপুলি ৰোপণেৰে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী পালন এজন যুৱকৰ

**অসম বাৰ্তা, ধনশিৰি, ১১ ছেপ্টেম্বৰ** ঃ আজি বিশ্ববৰেণ্য ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী। এই বিশেষ দিনটো বিভিন্ন লোক তথা নানান অনুষ্ঠান প্ৰতিষ্ঠানে পালন কৰিছে। কিন্তু সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ দিনটোতেই গেলাবিল অঞ্চলৰ ভাৰত বৰা নামৰ এজন যুৱকক দেখা গল ব্যতিক্ৰমী ৰূপত। যুৱকজনে ড° ভূপেন হাজৰিকাৰ জন্ম দিনটোত গেলাবিল অঞ্চলত শতাধিক গছপুলি ৰোপণ কৰিলে। যুৱকজনে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত সমূহত স্থান পোৱা শেৱালি, কৃষ্ণচূড়া, নাহৰ, পলাশ ইত্যাদি বিভিন্ন ধৰণৰ মূল্যবান গছপুলি ৰোপণ কৰি মহান ব্যক্তিজনৰ জন্ম শতবাৰ্ষিকীত স্মৰণ কৰাৰ লগতে তেখেতক শ্ৰদ্ধাঞ্জলি জনাই। ভাৰত বৰা এজন প্ৰকৃতিপ্ৰেমী যুৱক। তেওঁ গছপুলি ৰোপণ কৰাৰ কোনো সময়-সীমা নাই। তেওঁৰ মন গলেই হাতত দহঞ্চবাৰটা পুলি লৈ বিভিন্ন স্থানত ৰোপণ কৰি দিয়ে। গেলাবিল অঞ্চলক সেউজীয়া কৰি তোলাৰ ক্ষেত্ৰত ভাৰত বৰাই যথেষ্ট কষ্ট কৰিছে। গেলাবিল চাৰিআলিৰ পৰা দৈয়াং নদীৰ পাৰলৈকে ভাৰত বৰাই গছপুলি ৰোপণ কৰি এক সৌন্দৰ্যময় সেউজীয়া পৰিৱেশৰ সৃষ্টি কৰিছে। ইয়াৰ উপৰি যুৱকজনে বিভিন্ন স্কুল, নামঘৰ, চিকিৎসালয়, কাৰ্যালয়, ক্লাবঘৰৰ চৌহদকে ধৰি গোলাঘাট জিলাৰ কাকডোঙা, ধনশিৰি, তেলীশাল, বৰপথাৰ, সৰুপথাৰ ইত্যাদি বিভিন্ন স্থানত গছপুলি ৰোপণ কৰি ডাঙৰ-দীঘল কৰিছে। ভাৰত বৰাই ৰোপণ কৰা বহু সংখ্যক গছপুলি ইতিমধ্যেই ডাঙৰ হৈছে। তেওঁ গছপুলিসমূহ ৰোপণ কৰিয়েই কোনোদিনে দায়িত্ব নাসামৰে। সেই পুলিসমূহ ডাঙৰ নোহোৱালৈকে সুন্দৰভাৱে প্ৰতিপালন কৰে। কেতিয়াবা তেওঁৰ মন গলে নিজে ৰোৱা গছপুলিৰ তলত জিৰণি লয়। তেওঁ প্ৰতিদিনেই এখন সেউজীয়া পৃথিৱীৰ সপোন দেখে। যত চৌদিশে কেৱল ফলে ফুলে জাতিস্কাৰ এখন সুস্থ পৃথিৱী আৰু তেওঁ বাস কৰে। অসমৰ বহু ঠাইত পথ বহলিকৰণ কৰাৰ বাবে গছপুলি কাটিবলগীয়া হয়। সেয়েহে তেওঁ সেই গছ সমূহৰ ঠাইসমূহ যাতে পুৰণ কৰিব পাৰে তাৰবাবে সকলো ৰাইজকে গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনাইছে।

# অসম-নাগালেণ্ড সীমান্তৰ পি.এম. কাছমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত বিত্তমন্ত্ৰী অজন্তা নেওগ বিদ্যালয়ৰ পুথিভঁৰালৰ শুভ উদ্বোধন



**অসম বাৰ্তা, মেৰাপানী, ১১ ছেপ্টেম্বৰ** ঃ গোলাঘাট জিলাৰ কাছমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত অসম চৰকাৰৰ বিত্ত, সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী তথা গোলাঘাট সমষ্টিৰ বিধায়ক অজন্তা নেওগ। বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক টিৰেণ চন্দ্ৰ কাকতি কাৰ্যকালত ২০২৩-২০২৪ বৰ্ষৰ সৰ্বশিক্ষা অভিযান অসমৰ অধীনত ১৫,৮৩০০০ (পোন্দৰ লাখ তিৰাশী হাজাৰ ) টকাৰ অনুদানেৰে নিৰ্মাণ কৰা CHILDREN AND ADOLESCENI'S LIBRARY ৰ দুটা কোঠাৰ শুভ উদ্বোধন কৰে মন্ত্ৰী গৰাকীয়ে। উদ্বোধন কৰি ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক দিশৰ উন্নতিৰ বাবে আগবঢ়োৱা এই পুথিভঁৰালে যথেষ্ট সহায় হ'ব বুলি মন্তব্য কৰে মন্ত্ৰী গৰাকীয়ে। বিদ্যালয়খনত প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক শিক্ষয়ত্ৰীৰ সংখ্যা মাত্ৰ ০৭জন হোৱাত অনাগত সময়ত শিক্ষকৰ অভাৱ পূৰণত গুৰুত্ব দিয়াৰ কথাও উল্লেখ কৰে মন্ত্ৰী গৰাকীয়ে। বিদ্যালয়ৰ বিজ্ঞান শিক্ষক প্ৰফুল্ল বৰুৱাই আঁত ধৰা অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নীলকান্ত বৰুৱাই। গমাৰীগুৰি উন্নয়ন খণ্ডৰ খণ্ড বিষয়া গীতাৰ্থ নাথ, গোলাঘাট জিলা বিজেপিৰ উপ-সভাপতি পোনা বৰা, গমাৰীগুৰি মণ্ডলৰ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী নিমিষা সন্দিকৈ, ১৯৩নং ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ সদস্যা শিখামণি ঠেঙাল বৰুৱা, কাছমাৰী গাওঁ পঞ্চায়তৰ প্ৰাক্তন সভাপতি সোণা গগৈ, আঞ্চলিক সদস্য কেশৱ শইকীয়া, বিদ্যালয়ৰ প্ৰধান শিক্ষক পোনাৰাম শইকীয়াকে প্ৰমুখ্য কৰি শিক্ষক শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকল উপস্থিত থাকে।

## অভিযুক্ত হৰিধন গগৈক গ্ৰেপ্তাৰ

# গেলেকী হাবি গাঁৱত চোকা অস্ত্ৰৰ আক্ৰমণত গুৰুত্বৰভাৱে আহত এজন !

**অসম বাৰ্তা, গেলেকী, ১১ ছেপ্টেম্বৰ** ঃ গেলেকী থানাৰ অন্তৰ্গত হাবি গাঁৱত সংঘটিত হৈছে ভয়ংকৰ ঘটনা। চোকা অস্ত্ৰৰ আঘাতত গুৰুত্বৰভাৱে আহত হৈছে এজন লোক। গেলেকী হাবি গাঁৱৰ নিবাসী ভপু শইকীয়া (৫১) নামৰ এজন লোকক নিশা একে গাঁৱৰে নিবাসী হৰিধন গগৈয়ে চোকা অস্ত্ৰৰে আক্ৰমণ কৰি প্ৰাণে মৰাৰ চেষ্টা কৰে। আহত ভপু শইকীয়াৰ পৰিয়ালৰ লোকে জানিব দিয়া মতে কোনো কাৰণ নোহোৱাকৈ নিশা প্ৰায় ৯ মান বজাত কোনো কাৰণ নোহোৱাকৈ এখন চোকা দা লৈ আহি আক্ৰমণ কৰে হৰিধন গগৈয়ে। হৰিধন গগৈয়ে চোকা অস্ত্ৰৰে আক্ৰমণ কৰাত বেয়াকৈ আহত হয় ভপু শইকীয়াক নামৰ লোকজন। আহত লোকজনৰ হাত, ডিঙি আৰু ভৰিত বেয়াকৈ আঘাত পায়। আঘাতপ্ৰাপ্ত ভপু শইকীয়াৰ অধিক ৰক্তক্ষয় হোৱাৰ বাবে বাবে থিতাতে পৰি যায়। ঘটনাটো স্থানীয় লোকে প্ৰত্যক্ষ কৰি চিএৱৰ বাখৰ কৰাত স্থানীয় লোক ওলাই আহি ততাতৈয়াকৈ আহত লোকজনক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰে আৰু গেলেকী আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত গেলেকী আৰক্ষী উপস্থিত হৈ অভিযুক্তক আটক কৰাৰ লগতে ঘটনাৰ লগত জড়িত সামগ্ৰী জব্দ কৰে। বৰ্তমান আহত ভপু শইকীয়াক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰা হৈছে। ইতিমধ্যে গেলেকী আৰক্ষী থানাৰ গোচৰ নম্বৰ ৩৩/২৫ এটা গোচৰ ৰোজো কৰি অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে আৰু আদালতলৈ প্ৰেৰণ কৰিছে।

# ডবকা আমবাৰী বন গাঁৱৰ নতুন গাঁওপ্ৰধান নিৰ্বাচন হ'ল ৰাণা কুমাৰ দাস

**অসম বাৰ্তা, ডবকা, ১১ ছেপ্টেম্বৰ** ঃ ডবকাৰ আমবাৰীত গাঁওপ্ৰধান নিৰ্বাচনৰ বাবে কৰ্তৃপক্ষই ভোট গ্ৰহণৰ ব্যৱস্থা কৰিবলগীয়া হৈছে। ভোটদান কৰিবলৈ পুৱাৰে পৰা ভোট কেন্দ্ৰত ৰাইজৰ দীঘলীয়া শাৰী। গাঁওপ্ৰধান নিৰ্বাচনৰ বাবে এইদৰে ভোটিং প্ৰক্ৰিয়াৰ আশ্ৰয় ল'বলগীয়া ঘটনাই ৰাইজৰ মাজত আমোদৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি ডবকাৰ আমবাৰী ফৰেষ্ট গাঁৱত গাঁওপ্ৰধান নিযুক্তিক কেন্দ্ৰ কৰি দুগৰাকী প্ৰাৰ্থীৰ মাজত দীৰ্ঘ দিনৰ পৰা সংঘাত চলি আছিল। গাঁও সভা অনুষ্ঠিত কৰি দুগৰাকী প্ৰাৰ্থীৰ মাজত ঐকমত্য নোহোৱাত কৰ্তৃপক্ষই ভোটদান প্ৰক্ৰিয়াৰ আশ্ৰয় ল'বলগীয়া হয়। ডবকা যমুনা উপত্যকা আঞ্চলিক বন বিষয়া বিজিৎ ভট্টাচাৰ্য প্ৰিচাইডিং বিষয়া হিচাপে উপস্থিত থাকি শংকৰ মন্দিৰ চৌহদত আৰম্ভ কৰে ভোট গ্ৰহণ। গাঁওখনৰ গাঁওপ্ৰধানৰ বাবে আছিল দুগৰাকী প্ৰাৰ্থী। ৰাণা কুমৰা দাস আৰু নমিতা বিশ্বাসে প্ৰাৰ্থিত্ব আগবঢ়োৱা গাঁওপ্ৰধানৰ বাবে মুঠ ৩৫৪গৰাকী ভোটাৰ আছিল। ভোটদান প্ৰক্ৰিয়াত ৩৪২ গৰাকী ভোটাৰে ভোটদান কৰে। তাৰে ১২টা ভোট নাকচ হয়। ভোট গ্ৰহণৰ অন্তত অনুষ্ঠিত গণনাত নমিতা বিশ্বাসে ১৪৩টা ভোট লাভ কৰাৰ বিপৰীতে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী ৰাণা কুমাৰ দাসে লাভ কৰে ১৯৯টা ভোট। ৰাণাই ৫৬টা ভোট অধিক লাভ কৰি গাঁওপ্ৰধান নিৰ্বাচনত বিজয় সাব্যস্ত কৰে। ৰাণাৰ বিজয়ত বনগাঁওবাসীয়ে ফটকা ফুটাই আনন্দ উল্লাস কৰে।

## 'অসম বাৰ্তা' কাকতৰ বাতৰিৰ প্ৰভাৱ

# গাঁওৰক্ষী বাহিনীৰ সভাপতিৰ ঘৰত আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, মোৰাঝাৰ, ১১ ছেপ্টেম্বৰ** ঃ সোমাবাৰে হোজাই জিলাৰ ডবকা থানাৰ অন্তৰ্গত মদাৰতলি গাঁৱৰক্ষী বাহিনীৰ সভাপতি ৰফিক আলীৰ বিৰুদ্ধে স্থানীয় ৰাইজে বহুকেইটা গুৰুতৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে হোজাই জিলা আৰক্ষী অধীক্ষকৰ ওচৰত দাখিল কৰিছিল এজাহাৰ। সেই বাতৰি কেৱল মাত্ৰ অসম বাৰ্তা কাকতে সবিস্তাৰে প্ৰকাশ কৰাৰ পিছতে হোজাই আৰক্ষীৰ মাজত তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আজি অভিযুক্ত ৰফিক আলীক হোজাই ক্ৰাইম ব্ৰাঞ্চৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ নিৰ্দেশ জাৰি কৰিছিল হোজাই আৰক্ষীয়ে। বিশেষ সূত্ৰে জানিব পৰা মতে ৰফিক আলীয়ে আৰক্ষীৰ নিৰ্দেশনাক বুঢ়া আঙুলি দেখুৱাই উপস্থিত হোৱা নাই ক্ৰাইম ব্ৰাঞ্চৰ কাৰ্যালয়ত। তাৰ পাছতে ডবকা আৰক্ষীয়ে অভিযুক্ত ৰফিক আলীৰ ঘৰত অভিযান চলাই ৰফিকৰ পত্নীৰ মবাইল জব্দ কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে চতুৰ ৰফিক আলীয়ে আৰক্ষী অহাৰ কথা উমান পাই ঘৰৰ পৰা পলায়ন কৰে। বৰ্তমানলৈকে ৰফিকৰ মবাইল চুইচ অফ হৈ আছে, যদিও ডবকা আৰক্ষীয়ে ৰফিকক বিচাৰি অভিযান অব্যাহত ৰাখিছে।

## পুনৰ খোলাৰ দাবীত তিনিঘণ্টীয়া ধৰ্ণাৰে প্ৰতিবাদ আদিবাসী ছাত্ৰ সন্থাৰ

# তিনিবছৰ ধৰি বন্ধ চৰাইদেউ পৰ্বত চাহ বাগিচা

**অসম বাৰ্তা, নামতি, ১১ ছেপ্টেম্বৰ** ঃ নাজিৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত বিশ্ব ঐতিহ্য ক্ষেত্ৰ চ্যুকাফা মৈদামৰ গাতে লাগি থকা চৰাইদেউ পৰ্বত চাহ বাগিচাখন এন চি এল টি (National Company Law Tribunal) আইনৰ গোচৰাধীন হোৱাৰ বাবে বাগিচাখন বিগত তিনি বছৰ দিন ধৰি বন্ধ হৈ আছে। যাৰ ফলত চাহ শ্ৰমিক আৰু কৰ্মচাৰীৰ ল'ৰা -ছোৱালীৰ পঢ়া শুনা ক্ষেত্ৰত সংকট নামি অহাৰ লগতে বাগিচাখনত চৰম অৰাজকতাৰ সৃষ্টি হৈছে। বাগিচাৰ শ্ৰমিক জনগণ আৰু ভালেকেইটা সংগঠনেও বাৰম্বাৰ প্ৰতিবাদ, স্মাৰক পত্ৰ যোগে চৰকাৰী কৰ্তৃপক্ষক দাবী জনাই আহিছে যদিও আজি পৰ্যন্ত চৰকাৰ আৰু মালিক পক্ষই কোনো সু ব্যৱস্থা গ্ৰহণ কৰা নাই। বাগিচাখনৰ শ্ৰমিক ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱন-জীৱিকাৰ দিশ লক্ষ্যৰাখি আজি সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ নাজিৰা আঞ্চলিক সমিতি আৰু চৰাইদেউ চাহ বাগিচা প্ৰাথমিক সমিতিৰ উদ্যোগত নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত তিনিঘণ্টীয়া ধৰ্ণাৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। অৰ্ধশতাধিক প্ৰতিবাদকাৰী সকলে শ্ৰম মন্ত্ৰী ৰূপেশ গোৱালা মূৰ্দাবাদ, অসম চৰকাৰ হায় হায়, বি জে পি হায় হায়, যোৰহাট সংসদীয় সমষ্টিৰ সাংসদ গৌৰৱ গগৈ হায় হায়, চৰাইদেউ পৰ্বত চাহ বাগিচা শীঘ্ৰে খোলাৰ ব্যৱস্থা কৰক আদি বিভিন্ন চৰকাৰ বিৰোধী ধৰ্ণাৰে উত্তাল কৰি তোলে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ উপ - সভাপতি বিতুল কুৰ্মী, সাধাৰণ সম্পাদক অজয় ভূঞা, শ্ৰমিক নেতা বলদেৱ তেলীৰ উপৰি অৰ্ধশতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰা প্ৰতিবাদী কাৰ্য্যসূচীৰ অন্তত সংগঠনটোৰ নাজিৰা আঞ্চলিক সমিতিৰ সভাপতি সঞ্জয় গৰাইত আৰু সম্পাদক ঔম প্ৰকাশ তাঁতীৰ স্বাক্ষৰত নাজিৰা সমজিলা আয়ুক্তৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰীলৈ চৰাইদেউ পৰ্বত চাহ বাগিচাখন পুনৰ খোলাৰ দাবীত এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। ইয়াৰ পিছতো চৰকাৰ তথা বাগিচাৰ মালিক পক্ষই কোনো চৰাইদেউ পৰ্বত চাহ বাগিচাখন পুনৰ খোলাৰ ব্যৱস্থা নকৰিলে ধাৰাবাহিকভাৱে গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ লগতে ইয়াৰ ফলত উদ্ভৱ হোৱা যিকোনো পৰিস্থিতিৰ বাবে প্ৰশাসন আৰু চৰকাৰেই জগৰীয়া হ'ব বুলি সকীয়াই দিয়ে।

# মাকুম হাপজান বামুণমাটি গাঁৱত বিবাহিত যুৱকৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, মাকুম, ১১ ছেপ্টেম্বৰ** ঃ আজি আবেলি মাকুম হাপজান বামুণমাটি গাঁৱত গাঁওখনেৰে অমৃত মাহাত্ব নামৰ ২৫ বছৰীয়া এজন বিবাহিত যুৱকৰ চিপজৰী লোৱা অৱস্থাত মৃতদেহটো উদ্ধাৰ কৰা হয়। জানিবলৈ পৰা মতে চাৰি মাহ পূৰ্বে বিবাহপাশত আবদ্ধ হোৱা যুৱকজনে যোৱা নিশা পত্নীৰ সৈতে কিবা কথাত বাকবিতণ্ডাত লিপ্ত হৈ ঘৰৰ পৰা ওলাই গৈছিল। আজি আবেলি পৰত যুৱক জনৰ ঘৰৰ পাছফালে অৱস্থিত বাঁহনি বাৰীত থকা এজোপা গছত যুৱক জনৰ মৃত দেহ চিপজৰী লৈ ওলমি থকা অৱস্থাত প্ৰত্যক্ষদৰ্শীয়ে প্ৰত্যক্ষ কৰাত মাকুম আৰক্ষীক খবৰ দিয়ে। ততাতৈয়াকৈ মাকুম আৰক্ষীৰ এটা দলে ঘটনা স্থলীত উপস্থিত হৈ মৃত দেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। যুৱক জনৰ মৃত্যুৰ ৰহস্য মৰণোত্তৰ পৰীক্ষাৰ পাছতহে জানিবলৈ পৰা হ'ব।

# খ্ৰাইষ্ট কিং স্কুলত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

**অসম বাৰ্তা, নিমাতীঘাট, ১১ ছেপ্টেম্বৰ** ঃ যোৰহাটৰ আগশাৰীৰ শিক্ষানুষ্ঠান খ্ৰাইষ্ট কিং ইংলিছ স্কুলত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনায়। শিক্ষক দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিদ্যালয়ৰ ছাত্ৰী প্ৰীতিশা প্ৰিয়ম হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায়। অভিভাৱক প্ৰদীপ হাজৰিকাই উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপক নীলাভ নয়ন দত্তক তিনি হাজাৰ টকা প্ৰদান কৰে। আনহাতে অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা অনুৰাগ ৰাজ দত্তক এহাজাৰ পাঁচশ টকা প্ৰদান কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী শিখাৰাণী শইকীয়াই স্বামী অৱণীপ্ৰাণ শইকীয়াৰ সোঁৱৰণত ঐচ্ছিক গণিত বিষয়ত ১০০ নম্বৰ লাভ কৰা বিৰিঞ্চি প্ৰসাদ বৰুৱা আৰু নীলাভ নয়ন দত্তক দুহাজাৰকৈ টকা প্ৰদান কৰে। বিদ্যালয়ৰ অধ্যক্ষা মঞ্জুলা দত্তই সকলোলৈকে শিক্ষক দিৱসৰ শুভেচ্ছা জনাই বক্তব্য প্ৰদান কৰে আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক উপহাৰ প্ৰদান কৰে।

# ডবকা হাজী আনফৰ আলী মহাবিদ্যালয়ত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভণি অনুষ্ঠান

**অসম বাৰ্তা, ডবকা, ১১ ছেপ্টেম্বৰ** ঃ সমগ্ৰ অসমবাসীৰ লগতে হোজাই জিলাৰ ডবকা হাজী আনফৰ আলী মহাবিদ্যালয়ত উদ্‌যাপন কৰা হয় ভাৰতৰত্ন ড° ভূপেন হাজৰিকা দেৱৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভণি অনুষ্ঠান। সোমবাৰে হোজাই জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ডবকা শাখা সাহিত্য সভাৰ সহযোগত আয়োজিত উক্ত অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচী অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ডবকা শাখা সাহিত্য সভাৰ সভাপতি মাখন চন্দ্ৰ বিশ্বাস আৰু আঁত ধৰে ডবকা শাখা সাহিত্য সভাৰ সম্পাদক তাজ উদ্দিন বৰভূএগই। বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হোৱা ভূপেন্দ্ৰ স্মৰণ সভাত সভাপতিত্ব



কৰে হোজাই জিলা সাহিত্য সভাৰ সভাপতি পদ্ম কান্ত বৰা দেৱে। এই সভাৰ আঁত ধৰে জিলা সভাৰ সম্পাদক অচুৎ ঠাকুৰীয়াই আৰু সহযোগ কৰে সহ সম্পাদকদ্বয় ছাদিকুজ জামান, প্ৰতাপ বৰুৱাই। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শ্ৰীমন্ত শঙ্কৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ সম্পাদক গজেন হাজৰিকা, বিশিষ্ট অতিথি হিচাপে হোজাই জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক অনুপ কুমাৰ বৰঠাকুৰ, আমন্ত্ৰিত অতিথি হিচাপে হাজী আনফৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মামুন আজম বাৰভূএগ, নিৰ্দিষ্ট বক্তা হিচাপে লংকা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° অনিল কুমাৰ শইকীয়াৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। উপস্থিত দৰ্শকক উদ্দেশ্যি দিয়া ভাষণ প্ৰসংগত তেখেতসকলে ড° ভূপেন হাজৰিকাদেৱৰ জীৱন আৰু কৃতিৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। উক্ত সভাতে উদীয়মান কবি মাম্পী দাসৰ "অদ্ভুত দৃষ্টিৰ অম্বৰ" নামৰ কাব্য গ্ৰন্থখন উন্মোচন কৰে হোজাই ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক দেৱৰাজ মিলিয়ে। গীত, মাত, কথা আৰু নৃত্যৰ সমাহাৰেৰে বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ল ভূপেনদাৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভণি অনুষ্ঠান। ডবকা শাখাৰ সভাপতি মাখন চন্দ্ৰ বিশ্বাসে শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

# অভয়াপুৰীৰ বন বিষয়াৰ কাৰ্যালয়ত বন শ্বহীদ দিৱস

**অসম বাৰ্তা, লেংটিছিঙা, ১১ ছেপ্টেম্বৰ** ঃ বঙাইগাঁও আই উপত্যকা বন সংমণ্ডলৰ অধীনস্থ অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ত আজি বন শ্বহীদ দিৱস পালন কৰে। এই উপলক্ষে বন সম্পদ সুৰক্ষাৰ বাবে আত্মবলিদান দি শ্বহীদ হোৱা সকললৈ শ্ৰদ্ধা নিবেদন কৰে বন বিষয়া ছালামুদ্দিন সৰকাৰৰ লগতে বন কৰ্মীসকলে। তাৰ পিছতে কাৰ্যালয় চৌহদত অনুষ্টুপীয়াকৈ সভা এখনো অনুষ্ঠিত হয়। সভাত বন বিষয়া সৰকাৰে বন শ্বহীদ দিৱস পালন সন্দৰ্ভত কয় যে ১৭৩০ চনত ৰাজস্থানত ৰজাই গছ-গছনি কটাৰ বাবে সেনাক নিৰ্দেশ দিছিল। তেতিয়া বন সুৰক্ষাৰ বাবে ৰাইজ ওলাই আহি গছ কটাত বাধা দিছিল। ফলত আজিৰ দিনটোতে সেনাৰ হাতত নিহত হৈছিল ৩৬৪জন বনপ্ৰেমী। আৰু পৰবৰ্তী সময়ত বনপ্ৰেমী সকলক বন শ্বহীদ ঘোষণা কৰি প্ৰতি বছৰে আজিৰ দিনটো বন শ্বহীদ হিচাবে পালন কৰি শ্বহীদসকললৈ শ্ৰ্ৰদ্ধা জনাই অহা বুলি কয় বন বিষয়া সৰকাৰে।

# নাজিৰা সমজিলাত ড° ভূপেন হাজৰিকাৰ জন্মজয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, নাজিৰা, ১১ ছেপ্টেম্বৰ** ঃ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নাজিৰা সমজিলা প্ৰশাসনৰ সহযোগত আজি নাজিৰা সমজিলা আয়ুক্তৰ কাৰ্য্যালয়ত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকীৰ শুভ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। নাজিৰা সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামৰ উপস্থিতিত অনুষ্ঠিত হোৱা আজিৰ এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী, সংগীত শিল্পী ভৱানন্দ বৰা, উপ- নাজিৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা বিশিষ্ট সংগীতশিল্পী শিৱ প্ৰসাদ শইকীয়া, বিশিষ্ট সংগীতশিল্পী দিলীপ দাস, বে-চৰকাৰী অনুষ্ঠান নাৰী উন্নতিৰ সদস্য অমিনা বেগম, খৰ্গেশ্বৰী সংগীত মহাবিদ্যালয়ৰ অধ্যাপক ৰাজীৱ বড়া, স্বৰাজ একাডেমীৰ অধ্যক্ষ তথা বিশিষ্ট সমাজ কৰ্মী অসমী গগৈ, নাজিৰা শংকৰদেৱ শিশু নিকেতনৰ অধ্যক্ষ গোপাল বৰুৱা, ক্ৰীড়াবিদ গোপাল গগৈ আৰু বিশিষ্ট সমাজকৰ্মী লেখা ৰাণী ফুকন। অনুষ্ঠানৰ আৰম্ভণিতে সহকাৰী আয়ুক্ত কল্যাণ জ্যোতি হাজৰিকাই উপস্থিত সকলোকে সম্ভাষণ জনাই সুধাকণ্ঠ গৰাকীক স্মৰণ কৰি কয় যে, "তেখেতৰ গীতসমূহ আমাৰ সাংস্কৃতিক ঐতিহ্যৰ অবিচ্ছেদ্য অংগ। তেওঁৰ শিল্পকলা, সামাজিক দৃষ্টিভংগী আৰু সৃষ্টিৰাজি কেৱল অসমতে নহয় সমগ্ৰ বিশ্বতে চৰ্চিত। হাজৰিকাদেৱে যিদৰে এখন প্ৰগতিশীল আৰু শোষণ মুক্ত সমাজ গঢ়াৰ সপোন দেখিছিল, সেই সপোন আমি এগৰাকী সচেতন নাগৰিক হিচাপে দিঠকত পৰিণত কৰিবলৈ চেষ্টা কৰা উচিত। "ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে কল্যাণী ৰাইদঙীয়া, সুকন্যা শইকীয়া আৰু অংকিতা ৰাজখুৱায়ে। পৰৱৰ্তী পৰ্যায়ত এক অন্তৰংগ আলাপত বিশিষ্ট ব্যক্তিসকল মিলিত হয়। তদুপৰি নাজিৰাৰ কেইবাগৰাকীও শিল্পীৰ লগতে নাজিৰা সমজিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীয়ে গীত পৰিৱেশন কৰাৰ লগতে কবিতা আবৃত্তি কৰে। এই সংগীতানুষ্ঠানত বাদ্যযন্ত্ৰত সকলোকে সহযোগ কৰে আকাশ দাস আৰু সমুদ্ৰ দাসে।

# গোলাঘাটত নিক্ষয় মিত্ৰ কাৰ্যসূচীৰ তৃতীয় বৰ্ষপূতি উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১১ ছেপ্টেম্বৰ** ঃ গোলাঘাটৰ জিলা স্বাস্থ্য সমিতিৰ অন্তৰ্গত ৰাষ্ট্ৰীয় যক্ষ্মা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ গোটে আজি জিলা যক্ষ্মা চিকিৎসালয়ৰ সভাগৃহত নিক্ষয় মিত্ৰ কাৰ্যসূচীৰ তৃতীয় বৰ্ষপূতি উদ্‌যাপন কৰে। ভাৰত চৰকাৰৰ দ্বাৰা ২০২৫ ৰ ভিতৰত টিবি নিৰ্মূল কৰাৰ উদেশ্য আগত ৰাখি ভাৰতৰ মাননিয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডিয়ে ৯ ছেপ্টেম্বৰ, ২০২২ তাৰিখে প্ৰধান মন্ত্ৰী যক্ষ্মা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত নিক্ষয় মিত্ৰ উদ্যোগ আৰম্ভ কৰে। এই গুৰুত্বপূৰ্ণ উদ্যোগৰ দ্বাৰা টিবি (যক্ষ্মা) নিয়ন্ত্ৰণ কৰাৰ দিশত সমুদায়ৰ অংশগ্ৰহণ আৰু সহায়ৰ মাধ্যমেৰে পৰস্পৰ সহযোগিতা আৰু সমৰ্থন সৃষ্টি কৰাৰ এক প্ৰচেষ্টা হাতত লোৱা হৈছে। যোৱা তিনি বছৰত গোলাঘাটৰ স্বাস্থ্য বিভাগে টিবি ব্যৱস্থাপনা আৰু পুষ্টিৰ মানদণ্ড প্ৰদান কৰাৰ ক্ষেত্ৰত ১২৭জন নিক্ষয় মিত্ৰ আৰু ৩৮০২টা খাদ্য টোপোলা বিতৰণ সম্পন্ন কৰিছে। আজিৰ কাৰ্যসূচীত জিলা যক্ষ্মা বিষয়া ডাঃ উৎপল বৰাই বক্তৃতা আগবঢ়াই টিবি নিৰ্মূল অভিযানত সমুদায়ৰ সহযোগিতাৰ গুৰুত্ব উল্লেখ কৰে তথা বৰজান চাহ বাগিছাৰ চিকিৎসক ডা: অনন্ত বৰুৱা আৰু মহকুমা চিকিৎসক ও স্বাস্থ্য বিষয়া ডাঃ ৰঞ্জিত হাজৰিকাই এই আলোচনাত অংশগ্ৰহণ কৰি নিক্ষয় মিত্ৰ উদ্যোগৰ প্ৰভাৱৰ বিষয়ে বৰ্ণনা কৰে। ডাঃ বৰুৱাই তেওঁৰ বক্তৃতাত উল্লেখ কৰে যে টিবি চিকিৎসাত খাদ্যৰ গুৰুত্ব আছে, কিয়নো ৰোগৰ সময়ত ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস পায়। ডাঃ হাজৰিকাই নিক্ষয় মিত্ৰ হিচাপে আগবাঢ়ি অহা লোকসকলক প্ৰশংসা কৰাৰ লগতে এই মহৎ কাৰ্য্যৰ বাবে অধিক সংখ্যক লোকক নামভুক্ত হোৱাৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত যক্ষ্মা ৰোগক পৰাস্ত কৰি আৰোগ্য হোৱা লোকসকল, চিকিৎসাৰ প্ৰক্ৰিয়াত থকা ৰোগী আৰু আত্মীয় সকল, নিক্ষয় মিত্ৰ সকল উপস্থিত থাকে আৰু ৰোগী সকলৰ মাজত খাদ্যৰ টোপোলা ববিতৰণ কৰা হয়। লগতে উপস্থিত থাকে ডাঃ সঞ্জিব শইকীয়া, অতিৰিক্ত মুখ্য চিকিৎসা বিষয়া (পৰিয়াল কল্যাণ), DPM অনুষ্কা বৰা, DME পূৰ্বালি হাজৰিকা, DCM জেছমিন ৰহমান, PPM সমন্বয়কাৰী প্ৰেৰণা শইকীয়া, অপূৰ্ব বৰা আৰু NTEP (ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূল কাৰ্যসূচী) গোটত মুখ্য সদস্য সকল উপস্থিত থাকে।

# দুৰ্গা পূজা সমিতিৰ সৈতে তিনিচুকীয়া জিলা আয়ুক্তৰ গুৰুত্বপূৰ্ণ সভা

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১১ ছেপ্টেম্বৰ** ঃ আগন্তুক শাৰদীয় দুৰ্গা পূজা তিনিচুকীয়া জিলাত শান্তিপূৰ্ণভাৱে উদযাপনৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসনে কেতবোৰ বিশেষ ব্যৱস্থা হাতত লৈছে। এই বিষয়ে আয়োজক পূজা সমিতিসমূহৰ সৈতে আলোচনাৰ কৰিবলৈ আজি বৰগুৰিস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত সভাপতিত্ব কৰি জিলা আয়ুক্ত স্বপ্নীল পালে কয় যে, জিলাখনত এই উৎসৱ শৃংখলাবদ্ধভাৱে আৰু শান্তি-সম্প্ৰতিৰ মাজেৰে উদ্‌যাপন কৰাত প্ৰতিখন পূজা সমিতিৰে বিশেষ দায়িত্ব আছে। সেই বাবে জিলা প্ৰশাসনে সমিতিসমূহৰ কৰণীয় কৰ্তব্য সম্পৰ্কে নীতি-নিয়ম প্ৰস্তুত কৰি দিছে। সেই অনুসৰি প্ৰতিখন পূজা সমিতিয়ে আগতীয়াকৈ প্ৰশাসনৰ পৰা অনুমতি লব লাগিব। "সেৱা সেতু" প'ৰ্টেলযোগে অনলাইন আবেদনো কৰিব পাৰিব। তিনিচুকীয়া সদৰৰ বাহিৰৰ সমিতিসমূহে নিজ নিজ অঞ্চলৰ সম-জিলা আয়ুক্তৰ কাৰ্যালয়ত আবেদন কৰিলেও হ'ব। পূজা সমিতিয়ে কোনটো ঘাটত প্ৰতিমা বিসৰ্জন দিব সেইটোও আগতীয়াকৈ জনাব লাগিব আৰু সেই মতেই বিসৰ্জন কৰিব লাগিব। পূজা মণ্ডপত অগ্নি প্ৰতিৰোধৰ বাবে উপযুক্ত ব্যৱস্থা থাকিব লাগিব আৰু বিদ্যুৎ বিভাগৰ পৰা আপত্তি বিহীন প্ৰমাণ পত্ৰ ল'ব লাগিব। তদুপৰি প্ৰতিটো পূজা মণ্ডপত চিচিটিভি কেমেৰা, জেনেৰেটৰ, প্ৰাথমিক চিকিৎসা সামগ্ৰী আৰু আগমন আৰু প্ৰস্থানৰ বাবে সুকীয়া ব্যৱস্থা কৰাটো অপৰিহাৰ্য। পথৰ ওপৰত কোনো পূজাৰ অনুমতি দিয়া নহ'ব বুলি তেওঁ স্পষ্ট কৰি দিয়ে। পৰ্যাপ্ত স্বেচ্ছাসেৱক সকলো সময়তে পূজা মণ্ডপত থাকিব লাগিব আৰু তেওঁলোকে মণ্ডপৰ আশে-পাশে যান-বাহন নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আৰক্ষীক সহায় কৰিব লাগিব। বিসৰ্জনৰ দিনা বা অন্য সময়ত অতি উচ্চ স্বৰত মাইক বজোৱা আৰু প্ৰতিমাত ক্ষতিকৰ ৰাসায়নিক সামগ্ৰী ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকিবলৈকো তেওঁ আহ্বান জনায়। সভাত অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণ্ময় দাস, জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা আৰু সহকাৰী আয়ুক্ত মাধুৰিমা দিহিঙ্গীয়াও উপস্থিত থাকে।

### চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ তিনিচুকীয়া শাখা-সঙ্গীতপ্ৰেমী মঞ্চ, তিনিচুকীয়াৰ যৌথ উদ্যোগত শতবৰ্ষ উপলক্ষে বৰ্ষজোৰা কাৰ্যসূচী শুভাৰম্ভ

# তিনিচুকীয়াৰ বিভিন্ন প্ৰান্তত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মজয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, তিনিচুকীয়া, ১১ ছেপ্টেম্বৰ ঃ** আজি ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মজয়ন্তী। অসমৰ বিভিন্ন প্ৰান্তৰ লগতে তিনিচুকীয়াতো আয়োজন কৰা পৰিলক্ষিত হয় সুধাকণ্ঠৰ জন্মজয়ন্তী। সঙ্গীতপ্ৰেমী মঞ্চ (সপ্ৰেম), তিনিচুকীয়া আৰু চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ তিনিচুকীয়া শাখাৰ যৌথ উদ্যোগত আজি বৰদলৈ নগৰস্থিত চৰকাৰী পেঞ্চনাৰ সন্থাৰ সভাগৃহত ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ উপলক্ষে "গীতে-মাতে এটি সপ্ৰেম আবেলি" শীৰ্ষক অনুষ্ঠানেৰে বৰ্ষজোৰা কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে। চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ তিনিচুকীয়া শাখাৰ সভাপতি প্ৰদীপ দাস আৰু সঙ্গীতপ্ৰেমী মঞ্চ (সপ্ৰেম), তিনিচুকীয়াৰ সভাপতি অতুল শৰ্মাই ড° ভূপেন হাজৰিকাদেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছতে চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ তিনিচুকীয়া শাখাৰ সম্পাদক জ্যোতিপ্ৰসাদ ফুকন আৰু সঙ্গীতপ্ৰেমী মঞ্চ (সপ্ৰেম), তিনিচুকীয়াৰ সম্পাদক লুইত দাসে মাল্যাৰ্পণ কৰে। "গীতে-মাতে এটি সপ্ৰেম আবেলি" অনুষ্ঠানত সংগীত শিল্পী লুইত গগৈ, কামিনী কুমাৰ গোহাঁই, ইন্দ্ৰাণী বৰপূজাৰীৰ লগতে বহু কেইগৰাকীয়ে ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰে। স্থানীয় বিদ্যালয়সমূহৰ বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নৃত্য পৰিৱেশন কৰাৰ লগতে কেইবাগৰাকীও ব্যক্তিয়ে কবিতা পাঠ কৰে। অনুষ্ঠানত মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰমেন হাজৰিকাই উপস্থিত থাকি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীত-কথা, কৃষ্টি-সংস্কৃতি, জীৱন সংগ্ৰামৰ ওপৰত বহুমূলীয়া বক্তব্য আগবঢ়ায়। চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ তিনিচুকীয়া শাখাৰ সম্পাদক জ্যোতিপ্ৰসাদ ফুকন আঁত ধৰা অনুষ্ঠানত কলিকতাৰ সাংস্কৃতিককৰ্মী তপন ভট্টাচাৰ্জী, ডিগবৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° জীৱন চাংমাই, তিনিচুকীয়া সদৰ শাখা কবি সন্মিলনৰ সভাপতি সান্ত্বনা হাজৰিকাসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইপিনে বৰগুৰি শাখা সাহিত্য সভাৰ উদ্যোগত অসমৰ গৌৰৱ ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ওপজা দিনৰ শতবৰ্ষ শুভাৰম্ভ কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰি ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে শাখাৰ সভাপতি শৰৎ দাস, সম্পাদক মামণি গোহাঁই দুৱৰা, উপদেষ্টা কমিনী কুমাৰ গোহাঁই, জিলাৰ পত্ৰিকা সম্পাদক বন্দীতা গোহাঁই নেওগ, উপদেষ্টা মঞ্জীত গোহাঁই, চন্দ্ৰমা দিহিঙীয়া, মামণি বৰুৱা, জীৱন দত্ত, পূৰ্ণকান্ত দাসসহ সাহিত্য অনুৰাগী সদস্যসকলে। অনুষ্ঠানত গীত-মাত পৰিৱেশন কৰি সামৰণি মাৰে। আনহাতে সদৌ তিনিচুকীয়া জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ উদ্যোগত দহোটীয়াচুক ককৰাতলি শান্তি সংঘৰ সহযোগত তিনিচুকীয়াৰ দহোটীয়াচুকস্থিত ককৰাতলি শান্তি সংঘৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে ড০ ভূপেন হাজৰিকাৰ জন্মজয়ন্তী উদযাপন কৰে। সন্ধিয়া এশ এগছি চাকিৰে ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। প্ৰজ্বলক হিচাবে উপস্থিত থাকে দহোটীয়াচুক বৰনামঘৰৰ গাঁওবুঢ়া অনিত দাস। বন্তি প্ৰজ্বলন কাৰ্যসূচীত বৰগুৰি শাখা সাহিত্য সভাৰ সভাপতি শৰৎ দাস, শদিয়াৰ হৰিপুৰ গাঁৱৰ গাঁওপ্ৰধান তুলন দাস, তিনিচুকীয়াৰ বিশিষ্ট ব্যৱসায়ী সুনীল আগৰৱাল, তিনিচুকীয়া জিলা কৃষি বিভাগৰ মিডিয়া বিশেষজ্ঞ প্ৰেমানন্দ দাস, সাংবাদিক কৃষ্ণ নেওগ, যুৱ লেখক পাপুল গগৈ, সমাজসেৱক ক্ৰান্তি দাস, সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সদস্য বিমল দাস, সদৌ তিনিচুকীয়া জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ উপ-সভাপতি ক্ৰমে প্ৰণৱ দাস, উমেশ প্ৰসাদ, দ্বীপজ্যোতি দাস, সহকাৰী সম্পাদক জিতু দাস, ডিগবৈ আঞ্চলিক সমিতি সভাপতি প্ৰশান্ত দাস, সম্পাদক হৰেন দাসসহ বহুকেইগৰাকী বিষয়-ববীয়া আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সাংস্কৃতিক সন্ধিয়াৰ শুভ উদ্বোধন কৰে বিশিষ্ট কবি, শিক্ষাবিদ ড০ বাৰিন্দ্ৰ দাস, শিৱসাগৰৰ বিশিষ্ট সমাজসেৱক বাবলি দাস, তিনিচুকীয়াৰ সমাজসেৱক ৰিতুপৰ্ণ দাসে। সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰে ডিগবৈ তিনিগৰাকী কণ্ঠশিল্পী ক্ৰমে ৰাজ নয়ন, মানসপ্ৰতীম দত্ত, দেৱৰাজ বৰ্মনে। সদৌ তিনিচুকীয়া জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সভাপতি ৰমেন দাস, সম্পাদক অশোক দাস, উদ্যাপন সমিতিৰ সভাপতি অৰূপজ্যোতি দাসে অনুষ্ঠানটি আয়োজনৰ্থে সহযোগিতা আগবঢ়োৱা শান্তি সংঘৰ সভাপতি-সম্পাদক আৰু বিষয়-ববীয়া, উপস্থিত থকা সমূহ ৰাইজক সহযোগিতা আগবঞ্জঞ্জৱাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে আগন্তুক কাৰ্যসূচীসমূহত সকলোৰে দিহা-পৰামৰ্শ আৰু সহযোগিতা কামনা কৰিছে।

# ডিব্ৰুগড়ত 'ডিবৰুৰ চিনাকি চোতাল' আৰু 'মুকলি পুথিভঁৰাল'ৰ শুভাৰম্ভ

## বিজ্ঞানী ড° পৰমানন্দ মহন্ত

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১১ ছেপ্টেম্বৰ,** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ৮ চেপ্তেম্বৰত ডিব্ৰুগড় খনিকৰ চাৰিআলিত মুকলি কৰা হয় 'ডিবৰুৰ চিনাকি চোতাল' নামৰ গীত, নৃত্য, আবৃত্তি, অভিনয়, আলোচনা আদি কৰিব পৰা এটি মুক্ত চৌহদ আৰু মুকলি পুথিভঁৰাল। প্ৰায় অৰ্ধ শতাধিক লোকে অংশগ্ৰহণ কৰিবপৰাকৈ মুক্ত চৌহদটি সাহিত্যিক ড° নগেন শইকীয়াৰ আশীৰ্বাদ বাণীৰে শুভাৰম্ভ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, পদাৰ্থ বিজ্ঞানী ড° পৰমানন্দ মহন্তই। নিজৰ বক্তব্যত তেওঁ এনে অভিনৱ প্ৰচেষ্টাৰ বাবে উদ্যোগতাৰ শলাগ লয়। বিবিধ বিষয়ত, চৰ্চা, অনুশীলন আৰু আলোচনা কৰিবপৰা পৰিৱেশে মানুহক মুকলিকৈ ভাৱ প্ৰকাশ আৰু চৰ্চাৰ সুযোগ দিব বুলি আশা প্ৰকাশ কৰে। মুকলি আড্ডা, অনুশীলন আদি কৰিব পৰা বহু মহৎ চিন্তাৰ উন্মেষ ঘটে বুলিও তেওঁ মত ব্যক্ত কৰে। এনে পৰিৱেশ ডিব্ৰুগড়ত প্ৰথম হ'ব যদিও ৰাজ্যৰ বাহিৰত আৰু বিদেশত এনে আয়োজনৰ অভিজ্ঞতা আছে বুলি ড° মহন্তই জানিবলৈ দিয়ে লগতে তেওঁ কয় যে এই পুথিভঁৰালটোৰে সকলো মানুহে কাৰোপৰা অনুমতি নোলোৱাকৈ গ্ৰন্থ অধ্যয়ন কৰিব পাৰিব বুলি কোৱাৰ লগতে আনুষ্ঠানিক ভাৱে মুকলি কৰাৰ কথা ঘোষণা কৰে। পাঠকৰ প্ৰতি আস্থা ৰাখিলে পাঠক তথা সৰ্বসাধাৰণৰ মাজত গ্ৰন্থ অধ্যয়নৰ ইচ্ছা বৃদ্ধি পাব বুলিও তেওঁ আশা প্ৰকাশ কৰে। ড° পৰমানন্দ মহন্তই মুকলি পুথিভঁৰাললৈ গ্ৰন্থৰ টোপোলাও উপহাৰ হিচাপে আগবঢ়ায়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিশিষ্ট মেণ্ডলিনবাদক শিল্পী পদুম বৰগোহাঁয়ে প্ৰায় আঢ়ৈ ঘণ্টা জুৰি ড° ভূপেন হাজৰিকাৰ সুৰ-সংগীত মেণ্ডলিনত পৰিৱেশন কৰে। তেওঁক সহযোগ কৰে গীটাৰবাদক দেৱজিত গগৈয়ে। অনুষ্ঠানটিত যুৱ প্ৰতিভা নভিষ্ঠা তিতাৰী, মৌচেং গগৈয়ে ভূপেন হাজৰিকাৰ গীত আৰু ধৰিত্ৰী লাহন, পৰাগ বৰঠাকুৰে কবিতা পাঠ কৰে। অনুষ্ঠানত দৰ্শক অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট কবি চেনিৰাম গগৈ, নিৰোদ গোহাঁই, ৰঞ্জিত বৰুৱা, বৰষা গগৈ, আকাশবাণীৰ অৱসৰী ভূপেন গগৈ, পৰশা কোঁৱৰ, জিণ্টু চেতিয়া, লেখক ভূষণ জ্যোতি সন্দিকৈ, সুমন দত্ত, যাদৱ গগৈ, প্ৰাঞ্জল পাত্ৰ, এম হাছিম আলী, জিতা হাজৰিকা, চিটি মহাবিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱানন্দ বৰগোহাঁই, পৰিৱেশ কৰ্মী টিকেন্দ্ৰজিৎ গগৈ, নকুল খাউণ্ড, সৌমেন্দ্ৰ শইকীয়া, চিত্ৰশিল্পী দেৱকৃষ্ণ বৰুৱা, সামাজিক কৰ্মী পান্না ভৰালী, অৰ্পনা বড়া আদিকে ধৰি তিনি শতাধিক লোকে। কাৰ্যসূচীত পেইম থি গোহাঁয়ে নিজৰ সংৰক্ষণত থকা ভূপেন হাজৰিকাৰ বিষয়ে প্ৰকাশ পোৱা প্ৰায় ৪০খন কাকতৰ সংখ্যা ৰাজহুৱা প্ৰদৰ্শন কৰে। 'ডিবৰুৰ চিনাকি চোতাল'ত নিয়মিতভাৱে বিভিন্ন অনুষ্ঠান চলি থাকিব বুলি মূল উদ্যোক্তা, বিশিষ্ট লেখক, চিন্তাবিদ পেইম থি গোহাঁই আৰু ড০ গীতিমল্লিকা গগৈয়ে জানিবলৈ দিছে।

## আমগুৰিত সোণৰ গহনাসহ নগদ ধন

**অসম বাৰ্তা, আমগুৰি, ১১ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আৰক্ষী থানাৰ অন্তৰ্গত জ্যোতি নগৰত এটা পৰিয়ালৰপৰা প্ৰৱঞ্চকে যোৱা ৭ ছেপ্তেম্বৰত সোণৰ গহনাসহ নগদ ধন লুট কৰাৰ ঘটনা পোহৰলৈ অহাত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, আমগুৰি পৌৰসভাৰ ৫ নং বাৰ্ডৰ নিবাসী অজিত চাহুৰ গৃহত দুজন প্ৰৱঞ্চকে দুটা আঙঠি আৰু নগদ ৯,৫০০ টকা লুট কৰি নিয়ে। মৰমী চাহু ঘৰত অকলশৰে থকা অৱস্থাত মটৰ চাইকেলত অহা দুজন প্ৰবঞ্চকে লেতেৰা বস্তু পৰিষ্কাৰ কৰা পাউদাৰ মহিলাগৰাকীৰ হাতত দিয়াৰ পাছতে মহিলাগৰাকী অচেতন হৈ পৰে। ফলত এজন প্ৰবঞ্চকে ঘৰৰ ভিতৰত প্ৰবেশ কৰি আলমিৰা খুলি দুটা প্ৰায় ৭০ হেজাৰ টকা মূল্যৰ আঙঠি আৰু নগদ ধন লৈ উধাও হয়। পাছত মহিলাগৰাকীৰ চেতনা ঘূৰি অহাত প্ৰৱঞ্চকে লুটপাট কৰাৰ তথ্য পোহৰলৈ আহে। আজি ভুক্তভোগী পৰিয়ালটোৱে আমগুৰি আৰক্ষী থানাক ঘটনা সন্দৰ্ভত অৱগত কৰিছে।

### চূড়ান্ত খেলত জয়ী ঢোলমাৰা আঞ্চলিক আক্ৰাছু

# ষোড়শ সংখ্যক শ্বহীদ জীতেন ৰায় সোঁৱৰণী ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, বাসুগাঁও, ১১ ছেপ্টেম্বৰ ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ কোকৰাঝাৰ জিলা সমিতিৰ সম্পাদক প্ৰয়াত জীতেন ৰায়ৰ নামত প্ৰতিবছৰে বিভিন্ন ঠাইত ফুটবল খেল প্ৰতিযোগিতা চলি আহিছে। এইবাৰ ষোড়শ সংখ্যক ফুটবল প্ৰতিযোগিতা খনি জিলা খনৰ কালীপুখুৰী আঞ্চলিক আক্ৰাছুৰ লগতে শিমলাগুৰি ৰাইজৰ সহযোগত প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হয়। শিমলাগুৰি গাঁৱৰ খেলপথাৰত অনুষ্ঠিত আজিৰ চূড়ান্ত খেলত বিজয়ী হয় ঢোলমাৰা আঞ্চলিক আক্ৰাছু দলে। দলটোৱে খেলৰ প্ৰথমাৰ্ধত ১ গল দিয়ে কালীপুখুৰী আঞ্চলিক আক্ৰাছু দলক। বিজয়ী দলক ট্ৰফী সহ ত্ৰিশ হাজাৰ এটকা প্ৰদান কৰে বি টি চিৰ ছালাকাটি সমষ্টিৰ পৰিষদীয় সদস দেৰহাছাং বসুমতাৰী আৰু কে এ চিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে, বিজিত দলক বিশ হাজাৰ এটকা প্ৰদান কৰে কে এ চিৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায় আৰু মহিলা সমিতিৰ সম্পাদিকা মধুস্মিতা ৰায়, শ্ৰেষ্ঠ খেলুৱৈক তিনিহাজাৰ এটকা প্ৰদান কৰে শ্বহীদ মাতৃ। উল্লেখযোগ্য যে যোৱা ১ চেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা প্ৰতিযোগিতাত মুঠ যোল্লটা দলে যোগদান কৰে। আজিৰ চূড়ান্ত খেলত আক্ৰাছুৰ সভাপতি মনোজ ৰায়, সম্পাদক বলোৰাম বৰ্মন, মহিলা সমিতিৰ সভানেত্ৰী মালতী ৰায়, নাথযোগী ছাত্ৰ সন্থাৰ সভাপতি অৰবিন্দ নাথ, শ্বহীদ জীতেন ৰায়ৰ মাতৃ, কোচ ৰাজবংশী কালচাৰেল চছাইটিৰ উপ-সভাপতি দূৰ্বাছা মোহন ৰায়, সম্পাদক দ্বীপুঞ্জয় ৰায় ইত্যাদি। খেল পৰিচালনা সমিতিৰ সভাপতি মাধৱ চন্দ্ৰ ৰায়ে প্ৰতিযোগিতা সমূহ সুস্থভাৱে সমাপ্তি হোৱাত গভীৰ সন্তুষ্টি প্ৰকাশ কৰি সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# মাজুলীত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ড° ভূপেন হাজৰিকা জন্ম শতবাৰ্ষিকী শুভাৰম্ভ

**অসম বাৰ্তা, বনগাঁও, ১১ ছেপ্টেম্বৰ ঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ মাজুলীৰ উদ্যোগত ৭ চেপ্তেম্বৰ দেওবাৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভ হয়। মাজুলী ৰঙাচাহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সেই উদ্দেশ্য আয়োজিত বিশ্ববৰেণ্য শিল্পী গৰাকীৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভ অনুষ্ঠানত শতাধিক আবৃত্তিকাৰে ড° অমৰ জ্যোতি চৌধুৰীৰ "মৃত্যু জিনাৰ গান" আবৃত্তি কৰে। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ মাজুলী জিলা সমিতিৰ সম্পাদক যতীন্দ্ৰনাথ মুদৈয়ে পৰিচালনা কৰা অনুষ্ঠানত —জিলা সমিতিৰ উপদেষ্টা ড° অৰূপ কুমাৰ বৰাই পুৱাৰ পতাকা উত্তোলন, ৰাজ্যিক সম্পাদক ড° মণ্টু কুমাৰ বৰাই ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু স্মৃতি তৰ্পণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱকুমাৰ গামে বন্তি প্ৰজ্বলন কৰে। কবিতা আবৃত্তিৰ প্ৰশিক্ষক পাৰুল বৰা মিলি, মৃনালিনী দেৱী আৰু জ্যোৎস্নো ভূএঁাৰ নেতৃত্বত মাজুলীৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ—ছাত্ৰীয়ে যুগজয়ী ড° অমৰ জ্যোতি চৌধুৰীৰ "মৃত্যু জিনাৰ গান" আবৃত্তি কৰে। আবৃত্তি অনুষ্ঠান কাৰ্যসূচীৰ অন্ততঃ জিলা সমিতিৰ সভাপতি দিগন্ত শইকীয়াৰ সভাপতিত্ব এখনি মুকলি সভা অনুষ্ঠিত হয়। যতীন্দ্ৰনাথ মুদৈয়ে আতঁ ধৰা সভাত ড° মণ্টু কুমাৰ বৰাই মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰি দিয়া ভাষণত কয় যে— আবৃত্তি এক মহান ক'লা। বিদ্যালয় —মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত এনে আবৃত্তিৰ ক'লাক অন্তৰ্ভুক্তিৰ প্ৰয়োজনীয়তা আছে বুলি কয়। যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক বিদিশা বুঢ়াগোহাঁঞিয়ে সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে। দিনযোৱাকৈ অনুষ্ঠিত সভাত অন্যান্য সকলৰ উপৰিও মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱা, মাজুলী, কবি সন্মিলনৰ জিলা সমিতিৰ সভাপতি যুগল হাজৰিকা, লেখিকা সমাৰোহৰ জিলা সমিতিৰ সভানেত্ৰী মনিকা মহন্ত, সাংবাদিক যদু কলিতাই অংশ লৈ বক্তব্য প্ৰদান কৰে। সম্পাদক যতীন্দ্ৰনাথ মুদৈয়ে শলাগৰ শৰাই আগবঢ়ায়।

### অৱসৰপ্ৰাপ্ত চাৰিগৰাকী শিক্ষকক সম্বৰ্ধনা

# টিংৰাই নৱোদয় বিদ্যালয়ত 'শিক্ষক দিৱস' উদ্‌যাপন




**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১১ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে যোৱা ৫ ছেপ্টেম্বৰ তাৰিখে 'শিক্ষক দিৱস' টিংৰাই নৱোদয় মধ্য ইংৰাজী বিদ্যালয় আতিথ্যত আৰু টিংৰাই যুৱ সংঘৰ সহযোগত বিদ্যালয় প্ৰাঙ্গণত উদযাপন কৰা হয়। এই উপলক্ষে পুৱা বিদ্যালয়ৰ প্ৰাঙ্গণত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত বিদ্যালয় তৰফৰ পৰা বন্তি প্ৰজ্বলন আৰু মাল্যপৰ্ণ কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে কেক কাটি শিক্ষক-শিক্ষয়িত্ৰীসকলক শিক্ষক দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। ইয়াৰ পাছতে সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে, ১৯৮৬ চনতে অঞ্চলটোৰ অগ্ৰজ ব্যক্তিসকলে প্ৰতিষ্ঠা কৰা বিদ্যালয়খন ২০১৩ বৰ্ষত চৰকাৰীকৰণ হৈছিল। সেয়ে প্ৰতিষ্ঠা কালৰে ২০/২৫ বছৰ ধৰি বিনা বেতনেৰে শিক্ষকতা কৰি অৱশেষত দুটা চাৰিটা বছৰহে চৰকাৰী দৰমহা লৈ অৱসৰ গ্ৰহণ কৰা বিদ্যালয়খনৰ চাৰিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক বিদ্যালয় তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। শিক্ষক কল্যাণ কুমাৰ দিহিঙ্গীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শিক্ষক দিৱসৰ তাৎপৰ্য ওপৰত সাৰুৱা বক্তব্য প্ৰদান কৰে ডিগবৈ মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক ড° অৰুণ চন্দ্ৰ শৰ্মাই। টিংৰাই যুৱ সংঘৰ সম্পাদক টংকেশ্বৰ শইকীয়াই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী কৃষ্ণা হাজৰিকাই আদৰণি বক্তব্য প্ৰদান কৰি সকলোকে শিক্ষক দিৱসৰ শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পাছতে সভাত বিশিষ্ট সাহিত্যিক, বিদ্যালয়খনৰ মুল প্ৰতিষ্ঠাপক যুদ্ধবীৰ ৰাণাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰাৰ লগতে নেপালী ভাষাত সুধাকণ্ঠৰ এটি গীত পৰিৱেশন কৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত সাংবাদিক বুবু গগৈ, প্ৰাক্তন ছাত্ৰ ৰৌচন ছেত্ৰীয়ে শিক্ষকসকলৰ প্ৰতি সন্মান জনাই ছাত্ৰ-ছাত্ৰীসকলক ভাল মানুহ হ'বলৈ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সোণপ্ৰভা গগৈ কোঁৱৰ, চম্পা দেৱী, শিক্ষক দেৱৰাজ ভঁড়ালী, চৰকাৰীকৰণ হোৱা সময়ৰ প্ৰধান শিক্ষক প্ৰেমধৰ ফুকনক উপস্থিত অতিথিসকলে সম্বৰ্দ্ধনা পত্ৰ, গামোছা, উপহাৰ আদিৰে ৰাজহুৱা সম্বৰ্দ্ধনা জ্ঞাপন কৰে। এনেদৰে সম্বৰ্দ্ধনা প্ৰদান কৰাত অতি আৱেগিক হৈ শিক্ষয়িত্ৰী সোণপ্ৰভা গগৈ কোঁৱৰে কয় যে শিক্ষকতা কৰা সময়ত একো নাপালোঁ, কিন্তু আজি এনেদৰে সম্বৰ্দ্ধনা জনোৱাত নথৈ আনন্দিত হৈছোঁ আৰু জীয়াই থকা দিনকেইটাত এনে সন্মানৰ বাবে সদায় সুখী হৈ'ম। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত পৰিৱেশন কৰাৰ লগতে শিক্ষয়িত্ৰী লখিমী তামোলীয়ে কবি দেৱকান্ত বৰুৱাৰ "মোৰ দেশ" কবিতাটো আবৃত্তি কৰে। উক্ত অনুষ্ঠানতে শিক্ষক কল্যাণ কুমাৰ দিহিঙ্গীয়া, প্ৰধান শিক্ষয়িত্ৰী কৃষ্ণা হাজৰিকা, শিক্ষয়িত্ৰী উদেষণা গগৈ, লখিমী তামোলীক শিক্ষক দিৱস উপলক্ষে টিংৰাই যুৱ সংঘৰ সভাপতি মৃদুপৱন বৰুৱা, সম্পাদক টংকেশ্বৰ শইকীয়াই ফুলাম গামোছা, শুভেচ্ছা পত্ৰ, কিতাপ আৰু কলমৰ উপহাৰে শুভেচ্ছা জ্ঞাপন কৰে। টিংৰাই যুৱ সংঘ আৰু নৱোদয় মধ্য ইংৰাজী বিদ্যালয় এনে পদক্ষেপক অঞ্চলবাসীয়ে শলাগ লৈছে।

### বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ বিৰুদ্ধে গুৰুত্বৰ অভিযোগ

# ১৮.৯৭ লাখ টকীয়া অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণক লৈ বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অৰাজকতা

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ১১ ছেপ্টেম্বৰ ঃ** লখিমপুৰ জিলাৰ বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এটা অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণক কেন্দ্ৰ কৰি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মুনিন শইকীয়াই ভাৰপ্ৰাপ্ত অধ্যক্ষ অনিল কুমাৰ গগৈক ব্যতিব্যস্ত কৰি তোলাৰ কথা বগীনদীত চৰ্চাৰ কাৰণ হৈ পৰিছে। অসম চৰকাৰৰ ফালৰ পৰা লাভ কৰা ১৮.৯৭ লাখ টকীয়া অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণক লৈ অৰাজকতাৰ সৃষ্টি হৈছে। এই অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণক কেন্দ্ৰ কৰি বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ অনিল কুমাৰ গগৈক একাংশই মানসিকভাৱে হাৰাশাস্তি কৰা হৈছে। এই সন্দৰ্ভত ভাৰপ্ৰাপ্ত অধ্যক্ষ গৰাকীৰ বিৰুদ্ধে লখিমপুৰ জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি আৰু লখিমপুৰ বিধানসভা সমষ্টিৰ বিধায়ক মানৱ ডেকাক অধ্যক্ষ গৰাকীৰ বিৰুদ্ধে মনেসজা অভিযোগ দাখিল কৰাত ভাৰপ্ৰাপ্ত অধ্যক্ষ অনিল কুমাৰ গগৈয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, শেহতীয়াকৈ অসম চৰকাৰৰ ফালৰ পৰা বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ আবণ্টন হোৱা অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণকাৰ্যত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মুনিন শইকীয়াৰ বাহিৰে যাতে অন্য কোনোৱে সেই কামলৈ চকু নিদিয়ে তাৰ বাবে তেওঁ চেষ্টা কৰিছে। ভাৰপ্ৰাপ্ত অধ্যক্ষ অনিল কুমাৰ গগৈয়ে বগীনদীৰে স্থানীয় ব্যৱসায়িক প্ৰতিষ্ঠান দিহিংগীয়া ষ্ট'ৰৰ পৰা ৰ'ড আৰু চিমেণ্টৰ এখন ক'টেচন বিচাৰে। এই কথা ভাৰপ্ৰাপ্ত অধ্যক্ষজনে পৰিচালনা সমিতিৰ সভাপতিজনক অৱগত কৰাত তেওঁ খৰ্গহস্ত হৈ পৰে। এই কথাতে পৰিচালনা সমিতিৰ সভাপতি গৰাকীয়ে অধ্যক্ষৰ বিৰুদ্ধে কিছুমান আচৰিত অভিযোগ উত্থাপিত কৰি আয়ুক্ত আৰু বিধায়কক অধ্যক্ষৰ বিৰুদ্ধে অভিযোগ দিয়া বুলি জানিব পাৰি ভাৰপ্ৰাপ্ত অধ্যক্ষ গৰাকী মানসিকভাৱে হাৰাশাস্তি ভোগ কৰিছে। বিদ্যালয় পৰিচালনাত ভাৰপ্ৰাপ্ত অধ্যক্ষ অনিল কুমাৰ গগৈক পৰিচালনা সমিতিৰ সভাপতি মুনিন শইকীয়াই বাৰে বাৰে বাধা প্ৰদান কৰি সুন্দৰকৈ বিদ্যালয়খন পৰিচালনা কৰাৰ ক্ষেত্ৰত তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে।

## ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত পৰীস্মিতা বৰুৱাৰ সাফল্য

**অসম বাৰ্তা, জাঁজী, ১১ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ তামোলীছিগা গায়ন গাঁৱৰ নিবাসী দীপালি বৰুৱাৰ কন্যা তথা তামোলীছিগা ঘনকান্ত বৰা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী পৰীস্মিতা বৰুৱাই যোৱা ৮ ছেপ্তেম্বৰত ড° ভূপেন হাজৰিকা জন্ম শতবাৰ্ষিকীৰ উপলক্ষে মৰিয়নি সমজিলাৰ ভিত্তিত আয়োজন কৰা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত তৃতীয় স্থান পাবলৈ সক্ষম হয়। উল্লেখ্য যে যোৰহাট থিয়েটাৰ হলত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত যোৰহাট জিলা প্ৰশাসনৰ সৌজন্যত অনুষ্ঠিত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকী উপলক্ষে আয়োজিত সাংস্কৃতিক অনুষ্ঠানত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয় আৰু "মোৰ গান গভীৰ আস্থাৰ গান" এই সুন্দৰ অনুষ্ঠানটিত যোৰহাট জিলাৰ বিভিন্নজন শিল্পীয়ে গীত-নৃত্য-কবিতাৰে ড° ভূপেন হাজৰিকা জন্ম শতবাৰ্ষিকীৰ দিনটো জীপাল কৰি তোলে। ছাত্ৰী গৰাকীৰ সফলতাত পৰিয়ালৰ লগতে স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

## লাহৰীঘাটৰ যুৱক নিৰুদ্দেশ

**অসম বাৰ্তা, লাহৰীঘাট, ১১ ছেপ্টেম্বৰ ঃ** মৰিগাঁৱৰ মিলনপুৰ পৰা শ্বাহনাৱাজ হুছেইন ওৰফে চাহিল (২৪) নামৰ এগৰাকী যুৱক নিৰুদ্দেশ। যোৱা ২৫ জুলাইৰ পুৱাভাগৰে পৰা নিৰুদ্দেশ হৈ থকা বুলি পৰিয়ালৰ লোকৰ পৰা জানিব পৰা গৈছে। বি এ এল এল বি দশম ছেমিষ্টাৰত অধ্যয়ন কৰি থকা শ্বাহবাৱাজ হুছেইন নামৰ যুৱকজনৰ বিত্তীয় লেন- দেন সম্পৰ্কে তেওঁৰ এজন বন্ধুৰ সৈতে মতানৈক্য ঘটিছিল নিৰুদ্দেশৰ পূৰ্বে। বিষয়টোৰ সন্দৰ্ভত যোৱা ৪ ছেপ্তেম্বৰত আৰক্ষীক অৱগত কৰি নিৰুদ্দিষ্ট যুৱকজনৰ সম্ভেদ উলিয়াৰ বাবে অনুৰোধ জনাইছে আত্মীয়ই। যদি কোনো সদাশয় ব্যক্তিয়ে যুৱকজনৰ কিবা সম্ভেদ পালে এই নম্বৰত যোগাযোগ কৰিব পাৰিব ৬০০২১৭৯৯০।

### বৰক্ষেত্ৰী জুনিয়ৰ কলেজত প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে মেগা স্বাস্থ্য শিবিৰৰ আয়োজন

# জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ শিবিৰ পৰিদৰ্শন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১০ ছেপ্তেম্বৰ ঃ** নলবাৰী জিলাৰ মুকালমুৱাস্থিত বৰক্ষেত্ৰী জুনিয়ৰ কলেজত মেগা স্বাস্থ্য শিবিৰৰ আয়োজনৰ ব্যাপক প্ৰস্তুতি চলিছে। এই উদ্দেশ্যে আজি নিশা শিবিৰটো পৰিদৰ্শন কৰে নলবাৰী জিলা আয়ুক্তৰ লগতে স্বাস্থ্য বিভাগৰ কৰ্মচাৰীসকলে। উল্লেখ্য যে উক্ত শিবিৰটোত অহা ১৮ চেপ্তেম্বৰত ০ৰ পৰা ১৮ বছৰলৈ অঞ্চলটোৰ শিশুসকলক বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰিব বুলি জানিব পৰা গৈছে। শিবিৰটোত স্বাস্থ্য পৰীক্ষাৰ সময়ত সকলো বিভাগৰ বিশেষজ্ঞ চিকিৎসক উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। স্বাস্থ্য পৰীক্ষাৰ কৰাৰ পাছত উন্নত চিকিৎসাৰ প্ৰয়োজন হোৱা ছাত্ৰ-ছাত্ৰীসকলক পঠোৱা হ'ব গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ। উন্নত চিকিৎসাৰ বাবে পঠোৱা ছাত্ৰ-ছাত্ৰীসকলকৰ সকলো চিকিৎসা অসম চৰকাৰৰ স্বাস্থ্য বিভাগে বিনামূলীয়াকৈ প্ৰদান কৰিব বুলি মন্তব্য কৰে জিলা আয়ুক্ত নিবেদন দাস। পাটোৱাৰীয়ে। স্বাস্থ্য শিবিৰটোত সকলো বিভাগৰ চিকিৎসক উপস্থিত থকাৰ লগতে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীক শিববৰটোতে প্ৰদান কৰিব প্ৰমাণ পত্ৰ। যিসকল ছাত্ৰ-ছাত্ৰীক উন্নত চিকিৎসাৰ প্ৰয়োজন হয় সেইসকল ছাত্ৰ ছাত্ৰীক অসমত উন্নত চিকিৎসা নাপালে বাহিৰলৈ নিয়াৰ ব্যৱস্থা কৰিব বুলি জানিব দিয়ে জিলা আয়ুক্তগৰাকীয়ে। শিবিৰটো পৰিদৰ্শন কৰাৰ সময়ত জিলা আয়ুক্ত গৰাকীৰ সৈতে জিলা উন্নয়ন আয়ুক্ত প্ৰমুখ্যে প্ৰশাসনিক বিষয়াসকল, স্বাস্থ্য বিভাগসহ জিলাখনৰ সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

### 'ডিজিটেল দিশা' শীৰ্ষক কৰ্মশালা

# আদিবাসী ছাত্ৰ-ছাত্ৰীক শৈক্ষিক, AI প্লেটফৰ্ম সম্পৰ্কত সজাগতা

**অসম বাৰ্তা, লীলাবাৰী, ১১ ছেপ্টেম্বৰ ঃ** উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ মহলালৈ অধ্যয়নৰত আদিবাসী ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক ক্ষেত্ৰৰ লগতে ডিজিটেল প্লেটফৰ্ম সম্পৰ্কত সজাগ কৰাৰ প্ৰচেষ্টাৰে নৱগঠিত স্বেচ্ছাসেৱী সংস্থা 'ডাইৰে'ন ফৰ আদিবাচিছঃ হাব অৱ অকাডেমীক ৰেৱলোশ্বন' চমুকৈ 'DAHAR' আৰু সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ উজ্জ্বলপুৰ-কয়লামাৰী আঞ্চলিক সমিতিয়ে 'ডিজিটেল দিশা' শীৰ্ষক এক যুগান্তৰ কৰ্মশালাৰ আৰম্ভণি কৰিছে। কৰ্মশালাটিৰ উদ্দেশ্য হৈছে- জিলাখনৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত অধ্যয়নৰত আদিবাসী ছাত্ৰ-ছাত্ৰীয়ে সামাজিক মাধ্যম, AI প্লেটফৰ্মবিলাকৰ দায়িত্বশীল ব্যৱহাৰ শিকোৱা আৰু তেওঁলোকক শৈক্ষিক ক্ষেত্ৰৰ লগতে ব্যক্তিত্ব বিকাশ আৰু কেৰিয়াৰ নিৰ্মাণত সহায় কৰা। আজি আবেলি একুৰি আদিবাসী ছাত্ৰ-ছাত্ৰীৰ সৈতে গুগুল মীটৰ জৰিয়তে 'ডাহাৰ' আৰু 'আছা'ৰ বিষয়ববীয়াসকলে কৰ্মশালাটিৰ আৰম্ভণি কৰে। 'ডাহাৰ'ৰ মুখ্য সচিব তথা বস্কো ইষ্টিটিউটৰ গৱেষক ছাত্ৰ সন্তোষ টপ্নই আঁত ধৰা কৰ্মশালাটিত 'ডাহাৰ'ৰ সভাপতি তথা বস্কো ইষ্টিটিউটৰ গৱেষক ছাত্ৰ চামেল বাৰ্লাই পৰিচালনা কৰে। কৰ্মশালাখনিত লেখক তথা সাংবাদিক মিণ্টু মিঞ্জুৰ আৰু 'আছা'ৰ আঞ্চলিক সম্পাদক চিলাছ টপ্নই সমলব্যক্তি ৰূপে অংশগ্ৰহণ কৰে। কৰ্মশালাটিত অনাগত সময়ত সামাজিক মাধ্যমৰ প্ৰয়োজনীয়তা আৰু বিভিন্ন AI প্লেটফৰ্ম, যেনে-হোৱাটছএপ, ফেচবুক, ইনষ্টাগ্ৰাম, মেইল, লিংকইন, এ', চাৰ্ট জিপিটি, জেমিনী, কেনভা আদিৰ ব্যৱহাৰ সন্দৰ্ভত শিকোৱাৰ উপৰিও কেৰিয়াৰ নিৰ্মাণৰ বাবে ছাত্ৰ-ছাত্ৰীৰ শাখা, বিভাগ, বিষয় অনুযায়ী ব্যক্তিত্ব বিকাশ তথা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা সন্দৰ্ভত আলোচিত হয়।

# ১৩ ছেপ্টেম্বৰত তৃতীয় ৰাষ্ট্ৰীয় লোক আদালত আয়োজন

**অসম বাৰ্তা, বৰপেটা সদৰ, ১১ ছেপ্টেম্বৰ ঃ** জিলা আইন সেৱা প্ৰাধিকৰণ (DLSA), বৰপেটাৰ তৰফৰ পৰা অহা ১৩ ছেপ্টেম্বৰ, ২০২৫ তাৰিখে জিলা আৰু অধিৱেশন ন্যায়াধীশৰ আদালত চৌহদ, MACT, আৰু পৰিয়াল আদালতত, পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। বিএছএনএল আৰু এপিডিচিএলৰ সৈতে ঋণ, বিদ্যুৎ বিল, টেলিফোন সেৱা বিলৰ সৈতে জড়িত সকলো আপত্তিও বেংকসমূহে সমাধান কৰি সমাধান কৰিছে। আইনী সেৱা কৰ্তৃপক্ষ আইনৰ অধীনত ৰাষ্ট্ৰীয় লোক আদালত হৈছে বিচাৰধীন বিবাদৰ ক্ষিপ্ৰ আৰু সৌহাৰ্দ্যপূৰ্ণ সমাধান নিশ্চিত কৰাৰ লক্ষ্যৰে এক উল্লেখযোগ্য পদক্ষেপ। এই লোক আদালসমূহে বিকল্প বিবাদ নিষ্পত্তিৰ ব্যৱস্থা প্ৰদান কৰে য'ত দেৱানী, পাৰিবাৰিক, আৰু মটৰ দুৰ্ঘটনাৰ দাবীকে ধৰি গোচৰসমূহ পক্ষসমূহৰ মাজত পাৰস্পৰিক সন্মতিৰ জৰিয়তে নিষ্পত্তি কৰা হয়। বৰপেটা ডি এল এছ এয়ে এই অনুষ্ঠানৰ বাবে সক্ৰিয়ভাৱে প্ৰস্তুতি চলাইছে, য'ত সমাজৰ এক বহল ক্ৰছ-ছেকচন, আইনী পেছাদাৰী, চৰকাৰী প্ৰতিনিধিৰ অংশগ্ৰহণৰ সাক্ষী হ'ব বুলি আশা কৰা হৈছে। ৰাষ্ট্ৰীয় লোক আদালতে ঐতিহাসিক-ভাৱে আদালতৰ ওপৰত বোজা হ্ৰাস কৰা আৰু ন্যায়ৰ সুবিধাৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে, বিশেষকৈ পৰম্পৰাগত মামলাত আৰ্থিক বা পদ্ধতিগত বাধাৰ সন্মুখীন হ'ব পৰা নাগৰিকসকলৰ বাবে। বৰপেটাৰ বাসিন্দাসকলক অংশগ্ৰহণ কৰিবলৈ আৰু এই সুযোগৰ সুবিধা লৈ বিবাদসমূহ দক্ষতাৰে সমাধান কৰিবলৈ উৎসাহিত কৰা হৈছে। এই অনুষ্ঠানত ন্যায়িক ব্যৱস্থাৰ বিষয়ে নাগৰিকৰ বুজাবুজি আৰু অধিক বৃদ্ধিৰ বাবে আইনী অধিকাৰ আৰু পদ্ধতিৰ বিষয়ে জনসজাগতা অভিযানো অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় লোক আদালত অংশগ্ৰহণকাৰীসকলৰ বাবে বিনামূলীয়া আৰু দীৰ্ঘদিনীয়া আদালতৰ পদ্ধতিৰ প্ৰয়োজন নোহোৱাকৈ সৌহাৰ্দ্যপূৰ্ণ নিষ্পত্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই তৃতীয় ৰাষ্ট্ৰীয় লোক আদালে জিলাখনৰ জনসাধাৰণক সুলভ ন্যায় প্ৰদানৰ পৰম্পৰা অব্যাহত ৰখাৰ লগতে নাগৰিকসকলৰ মাজত আইনী সজাগতা গঢ়ি তোলাৰ আশা কৰা হৈছে।

## সম্পাদকীয়

# গণতন্ত্ৰৰ জয়, কিন্তু শিক্ষা লোৱাৰো সময়

অৱশেষত ৰক্তাক্ত হিংসা, প্ৰতিবাদ আৰু ক্ষোভৰ মুখত নতি স্বীকাৰ কৰিলে নেপাল চৰকাৰে। দেশখনত বলবৎ কৰি অহা ছ'চিয়েল মিডিয়াৰ নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰাৰ ঘোষণা কৰিলে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী পৃথ্বী চুব্বা গুৰুঙে। এই সিদ্ধান্ত এটা গণতান্ত্ৰিক সমাজৰ বাবে এক জয়সূচক যদিও ইয়াৰ পিছত লুকাই থকা বেদনাদায়ক অধ্যায়টোৱে আমাক বহুতো প্ৰশ্নৰ সন্মুখীন কৰিছে আৰু ভাৰতবৰ্ষৰ দৰে গণতন্ত্ৰৰ বাবে ই এক গুৰুত্বপূৰ্ণ শিক্ষাও বহন কৰি আনিছে। নেপালত ছ'চিয়েল মিডিয়া নিষিদ্ধ কৰাটো আছিল এক ভুল আৰু হতাশাজনক সিদ্ধান্ত। যি মাধ্যম বৰ্তমানৰ যুগত যোগাযোগ, শিক্ষা, তথ্য আদান-প্ৰদান আৰু মত প্ৰকাশৰ প্ৰাণস্বৰূপ, তাক বন্ধ কৰাটোৱে নাগৰিকৰ মৌলিক অধিকাৰৰ ওপৰত এক প্ৰকাৰৰ আঘাতহে আছিল। ফলত হিংসাত্মক ৰূপ লৈছে শান্তিপূৰ্ণ প্ৰতিবাদ। ৰাজপথলৈ ওলাই অহা হাজাৰ হাজাৰ লোক, বিশেষকৈ যুৱ সমাজৰ এই আন্দোলনৰ মুখামুখি হ'বলগীয়া হৈছে সেনাবাহিনী। ফলাফল হ'ল ২৪জন নিষ্পাপ প্ৰাণৰ বলিদান আৰু শতাধিক লোকৰ আঘাতপ্ৰাপ্তি। চৰকাৰে শেষত নিষেধাজ্ঞা উঠাই ল'লেও, মন্ত্ৰীৰ 'কোনো অনুতাপ নাই'ৰ দৰে মন্তব্যে এটা চৰকাৰৰ নাগৰিকৰ অনুভূতিৰ প্ৰতি অসংবেদনশীলতা আৰু ঔদাৰ্য্যহীনতা হে প্ৰকাশ কৰিছে। এই ঘটনাই সাধাৰণ মানুহৰ মনত বহুতো প্ৰশ্নৰ সৃষ্টি কৰিছে। প্ৰথমতে, এনে কি ভয়ংকৰ তথ্য বা মন্তব্য আছে যে যাৰ বাবে গোটেই এখন দেশক ডিজিটেলভাৱে নিঃশব্দ কৰিবলগীয়া হয়? ছ'চিয়েল মিডিয়াক হাতত লোৱাটোৱে নে চৰকাৰৰ নিজৰ অক্ষমতা আৰু জনবিৰোধী নীতি-নিৰ্দেশনা ঢাকিবলৈ এক সহজ উপায় হিচাপে গ্ৰহণ কৰা হৈছে? দ্বিতীয়তে, যেতিয়া নাগৰিকসকলে শান্তিপূৰ্ণভাৱে নিজৰ মতামত দাঙি ধৰে, তেতিয়া সেনা মোতায়েন কৰি বলপূৰ্বকভাৱে দমন কৰাটোৱে নে গণতন্ত্ৰৰ নীতিক খৰ্ব কৰা নাই? আৰু সবাতোকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন— যি GenZ যুৱক-যুৱতীসকলক লক্ষ্য কৰি চৰকাৰে নিষেধাজ্ঞা উঠাই দিছে, সেই একেখন যুৱশক্তিকেই ভৱিষ্যতৰ নেতৃত্ব বুলি কোৱা হয়, তেওঁলোকৰ কণ্ঠৰোধ কৰাটোৱে নে দেশৰ ভৱিষ্যতৰ প্ৰতি এক অবিচাৰ নহয়? নেপালৰ এই বিক্ষিপ্ত ঘটনাটোৱে ভাৰতবৰ্ষৰ বাবে এক ডাঙৰ শিক্ষা বহন কৰি আনিছে। আমাৰ দেশটোও এখন ডাঙৰ আৰু সক্ৰিয় ডিজিটেল গণতন্ত্ৰ। ইয়াতো বিভিন্ন সময়ত ছ'চিয়েল মিডিয়া নিয়ন্ত্ৰণৰ কথা ওলায়। নেপালৰ ঘটনাই আমাক কয় যে, ছ'চিয়েল মিডিয়া হ'ল এক শক্তিশালী সঁজুলি। ইয়াৰ অপব্যৱহাৰ হ'ব পাৰে, কিন্তু ইয়াক সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াৰ অৰ্থ হ'ল সমস্যাটোৰ মূৰত মৰা নহয়, কিন্তু লক্ষণটো লুকুৱাই ৰখা। সমস্যাৰ সমাধান হ'ল নাগৰিকৰ সৈতে সংলাপ, তেওঁলোকৰ আশা-আকাংক্ষা আৰু ক্ষোভবোৰ বুজিবলৈ চেষ্টা কৰা, আৰু নীতি-নিৰ্দেশনা সলনি কৰা। দমন-পীড়ন নহয়। ভাৰতীয় ৰাজনীতিত যেতিয়া জনপ্ৰিয় মতামতৰ বিৰুদ্ধে যায়, তেতিয়া সহজতে 'ৰাষ্ট্ৰীয় নিৰাপত্তা'ৰদোহাই দিয়া দেখা যায়। নেপালে আমাক সোঁৱৰাই দিয়ে যে 'ৰাষ্ট্ৰীয় নিৰাপত্তা' আৰু 'নাগৰিক স্বাধীনতা'ৰ মাজত এক সূক্ষ্ম সীমাৰেখা আছে। এই ৰেখা অতিক্ৰম কৰিলে ৰাষ্ট্ৰই নাগৰিকৰ বিশ্বাস হেৰুৱায়, যি কোনো গণতন্ত্ৰৰ বাবে আটাইতকৈ ডাঙৰ নিৰাপত্তাৰ বিয়োগ।

নেপালৰ ছ'চিয়েল মিডিয়া নিষেধাজ্ঞা প্ৰত্যাহাৰৰ ঘটনাটো গণতন্ত্ৰৰ বাবে এক জয়, কিন্তু একে সময়ত ই এক শোচনীয় স্মৃতিও। ইয়াৰ পৰা আমাৰ শিকিবলগীয়া কথাটো হ'ল যে, ইণ্টাৰনেট আৰু ছ'চিয়েল মিডিয়া হ'ল একবিংশ শতিকাৰ গণতন্ত্ৰৰ স্তম্ভ। এই স্তম্ভত আঘাত কৰাটোৱে গণতন্ত্ৰৰ ভেটিতেই আঘাত কৰা হয়। চৰকাৰৰ কৰ্তব্য হ'ল নাগৰিকৰ স্বাধীনতাক সন্মান জনোৱা, আৰু মতানৈক্যক দমনৰ সঁজুলি হিচাপে নুবুজি গণতন্ত্ৰৰ এক অবিচ্ছেদ্য অংগ হিচাপে গণ্য কৰা। নেপালৰ ৰক্তৰ্ষণেৰে সিক্ত হোৱা শিক্ষাটো ভাৰতবৰ্ষই কেতিয়াও নাপাহৰিব।

*এই পবিত্ৰ বস্ত্ৰখনি কেৱল ৰাজদৰবাৰৰে এক সম্পদ নাছিল; ই আছিল সৰ্বসাধাৰণ ভক্তৰ উপাসনাৰো এক মাধ্যম। শংকৰদেৱৰ সংস্কাৰবাদী চেতনাৰ প্ৰতীক । ইয়াৰ জৰিয়তেই তেওঁ অনাখৰী সৰল অসমীয়াৰ মাজতো কৃষ্ণৰ কাহিনীসমূহ সুলভ কৰি তুলিছিল। এইদৰেই বৃন্দাবনী বস্ত্ৰই অসমত পবিত্ৰ তাঁতশিল্পৰ এক নতুন ধাৰাৰ সূচনা কৰে। প্ৰায় ১৫০ বছৰ ধৰি এই শিল্প বৰ্তি আছিল আৰু অসমৰ বাহিৰলৈও ইয়াক ৰপ্তানি কৰা হৈছিল। ফলত অসমীয়াৰ সৃজনী প্ৰতিভাই সুখ্যাতি লভিছিল আৰু বিশ্বৰ ভক্তিমূলক অৰ্থনীতিৰ সতেও যোগসূত্ৰ স্থাপন কৰিবলৈ সক্ষম হৈছিল।*

# অসমৰ বয়নশিল্পত ভক্তিৰ গৌৰৱময় ইতিহাস

**শুভলক্ষ্মী বুঢ়াগোহাঁই**

অসমৰ ঐতিহ্য বৃন্দাবনী বস্ত্ৰ ১৬ শতিকাৰ অসমীয়া সমাজৰ আধ্যাত্মিক ইতিহাসৰ এক চিৰন্তন সাক্ষী। ৰেচমী সূতাৰে বোৱা এই বস্ত্ৰখনে বৃন্দাবনত ভগৱান শ্ৰীকৃষ্ণৰ শৈশৱ আৰু দৈৱিক লীলাৰ কাহিনী বৰ্ণনা কৰে। ইয়াৰ প্ৰতিটো দৃশ্যই একো একোটা কিংবদন্তিক ৰেচমৰ সূতাৰে জটিলভাৱে বান্ধি পেলায়। ই এক অসাধাৰণ সৃষ্টি।

এই অসাধাৰণ সৃষ্টিৰ উদ্ভাৱন হয় মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তত্ত্বাৱধানত। সেই সময়ত গুৰুজনাৰ নেতৃত্বত অসমত নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ জোৱাৰ উঠে। বৃন্দাবনী বস্ত্ৰও এই আন্দোলনৰে এক আহিলা আছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ একেধাৰে এজন সন্ত, কবি, নাট্যকাৰ আৰু সমাজ সংস্কাৰক আছিল। একশৰণ নাম ধৰ্মৰ প্ৰৱৰ্তন কৰি তেওঁ এখন সমতাপূৰ্ণ, অ-ব্ৰাহ্মণ্যবাদী সমাজৰ সৃষ্টি কৰি সকলোকে কৃষ্ণভক্তিৰ এক সৰল পথ দেখুৱাব খুজিছিল। তেওঁৰ মূল লক্ষ্য আছিল ভক্তিক জনসাধাৰণৰ মাজলৈ লৈ যোৱা। ব্ৰাহ্মণ্যবাদৰ জটিল আচাৰ-অনুষ্ঠানৰ পৰিৱৰ্তে সৰল ভক্তি আৰু শিল্পৰ মাধ্যমেৰে শ্ৰীকৃষ্ণৰ কাহিনী প্ৰচাৰ কৰাত তেওঁ গুৰুত্ব দিছিল। সেই উদ্দেশ্যেই তেওঁ শিল্প, সংগীত, নৃত্য আৰু সাহিত্যক উপাসনাৰ সৈতে সানমিহলি কৰি পেলাইছিল। বৃন্দাবনী বস্ত্ৰৰ জৰিয়তে তেওঁ এনেকৈয়ে এখন তাঁতশালকো জীৱন্ত শাস্ত্ৰলৈ ৰূপান্তৰিত কৰি সামাজিক আৰু সাংস্কৃতিক সীমা অতিক্ৰম কৰি সমাজত ভক্তি বিয়পোৱাৰ এক অভিনৱ পন্থা হাতত লৈছিল।

সেই সময়ত কোচ ৰাজবংশৰ ৰজা আছিল ৰজা নৰ নাৰায়ণ। তেওঁৰেই ভাতৃ চিলাৰায়ৰ উদ্যোগত আৰু গুৰু শংকৰদেৱৰ তত্ত্বাৱধানত বৃন্দাবনী বস্ত্ৰ বয়নৰ দায়িত্ব অৰ্পণ কৰা হৈছিল গুৰুজনাৰে শিষ্য তথা মহান তাঁতশিল্পী মথুৰাদাস বুঢ়া আতাৰ ওপৰত। শংকৰদেৱৰ প্ৰত্যক্ষ নিৰ্দেশনাত আৰু বুঢ়া আতাৰ নেতৃত্বতে বাৰজন শিল্পীৰ এটা দলে বৰপেটাৰ তাঁতীকুছি নামে এখন ঠাইত একেলগে এখন বিশাল কাপোৰ বৈ উলিয়াইছিল। এই কাপোৰৰ দৈৰ্ঘ্য আছিল ১৮০ ফুটৰো অধিক যাক কেইবাটাও টুকুৰা চিলাই কৰি দীঘলকৈ তৈয়াৰ কৰা হৈছিল। ১৫৬৭ৰ পৰা ১৫৬৯ চনৰ ভিতৰতে বৈ উলিওৱা এই কাপোৰ অসমৰ প্ৰাচীন ৰেচমী পৰম্পৰা, বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাত উৎপাদিত হোৱা উজ্জ্বল মুগা আৰু মসৃণ পাট সূতাৰ এক অপূৰ্ব আৰু অনন্য নিদৰ্শন আছিল। গুৰুজনাৰ এই হস্তক্ষেপ আৰু তত্ত্বাৱধানে এটি আঞ্চলিক শিল্পক এনেদৰে এক পবিত্ৰ শিল্পলৈ উন্নীত কৰি মধ্যযুগীয় ভাৰতৰ ভক্তি আন্দোলনত বস্ত্ৰ সংস্কৃতিৰ কেন্দ্ৰবিন্দুৰূপে অসমক স্থাপন কৰিলে।



বৃন্দাবনী বস্ত্ৰৰ বয়ন প্ৰক্ৰিয়া তথা কলা নিজেই আছিল এক প্ৰযুক্তিগত বিস্ময়। এই বস্ত্ৰ বিৰল লাম্পাছ শৈলীৰে নিৰ্মিত। এই শৈলীত দুযোৰ দীঘ আৰু বানি থাকে। এযোৰ দীঘ-বানি বস্ত্ৰখনৰ আধাৰ হিচাপে আৰু আনযোৰ তাতকৈ অকণমান ওপৰত মটিফৰ বাবে। এই যুৰীয়া দীঘ-বানিৰ সংমিশ্ৰণত দুজন তাঁতীয়ে একেলগে কাম কৰি আশ্চৰ্যজনকভাৱে কিছুমান জটিল ত্ৰিমাত্ৰিক (Three Dimensional) ডিজাইনৰ সৃষ্টি কৰে। অসমৰ বিশ্ববিখ্যাত সোনালী মুগা সূতা এই কাপোৰৰ মূল উপাদান আছিল । মুগাৰ সতে পাট সূতাৰ সংমিশ্ৰণে বস্ত্ৰখনক এক অনন্য গঠন আৰু উজ্জ্বলতা প্ৰদান কৰিছিল । তাঁত শিল্পীসকলৰো দক্ষতা এনে আছিল যে ৰংবোৰ শতিকাজুৰি বিবৰ্ণ নোহোৱাকৈয়ে থাকিল। সেই যুগৰ ৰঞ্জন প্ৰযুক্তিৰ ই এক বিস্ময়। বিশেষকৈ ৰঙা, সেউজীয়া, হালধীয়া আৰু ক'লা ৰঙৰ ব্যৱহাৰ তাত স্পষ্টভাৱে দেখা যায়। প্ৰতিটো পেনেলতে একোটাকৈ পৰ্ব বৰ্ণনা কৰা হয়। যেনে - শ্ৰীকৃষ্ণৰ গোবৰ্ধন পৰ্বত দাঙি ধৰাৰ পৰ্ব, কালিয় সৰ্প দমন, বকাসুৰ বধ অথবা ৰাসলীলাত গোপীসকলৰ সতে কৰা আনন্দ নৃত্যৰ পৰ্ব। এই বৃন্দাবনী বস্ত্ৰক আৰু অধিক অসাধাৰণ কৰি তুলিছিল শংকৰদেৱৰ ভক্তিমূলক নাটক 'কালিয়াদমন'ৰ পংক্তিসমূহে। 'কালিয়দমন' নাটকৰ প্ৰতিটো পংক্তিকেই বস্ত্ৰখনত বৈ উলিওৱা হৈছিল । ভক্তি আৰু শিল্পৰ এই অনন্য সংমিশ্ৰণে বস্ত্ৰখনিৰ মান আৰু স্থান আৰু বহু ওপৰলৈ তুলি নিছিল।

এই পবিত্ৰ বস্ত্ৰখনি কেৱল ৰাজদৰবাৰৰে এক সম্পদ নাছিল; ই আছিল সৰ্বসাধাৰণ ভক্তৰ উপাসনাৰো এক মাধ্যম। শংকৰদেৱৰ সংস্কাৰবাদী চেতনাৰ প্ৰতীক । ইয়াৰ জৰিয়তেই তেওঁ অনাখৰী সৰল অসমীয়াৰ মাজতো কৃষ্ণৰ কাহিনীসমূহ সুলভ কৰি তুলিছিল। এইদৰেই বৃন্দাবনী বস্ত্ৰই অসমত পবিত্ৰ তাঁতশিল্পৰ এক নতুন ধাৰাৰ সূচনা কৰে। প্ৰায় ১৫০ বছৰ ধৰি এই শিল্প বৰ্তি আছিল আৰু অসমৰ বাহিৰলৈও ইয়াক ৰপ্তানি কৰা হৈছিল। ফলত অসমীয়াৰ সৃজনী প্ৰতিভাই সুখ্যাতি লভিছিল আৰু বিশ্বৰ ভক্তিমূলক অৰ্থনীতিৰ সতেও এক যোগসূত্ৰ স্থাপন কৰিবলৈ সক্ষম হৈছিল।

এই বস্ত্ৰখনৰ সৃষ্টিৰ পিছৰ যাত্ৰাও পিছে কম নাটকীয় নাছিল। ৰপ্তানিৰ জৰিয়তে ইয়াৰ কিছু অংশ ভূটান আৰু তিব্বত পাইছিলগৈ য'ত ইয়াক বৌদ্ধ 'থাংকা' হিচাপে সন্মান আৰু ব্যৱহাৰ কৰা হৈছিল । থাংকা হ'ল বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে ৰেচমী কাপোৰত কৰা কিছু ধৰ্মীয় আৰু পাৰম্পৰিক চিত্ৰকলা। তিব্বতত আমাৰ এই বৃন্দাবনী বস্ত্ৰখনতো তেওঁলোকে চীনা ৰেচমী কাপোৰেৰে ইয়াৰ চাৰিবেৰ চিলাই নিজা কৰি মঠত প্ৰদৰ্শন কৰিছিল। । বিংশ শতিকাৰ আৰম্ভণিতে ইয়ংহাছবেণ্ডৰ তিব্বত অভিযানৰ সময়ত ব্ৰিটিছ সংবাদদাতা পাৰ্চিভাল লেণ্ডনে ইয়াৰ এটা বৃহৎ অংশ অধিগ্ৰহণ কৰে আৰু ১৯০৫ চনত তাকে ব্ৰিটিছ মিউজিয়ামত উপহাৰ দিয়ে। কিন্তু অজ্ঞানতাৰ বাবে দুৰ্ভাগ্যবশতঃ বৃটিছ মিউজিয়ামত কেইবা দশক ধৰি ইয়াক তিব্বতীয় সম্পদ বুলিয়েই ভুলভাৱে শ্ৰেণীবদ্ধ কৰা হয় । ১৯৯২ চনত বস্ত্ৰ ইতিহাসবিদ ৰ'জমেৰী ক্ৰিলৰ পুনৰ চিনাক্তকৰণৰ পাছতহে ইয়াৰ অসমীয়া উৎপত্তিৰ কথা স্পষ্ট হয় আৰু অসমৰ সম্পদ হিচাপে ইয়াক শ্ৰেণীবদ্ধ কৰা হয় । ৰ'জমেৰীৰ গৱেষণাই এই বস্ত্ৰৰ শৈলী, ৰচনা আৰু শংকৰদেৱৰ নাটকৰ পাঠৰ সৈতে ইয়াৰ সম্পৰ্ক বিশ্লেষণ কৰি ইয়াক অসমৰ সৈতে সংযোগ কৰিছিল। এই চিনাক্তকৰণে বিশ্বৰ অন্যান্য সংগ্ৰাহালয়ত থকা ইয়াৰ বাকী খণ্ডসমূহৰো পুনৰ মূল্যায়ন কৰিবলৈ প্ৰেৰণা যোগায়। ৰ'জমেৰীলৈ আমাৰ কৃতজ্ঞতা ৰ'ল।

এই বস্ত্ৰৰ সৰ্ববৃহৎ খণ্ডটি আজিও ব্ৰিটিছ মিউজিয়ামত সংৰক্ষিত হৈ আছে । ইয়াৰ পৰিমাপ ৯.৩৭২.৩১ মিটাৰ। আন আন খণ্ডসমূহ ক্ৰমে ভিক্টোৰিয়া এণ্ড এলবাৰ্ট মিউজিয়াম, পেৰিছৰ মুজে গিমেট, ফিলাডেলফিয়া মিউজিয়াম অৱ আৰ্ট আৰু লছ এঞ্জেলছ, নিউয়ৰ্ক আৰু ৰেলছৰ সংগ্ৰহালয়ত আছে । মুঠতে বৃন্দাবনী বস্ত্ৰৰ প্ৰায় বিশটা খণ্ড বিশ্বজুৰি সিঁচৰিত হৈ আছে যিয়ে ইয়াৰ খণ্ডিত অৱস্থা আৰু বিশ্বব্যাপী ইয়াৰ প্ৰভাৱ — এই দুয়োটাকে প্ৰতিফলিত কৰে । ২০০৪ চনত ক্ৰীষ্টিৰ নিলামত এনে এক খণ্ড ১২০,০০০ ডলাৰৰ আৰম্ভণি মূল্যত বিক্ৰী হৈছিল। এই বৃহৎ মূল্যই ইয়াৰ দুৰ্লভ স্থিতি আৰু অপৰিসীম সাংস্কৃতিক মূল্যকে প্ৰতিফলিত কৰে।

বৃন্দাবনী বস্ত্ৰ আজিও অসমীয়াৰ গৌৰৱ আৰু ঐতিহ্যৰ সম্পদ। এই খণ্ডিত বস্ত্ৰসমূহৰ সংৰক্ষণো এক জটিল কাম । কিয়নো ৰেচমৰ ক্ষয়প্ৰাপ্তি ৰোধ কৰাৰ বাবে বিশেষ তাপমাত্ৰা আৰু পোহৰৰ নিয়ন্ত্ৰণৰ প্ৰয়োজন। অৱশ্যে বৰ্তমান আধুনিক শিল্পী আৰু বহুবোৰ সাংস্কৃতিক প্ৰতিষ্ঠান, বিশেষকৈ সত্ৰসমূহে এই শিল্পক পুনৰুজ্জীৱিত কৰিবৰ বাবে ইয়াৰ প্ৰতিলিপি তৈয়াৰ কৰাৰ কাম হাতত লৈছে। এই প্ৰতিলিপিসমূহ পৰম্পৰাগত মুগা সূতাত লাম্পাছ শৈলীৰ সংমিশ্ৰণ ঘটাই বৈ উলিওৱাৰ চেষ্টা কৰা হৈছে। অৱশ্যে আধুনিক সঁজুলিয়ে প্ৰক্ৰিয়াটো কিছু সৰল কৰি নেপেলোৱা নহয়। এই প্ৰচেষ্টাৰ মূল লক্ষ্য হৈছে অসমৰ নতুন প্ৰজন্মক তেওঁলোকৰ শিল্প ঐতিহ্যৰ সৈতে পৰিচিত কৰোৱা আৰু স্থানীয় গৌৰৱক পুনৰ জীৱন দিয়া । অসমলৈ ইয়াৰ স্থায়ী প্ৰত্যাৱৰ্তনৰ বাবেও দাবী তোলা হৈছে। তেওঁলোকৰ যুক্তি এয়াই যে, ই অসমীয়াৰ সাংস্কৃতিক পৰিচয়ৰ এক অবিচ্ছেদ্য অংগ আৰু সেয়ে এই সাংস্কৃতিক সম্পদ অসমলৈ ঘূৰাই আনিব লাগে। এই লৈ যথেষ্ট বিতৰ্কৰো সৃষ্টি হৈছে। যিয়েই নহওক, তাৰেই সাময়িক সমাধান হিচাপে ২০২৭ চনত ব্ৰিটিছ মিউজিয়ামে এই বস্ত্ৰখন ১৮ মাহ সময় অসমত প্ৰদৰ্শনৰ বাবে ধাৰলৈ দিয়াৰ সিদ্ধান্ত লৈছে। ই এক সুখবৰ। প্ৰায় পাঁচটা শতিকাৰ পিছত অসমৰ এই অমূল্য সম্পদে নিজ দেশলৈ ঘূৰি অহাৰ এটা সুযোগ পাইছে। ইয়াৰ জৰিয়তে অসমবাসীয়েও এই বিস্ময় ভৰা ঐতিহ্যক এবাৰ স্বচক্ষে চোৱাৰ সৌভাগ্য অৰ্জন কৰিব। লগতে বিশ্ব দৰবাৰতো অসমৰ শিল্পকৌশলৰ গুৰুত্ব বাঢ়িব। কিন্তু আমি বিচাৰো, আমাৰ সম্পদ আমালৈ একেবাৰে ঘূৰি আহক। অৱশ্যে ই ইমান সহজ নহয় যদিও চেষ্টা অব্যাহত আছে আৰু আমি আশাবাদী।

বৃন্দাবনী বস্ত্ৰৰ সৃষ্টিয়ে সেই সময়ৰ অসমৰ তাঁতশিল্পীসকলৰ বাবে এক অৰ্থনৈতিক উত্থানৰ সূচনা কৰিছিল। কোচ ৰাজদৰবাৰৰ পৃষ্ঠপোষকতাত তাঁতশিল্পীসকলৰ সামাজিক মৰ্যাদা বৃদ্ধি পাইছিল আৰু এই শিল্পৰ বাণিজ্যই অসমক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰৰ সতে সংযোগ কৰিবলৈ সক্ষম হৈছিল।

বৃন্দাবনী বস্ত্ৰ মধ্যযুগীয় অসমৰ বয়ন শিল্পক প্ৰতিফলিত কৰা কেৱল এক শিল্প অথবা ৰেচম আৰু ৰঙৰে অৱশেষ নহয়; ই অসমীয়াৰ সৃজনী প্ৰতিভা আৰু অসমৰ ভক্তি আন্দোলনৰ এক সুবৰ্ণ ইতিহাস। শংকৰদেৱৰ সামাজিক আৰু আধ্যাত্মিক বিপ্-ৱৰ সাক্ষী। অসমৰ মূল্যবান পাট-মুগাৰ ৰেচমী পৰম্পৰাৰো ই এক স্মৃতিস্তম্ভ । অসমৰ পৰা তিব্বত হৈ ইউৰোপলৈ যাত্ৰা কৰা এই বস্ত্ৰ অসমীয়া সংস্কৃতিৰ সাংস্কৃতিক দূত আছিল । বৃন্দাবনী বস্ত্ৰ সেয়ে আমাৰ গৌৰৱ। ৰেচমী কাপোৰত বৈ উলিওৱা এখন ৰঙীন চিত্ৰ শাস্ত্ৰ। ধৰ্ম, শিল্প আৰু সংস্কৃতিৰ এক বৰনীয়া সেতু । পবিত্ৰ বস্ত্ৰখনিলৈ আমাৰ কৰযোৰে প্ৰণাম।

# নেপালৰ সাম্প্ৰতিক পৰিস্থিতি আৰু ভাৰতৰ ভূমিকা



**সত্যব্ৰত বৰা**

নেপালত শেহতীয়াকৈ সংঘটিত হোৱা ৰাজনৈতিক অশান্তিয়ে দেশখনক এক গভীৰ সংকটৰ মাজলৈ ঠেলি দিছে। যুৱ প্ৰজন্মৰ বিদ্ৰোহে প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিৰ চৰকাৰৰ ভিত্তি জোঁকাৰি দিছে আৰু তেওঁক পদত্যাগ কৰিবলৈ বাধ্য কৰিছে। ভাৰতৰ বাবে নেপালৰ পৰিস্থিতি অতি গুৰুত্বপূৰ্ণ, কিয়নো নেপালে ভাৰত আৰু চীনৰ মাজত এক কৌশলগত ৰাষ্ট্ৰ হিচাপে কাম কৰে। ভাৰতে এই সংকটৰ সময়ত অতি সাৱধানে পদক্ষেপ ল

নেপালৰ অশান্তিৰ মূল কাৰণ হৈছে যুৱ প্ৰজন্মৰ মাজত ব্যাপক অসন্তুষ্টি। দীৰ্ঘদিন ধৰি অৰ্থনৈতিক স্থবিৰতা, নিবনুৱা সমস্যা আৰু সুযোগৰ অভাৱে যুৱক-যুৱতীসকলক হতাশ কৰি তুলিছিল। প্ৰধানমন্ত্ৰী অলিৰ নেতৃত্বত থকা চৰকাৰখনে এই সমস্যাসমূহৰ প্ৰতি গুৰুত্ব নিদিয়াৰ ফলত জনতাৰ মাজত ক্ষোভ বাঢ়ি গৈছিল। অলিৰ দল কমিউনিষ্ট পাৰ্টি অৱ নেপাল-ইউনিফাইড মাৰ্ক্সিষ্ট-লেনিনিষ্ট (চি পি এন-ইউ এম এল)-ৰ ভিতৰত তেওঁ নিজৰ ক্ষমতা সুৰক্ষিত কৰাৰ প্ৰতি অধিক মনোযোগ দিছিল। যেতিয়া তেওঁ তৃতীয়বাৰৰ বাবে নিৰ্বাচিত হঅন্যহাতে, চীনে নেপালত নিজৰ প্ৰভাৱ বৃদ্ধি কৰিবলৈ সক্ৰিয় পদক্ষেপ লৈছে। ২০১৭ চনৰ পৰা চীনৰ বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ প্ৰতিশ্ৰুতি ভাৰততকৈ অধিক হৈছে, যদিও প্ৰকৃত বিনিয়োগৰ পৰিমাণ তুলনামূলকভাৱে কম। চলিত বছৰটোত চীনা বৈদ্যুতিক গাড়ীয়ে নেপালৰ বজাৰত ভাৰতীয় গাড়ীক পিছ পেলাই শীৰ্ষ স্থান দখল কৰিছে। চীনে নেপালক নিজৰ বেল্ট এণ্ড ৰোড ইনিচিয়েটিভ (বি আৰ আই)-ত অন্তৰ্ভুক্ত কৰিছে। অৱশ্যে নেপালে অত্যধিক ঋণৰ ফান্দত পৰাৰ পৰা নিজকে সুৰক্ষিত ৰাখিছে। নেপালে ভাৰত আৰু চীনৰ মাজত এক সুস্থিৰ ভাৰসাম্যতা ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে।

নেপালৰ সংকটৰ সময়ত ভাৰতে অতি সাৱধানে পদক্ষেপ ল'ব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালত হোৱা হিংসাক “হৃদয়বিদাৰক” বুলি মন্তব্য কৰি শান্তিৰ বাবে আহ্বান জনাইছে। এনে ধৰণৰ সংযত প্ৰতিক্ৰিয়াই ভাৰতৰ সাৱধানী নীতিৰ ইংগিত দিয়ে। নেপালৰ অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপৰ অভিযোগ এৰি চলিবলৈ ভাৰতে “প্ৰতীক্ষা আৰু পৰ্যবেক্ষণ”ৰ নীতি গ্ৰহণ কৰিছে। এই সময়ত যদি ভাৰতে অত্যধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰে, তেন্তে ই নেপালৰ জনতাৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। ইতিমধ্যে নেপালত এক গুজব চলিছে যে সাম্প্ৰতিক হিংসাৰ আঁৰত বিদেশী শক্তিৰ ভূমিকা থাকিব পাৰে। তেনে পৰিস্থিতিত ভাৰতে নিজৰ কাৰ্যকলাপৰ প্ৰতি অতি সতৰ্ক হ'ব লাগিব।

ভাৰতৰ বাবে নেপালৰ সৈতে সম্পৰ্ক অক্ষুণ্ণ ৰখাটো অতি জৰুৰী। নেপালৰ পেট্ৰ'ল আৰু ডিজেলৰ মূল উৎস হৈছে ভাৰত আৰু এই নিৰ্ভৰশীলতাই দুয়োখন দেশৰ মাজৰ অৰ্থনৈতিক সম্পৰ্কৰ গুৰুত্বক স্পষ্ট কৰে। তদুপৰি, ভাৰতে শিক্ষা, স্বাস্থ্যসেৱা আৰু নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত নেপালৰ সৈতে সহযোগিতা বৃদ্ধি কৰিব পাৰে। এই ক্ষেত্ৰসমূহত ভাৰতৰ সুবিধা আছে, আৰু ইয়াক কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰিলে চীনৰ প্ৰভাৱৰ প্ৰতিহত কৰা সম্ভৱ।

নেপালৰ যুৱ প্ৰজন্মই কেৱল অলিৰ চৰকাৰৰ বিৰুদ্ধে নহয়, সামগ্ৰিকভাৱে দেশৰ ৰাজনৈতিক ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছে। তেওঁলোকে জবাবদিহিতা, সুযোগ আৰু এক নতুন ভৱিষ্যতৰ দাবী জনাইছে। ভাৰতে এই যুৱ প্ৰজন্মৰ সৈতে সম্পৰ্ক গঢ়ি তুলিব পাৰে। নেপালী ছাত্ৰ-ছাত্ৰীৰ বৃত্তি, সাংস্কৃতিক আদান-প্ৰদান কাৰ্যসূচী আৰু উদ্যোগীকৰণৰ বাবে সহায়ৰ দৰে পদক্ষেপে দুয়োখন দেশৰ মাজৰ সম্পৰ্কক শক্তিশালী কৰিব পাৰে।

সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতিয়ে নেপালক অস্থিৰ কৰি তুলিছে আৰু ইয়াৰ প্ৰভাৱ ভাৰতৰ ওপৰতো পৰিব। ভাৰতে নেপালৰ সৈতে নিজৰ ঐতিহাসিক সম্পৰ্ক বজাই ৰাখিবলৈ চেষ্টা কৰিব লাগিব, কিন্তু একে সময়তে হস্তক্ষেপৰ অভিযোগৰ পৰা নিজকে দূৰত ৰাখিব লাগিব। নেপালৰ যুৱ প্ৰজন্মই দেশখনৰ ভৱিষ্যত গঢ় দিব, আৰু ভাৰতে তেওঁলোকৰ আকাংক্ষাক সমৰ্থন কৰি এক বিশ্বাসযোগ্য অংশীদাৰ হিচাপে নিজৰ স্থান ধৰি ৰাখিব পাৰে। এই সংকটৰ সময়ত ভাৰতৰ ধৈৰ্য্য, কূটনীতি আৰু সহযোগিতাৰ নীতিয়ে দুয়োখন দেশৰ সম্পৰ্কক আগুৱাই নিব।

# নেপালৰ 'জেন জি'ৰ প্ৰতিবাদ আৰু তাৰ পৰিণাম

**চন্দন কুমাৰ নাথ**

নেপাল, এখন পাহাৰৰ কোলাত অৱস্থিত সৌন্দৰ্য্যমণ্ডিত দেশ, য'ত শান্তি আৰু সৌহাৰ্দ্যৰ পৰিৱেশে বিশ্বৰ পৰ্যটকৰ মন জিনিছিল। কিন্তু শেহতীয়াকৈ এই দেশখনৰ ৰাজধানী কাঠমাণ্ডুৰ পথ-প্ৰান্তৰত উত্তাল পৰিস্থিতিয়ে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে। জেন জি বা ১৯৯৭ৰ পৰা ২০১২ চনৰ ভিতৰত জন্মগ্ৰহণ কৰা তৰুণ প্ৰজন্মৰ প্ৰতিবাদে নেপালৰ ৰাজনৈতিক আৰু সামাজিক কাঠামোত তীব্ৰ কম্পনৰ সৃষ্টি কৰিছে। এই প্ৰতিবাদৰ মূল কাৰণ হৈছে দুৰ্নীতিৰ বিৰুদ্ধে ক্ষোভ, সামাজিক মাধ্যমৰ ওপৰত নিষেধাজ্ঞা আৰু ৰাজনৈতিক নেতৃত্বৰ প্ৰতি তৰুণ প্ৰজন্মৰ গভীৰ অসন্তুষ্টি। এই প্ৰতিবাদৰ ফলত নেপালে এতিয়া এখন অভূতপূৰ্ব সংকটৰ মুখামুখি হৈছে, যাৰ পৰিণামে দেশখনৰ শাসন ব্যৱস্থা, জনজীৱন আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত গভীৰ প্ৰভাৱ পৰিছে।

নেপালৰ জেন জি প্ৰতিবাদৰ সূচনা হৈছিল এটা নিৰ্দিষ্ট ঘটনাৰ পৰা , চৰকাৰে ফেচবুক, ইউটিউব, ইনষ্টাগ্ৰাম আৰু হোৱাটছএপৰ দৰে জনপ্ৰিয় সামাজিক মাধ্যমৰ প্লেটফৰ্মৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰাৰ সিদ্ধান্তৰ পৰা। এই নিষেধাজ্ঞাৰ পিছত চৰকাৰৰ যুক্তি আছিল যে এই প্লেটফৰ্মসমূহে নেপালৰ যোগাযোগ আৰু তথ্য মন্ত্ৰণালয়ৰ নিয়ম-নীতি মানি চলা নাছিল। কিন্তু তৰুণ প্ৰজন্মৰ বাবে এই নিষেধাজ্ঞা কেৱল তেওঁলোকৰ মতপ্ৰকাশৰ স্বাধীনতাৰ ওপৰত আঘাত নহয়, বৰঞ্চ চৰকাৰৰ দমনমূলক নীতিৰ প্ৰতীক হৈ পৰিছিল। জেন জিৰ এই ক্ষোভৰ মূলত আছে দীৰ্ঘদিন ধৰি নেপালৰ ৰাজনীতিত থকা দুৰ্নীতিৰ সংস্কৃতি। দেশখনৰ অৰ্থনৈতিক দুৰ্দশা, নিবনুৱা সমস্যা , আৰু ৰাজনৈতিক নেতাসকলৰ মাজত থকা নিষ্কৰ্মা মনোভাৱে তৰুণসকলৰ মাজত হতাশাৰ জন্ম দিছিল। বিশেষকৈ, ২০১৭ চনৰ এয়াৰবাছ ডিলৰ দৰে দুৰ্নীতিৰ অভিযোগ, য'ত নেপাল এয়াৰলাইন্সে দুখন এ৩৩০ বিমান ক্ৰয়ৰ ক্ষেত্ৰত অনিয়মৰ অভিযোগ উঠিছিল, তৰুণসকলৰ ক্ষোভক আৰু তীব্ৰতৰ কৰিছিল। এই ঘটনাৰ তদন্ততো কোনো স্পষ্ট ফলাফল নোপোৱাৰ বাবে তেওঁলোকৰ অসন্তুষ্টি বাঢ়িছিল। ইয়াৰ উপৰিও, ৰাজনৈতিক নেতা আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ বিলাসী জীৱনশৈলীৰ বিষয়ে সামাজিক মাধ্যমত প্ৰচাৰিত তথ্যই জেন জিৰ মাজত “নেপো কিডছ” (nepo kids)ৰ বিৰুদ্ধে এক প্ৰকাৰৰ সামাজিক আন্দোলনৰ জন্ম দিছিল।

২০২৫ চনৰ ৮ ছেপ্টেম্বৰৰ পৰা কাঠমাণ্ডুৰ মাইটিঘৰৰ পৰা আৰম্ভ হোৱা এই প্ৰতিবাদ অতি কম সময়ৰ ভিতৰতে দেশৰ অন্যান্য চহৰ যেনে পোখৰা, বিৰাটনগৰ, ইটাহাৰী আৰু দমকলৈ বিয়পি পৰিছিল। হাজাৰ হাজাৰ তৰুণ-তৰুণী, বিশেষকৈ ছাত্ৰ-ছাত্ৰী, স্কুলৰ ইউনিফৰ্ম পিন্ধি বা সাধাৰণ পোছাকত ৰাজপথত নামি পৰিছিল। তেওঁলোকৰ হাতত থকা প্লে'কাৰ্ডত লিখা আছিল, “কে পি, তুমি চোৰ, দেশ এৰি যোৱা”, “আৰু নেপো বেবী নহয়”, “দুৰ্নীতি বন্ধ কৰা” আদি শ্ল'গান। এই প্ৰতিবাদৰ এক উল্লেখযোগ্য দিশ আছিল ইয়াৰ স্বতঃস্ফূৰ্ততা আৰু ৰাজনৈতিক দলৰ সৈতে প্ৰত্যক্ষ সংযোগৰ অভাৱ তৰুণসকলে নিজ ক্ষোভৰ কথা সামাজি মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰি আন্দোলনক জনপ্ৰিয় কৰি তুলিছিল, যদিও চৰকাৰৰ নিষেধাজ্ঞাই তেওঁলোকৰ এই মঞ্চকো সীমিত কৰিছিল। কিন্তু প্ৰতিবাদৰ প্ৰথম দিনৰ পৰাই পৰিস্থিতি উত্তপ্ত হৈ পৰিছিল। কাঠমাণ্ডুৰ সংসদ ভৱনৰ বাহিৰত প্ৰতিবাদকাৰীৰ সৈতে আৰক্ষীৰ সংঘৰ্ষত পানীৰ কামান, টিয়াৰ গেছ আৰু ৰবৰৰ গুলীৰ ব্যৱহাৰ হৈছিল। কিছুমান স্থানত জীৱন্ত গুলীৰ ব্যৱহাৰৰ অভিযোগও উঠিছিল, যাৰ ফলত কমেও ৩০ জন প্ৰতিবাদকাৰীৰ মৃত্যু হৈছিল আৰু শ শৰো অধিক আহত হৈছিল। কাঠমাণ্ডুৰ জাতীয় ট্ৰমা চেণ্টাৰ, এভাৰেষ্ট হাস্পতাল আৰু অন্যান্য চিকিৎসালয়ত আহতসকলৰ ভিৰে হাস্পতালৰ ক্ষমতাৰ ওপৰত চাপ পৰিছিল।



প্ৰতিবাদৰ তীব্ৰতা বৃদ্ধি পোৱাৰ লগে লগে নেপালৰ ৰাজনৈতিক পৰিৱেশতো বৃহৎ পৰিৱৰ্তন দেখা গৈছিল। প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে প্ৰথমে প্ৰতিবাদকাৰীৰ দাবীৰ সন্মুখীন হ'বলৈ সৰ্বদলীয় সভাৰ আহ্বান জনাইছিল, কিন্তু পৰিস্থিতিৰ গুৰুত্ব বৃদ্ধি পোৱাৰ পিছত তেওঁ পদত্যাগ কৰিবলৈ বাধ্য হৈছিল। ইয়াৰ পিছতো প্ৰতিবাদ থমকি ৰোৱা নাছিল। প্ৰতিবাদকাৰীসকলে সংসদ ভৱনত প্ৰৱেশ কৰি অগ্নিকাণ্ডৰ সৃষ্টি কৰিছিল আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী শেৰ বাহাদুৰ দেউৱা, ঝালানাথ খানালৰ দৰে নেতাৰ ঘৰ আৰু কাৰ্যালয়তো আক্ৰমণ চলাইছিল। এই ঘটনাই নেপালৰ ৰাজনৈতিক নেতৃত্বৰ প্ৰতি জনসাধাৰণৰ গভীৰ অসন্তুষ্টিৰ পৰিচয় দিছিল। ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌডেলেও পদত্যাগ কৰিবলৈ বাধ্য হৈছিল, যাৰ ফলত দেশখন এটা নেতৃত্বশূন্য সংকটৰ মুখামুখি হৈছিল। প্ৰতিবাদৰ ফলত সামাজিক মাধ্যমৰ ওপৰৰ নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হৈছিল, কিন্তু তাৰ পিছতো জেন জিৰ আন্দোলনে এতিয়া এক বৃহত্তৰ ৰূপ লৈছে, য'ত তেওঁলোকে কেৱল দুৰ্নীতিৰ বিৰুদ্ধে নহয়, গণতন্ত্ৰ আৰু ন্যায়ৰ প্ৰতিষ্ঠাৰ বাবেও সংগ্ৰাম কৰিছে। প্ৰতিবাদৰ ফলত নেপালৰ জনজীৱনৰ ওপৰতো গভীৰ প্ৰভাৱ পৰিছে। কাঠমাণ্ডুত কাৰ্ফিউ জাৰি কৰা হৈছিল, আৰু নেপালৰ সেনাই দেশৰ নিৰাপত্তাৰ দায়িত্ব গ্ৰহণ কৰিছিল। ত্ৰিভুৱন আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰতো উৎকট পৰিস্থিতিৰ বাবে উৰণ ব্যৱস্থা স্থগিত ৰখা হৈছিল, যাৰ ফলত ভাৰত আৰু অন্যান্য দেশৰ পৰ্যটকসকল আবদ্ধ হৈ পৰিছিল। ভাৰত চৰকাৰে নিজৰ নাগৰিকসকলক নেপালত অপ্ৰয়োজনীয় ভ্ৰমণৰ পৰা বিৰত থাকিবলৈ আৰু নিৰাপদ স্থানত থাকিবলৈ পৰামৰ্শ জাৰি কৰিছিল। অৰ্থনৈতিকভাৱে, নেপালৰ পৰ্যটন খণ্ড, যিটো দেশৰ অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ স্তম্ভ, এই সংকটৰ ফলত বিপৰ্যয়ৰ সন্মুখীন হৈছে। দোকান-পোহাৰ, হোটেল আৰু পৰিবহণ ব্যৱস্থা বন্ধ হৈ পৰাৰ ফলত সাধাৰণ মানুহৰ জীৱিকাৰ ওপৰতো প্ৰভাৱ পৰিছে। ইয়াৰ উপৰিও, সংসদ ভৱন আৰু অন্যান্য চৰকাৰী সম্পত্তিৰ ধ্বংসৰ ফলত অৰ্থনৈতিক ক্ষতিৰ পৰিমাণ আৰু বৃদ্ধি পাইছে।

নেপালৰ এই প্ৰতিবাদে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ দৃষ্টি আকৰ্ষণ কৰিছে। মানৱাধিকাৰ সংগঠনসমূহে প্ৰতিবাদকাৰীৰ ওপৰত অত্যধিক বলপ্ৰয়োগৰ সমালোচনা কৰিছে আৰু নিৰপেক্ষ তদন্তৰ দাবী জনাইছে। ভাৰত, চীন আৰু অন্যান্য প্ৰতিবেশী দেশে নেপালৰ পৰিস্থিতিৰ ওপৰত নিবিড়ভাৱে নজৰ ৰাখিছে, কিয়নো এই অঞ্চলৰ স্থিৰতাৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰিব পাৰে। জেন জিৰ এই আন্দোলনে নেপালৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ পুনৰ্মূল্যায়নৰ প্ৰয়োজনীয়তাৰ কথা উত্থাপন কৰিছে। তৰুণ প্ৰজন্মৰ এই স্বতঃস্ফূৰ্ত আন্দোলন এতিয়া কেৱল সামাজিক মাধ্যমৰ নিষেধাজ্ঞা বা দুৰ্নীতিৰ বিৰুদ্ধে সীমাবদ্ধ নহয়, বৰঞ্চ ই এখন ন্যায়পূৰ্ণ আৰু স্বচ্ছ সমাজ গঢ়ি তোলাৰ সংগ্ৰামলৈ পৰিণত হৈছে। প্ৰাক্তন প্ৰধান ন্যায়াধীশ সুশীলা কাৰ্কীৰ দৰে ব্যক্তিৰ নাম অন্তৰ্বৰ্তীকালীন নেতৃত্বৰ বাবে আলোচনাত আহিছে, যিয়ে জনসাধাৰণৰ মাজত দুৰ্নীতিৰ বিৰুদ্ধে এক শক্তিশালী কণ্ঠ হিচাপে পৰিচিত। নেপালৰ জেন জি প্ৰতিবাদে এটা স্পষ্ট বাৰ্তা দিছে যে তৰুণ প্ৰজন্ম এতিয়া নিষ্ক্ৰিয়ভাৱে ৰাজনৈতিক দুৰ্নীতি আৰু অব্যৱস্থাৰ সন্মুখীন হৈ নাথাকিব। এই প্ৰতিবাদে দেশখনৰ গণতান্ত্ৰিক ব্যৱস্থাক শক্তিশালী কৰাৰ সম্ভাৱনাৰ সৃষ্টি কৰিছে, যদিও ইয়াৰ সৈতে জড়িত হিংসা আৰু ধ্বংসই নেপালৰ সমাজৰ ওপৰত গভীৰ ক্ষতৰ সৃষ্টি কৰিছে। এই সংকটৰ পৰা ওলাই অহাৰ বাবে নেপালৰ ৰাজনৈতিক নেতৃত্ব, সেনা আৰু জনসাধাৰণৰ মাজত এক সংলাপৰ প্ৰয়োজন, যিয়ে দেশখনক স্থিৰতা আৰু সমৃদ্ধিৰ পথলৈ লৈ যাব পাৰে। জেন জিৰ এই আন্দোলন কেৱল নেপালৰ বাবেই নহয়, সমগ্ৰ দক্ষিণ এছিয়াৰ তৰুণ প্ৰজন্মৰ বাবে এক প্ৰেৰণা হৈ পৰিব পাৰে, যিয়ে নিজৰ ভৱিষ্যত গঢ়ি তোলাৰ বাবে সাহস আৰু ঐক্যৰ পৰিচয় দিছে।

# মাধৱদেৱৰ বৰগীত
# ভক্তি, ৰস আৰু তত্ত্ব বিচাৰ

দিলীপ কুমাৰ ৰয়

> বৰগীতসমূহৰ মূল বিষয়বস্তু হৈছে ভক্তি, যাৰ যোগেদি কৃষ্ণৰ প্ৰতি ভক্তসকলৰ গভীৰ প্ৰেম আৰু ভক্তিৰ প্ৰকাশ ঘটে। মুঠতে মাধৱদেৱৰ বৰগীতসমূহতৰ শৃংগাৰ, কৰুণ, দাস্য, বাৎসল্য আৰু ভক্তিৰস আদিৰ সংমিশ্ৰণ ঘটিছে যে তেৰাৰ বৰগীতক এক বিশেষ আধ্যাত্মিক আৰু ভক্তিপূৰ্ণ সুৰ প্ৰদান কৰিছে।

শংকৰদেৱে বৈষ্ণৱ ভক্তি-ধৰ্মৰ আন্দোলনৰ প্ৰচাৰ আৰু প্ৰসাৰ সৰ্বজনপ্ৰিয় কৰি তোলাৰ বাবে সুকুমাৰ কলাৰ সাহিত্য, সংগীত, চিত্ৰ, ভাস্কৰ্য আৰু নৃত্য - এই আটাইকেইটা মাধ্যমকেই প্ৰায় ব্যৱহাৰ কৰিছিল। ফলত কাব্য, গীত, নাট, চিত্ৰ, বাদ্য— এই সকলোবোৰ কলাই অসমত এটা নতুন পৰিশীলিত আৰু বিকশিত ৰূপ লাভ কৰিবলৈ সক্ষম হ'ল। পঞ্চদশ-যোড়শ শতিকাতে প্ৰৱৰ্তিত ভক্তি-ধৰ্মৰ অংগস্বৰূপে ব্যৱহৃত হ'বলৈ ধৰা এই এই মাধ্যমকেইটাৰ ভিতৰত গীত আছিল অন্যতম গুৰুত্বপূৰ্ণ মাধ্যম। ধৰ্ম প্ৰচাৰৰ বাবে গীতক মাধ্যম হিচাপে লৈ শংকৰদেৱে বাৰকুৰি গীত ৰচনা কৰিছিল। তেওঁ বদৰিকাশ্ৰমত 'মন মেৰি ৰাম চৰণহি লাগু' শীৰ্ষক প্ৰথম গীত ৰচনা কৰিছিল। চৰিত পুথি মতে, 'বাৰ কুৰি বৰগীত, তেৰকুৰি ফকৰা'। 'গুৰুচৰিত কথা'ত উল্লেখ থকা অনুসৰি শংকৰদেৱৰ গীতৰ পুথিখন কমলা গায়ন নামৰ এজন আতৈয়ে পঢ়িবলৈ নি থওঁতে বনপোৰা জুয়ে আতৈৰ ঘৰৰ লগতে পুথিখনিও পুৰিলে। বনজুইৰ পৰা মাত্ৰ চৌত্ৰিশটি গীতহে উদ্ধাৰ হৈছিল। গুৰুজনে ইয়াতে দুঃখ পাই মাধৱদেৱক ক'লে— "বৰাৰ পো, অতি শ্ৰমকৈ গীতখিনি কৈলো। পুইলে। আমি আৰু নকৰোঁ। তুমি কিছু কৰা।" মাধৱদেৱে শংকৰদেৱৰ প্ৰচলিত লগত নিজৰ এশ সাতৰম্নটি গীত সংযোগ কৰি নকৈ পুথিখনি কৰিলে। বৰ্তমান দুয়োগৰাকী গুৰুৰ বৰগীতৰ সৰ্বমুঠ সংখ্যা ১৯১ টা। শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা এই গীতখিনিক ভক্তসকলে পিছত 'বৰগীত' বুলি নামকৰণ কৰিলে। মন কৰিবলগীয়া যে পিছলৈ আন আন বৈষ্ণৱ সন্ত-মহন্তসকলে একে আৰ্হিৰ গীত ৰচনা কৰিছিল কিন্তু তেনে গীতসমূহক 'বৰগীত' বোলা নহ'ল।

ডক্টৰ বাণীকান্ত কাকতিয়ে বৰগীতৰ বিষয় আৰু গাম্ভীৰ্যৰ বাবে বৰগীতক Nobel Numbers বুলি কৈছে। কালিৰাম মেধিয়ে Great Song বা Song Celestial বুলি আৰু দেৱেন্দ্ৰনাথ বেজবৰুৱাই Holy Song বুলি কৈছে।

বৰগীতসমূহৰ বিষয়বস্তুৰ ক্ৰম বিচাৰ কৰি চালে উত্থান, জাগৰণ, খেলান আৰু নৃত্য— এই চাৰিটি বিষয়ৰ পৰিচয় পোৱা যায়। তদুপৰি ভাব অনুসৰি বিৰহ, বিৰক্তি. চানবী, চোৰ্যলীলা, লীলা আৰু পৰমাৰ্থ বিষয় বিচাৰি উলিয়াব পাৰি। এই গীতসমূহ আচলতে আধ্যাত্মিক ভাৱৰ উপাসনা প্ৰসংগৰ গীত। এইখিনিতে মন কৰিবলগীয়া যে দুয়োগৰাকী গুৰুৱে যদিও বৰগীত ৰচনা কৰিছে বিষয়বস্তু কিন্তু কিছু পৃথক। শংকৰদেৱৰ বৰগীতৰ কৃষ্ণ পূৰ্ণবয়স্ক, মাধৱদেৱৰ বৰগীতৰ কৃষ্ণ সৰহ ক্ষেত্ৰতে হ'ল শিশু কৃষ্ণ। শিশু কৃষ্ণ অৰ্থাৎ 'বাল গোপাল'। যদিও একেই ভক্তি ভাৱৰ প্ৰকাশ ঘটিছে আৰু শান্ত ৰসেই নিষ্পন্ন হৈছে, তথাপি মাধৱদেৱৰ গীতত বাৎসল্য-প্ৰীতি প্ৰধান উপজীব্য হৈ পৰিছে। মাধৱদেৱৰ উল্লেখযোগ্য বৰগীতসমূহৰ ভিতৰত 'অৱহু মাই দেখত মিলল আনন্দ', : অৱ সখি পেখা মদন গা পাল', 'আগা মাই তা হাৰি তনয় যদুমণি', : আলা ভাই গা কুলে আনন্দ জয় জয়: . "আজু গা পীনাথ পেখলোঁ আঁখি', 'আজু সুপৰভাতে পেখলোঁ মাই', আদি প্ৰধান।

মাধৱদেৱে বৰগীত ৰচনা কৰিছিল নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু আধ্যাত্মিক ভাৱ প্ৰকাশ কৰিবলৈ, বিশেষকৈ শ্ৰী কৃষ্ণৰ বাল্যকালৰ লীলা, মান-অভিমান আদি বিষয়সমূহ জনসাধাৰণৰ ওচৰত উপস্থাপন কৰিবলৈ। বৰগীতৰ মূল উদ্দেশ্য আছিল শাস্ত্ৰীয় ৰাগ-তালযুক্ত এক উচ্চ আধ্যাত্মিক শৈলীৰে ভগৱানৰ মহিমা প্ৰকাশ কৰা।

তাত্ত্বিক দিশৰ পৰা মাধৱদেৱৰ বৰগীতসমূহ সংসাৰৰ বিষয় বাসনা, মায়া মোহ, ইন্দ্ৰিয় লোভ লালসা, স্নেহ মমতা আদিৰ ক্ষণভংগুৰতা আৰু মনুষ্য জীৱনৰ একমাত্ৰ লক্ষ্য হ'ল ভগৱানক উপাসনা কৰি মানৱ জীৱনৰ উৎকৰ্ষ সাধন কৰ। ইয়াৰ উপৰিও মাতৃ যশোদাৰ পুত্ৰ স্নেহ আৰু খং ৰাগ আদি সমসাময়িক সমাজ জীৱনত বাস্তৱ চিত্ৰৰ প্ৰতিফলন। আধ্যাত্মিক ভাৱ যুক্ত সাৱলীল অৰ্থ সম্বলিত সৰল ভাষা প্ৰয়োগ মাধৱদেৱৰ বৰগীত সমূহত দেখা যায়।


মাধৱদেৱৰ বৰগীত সমূহত মূলত ভক্তি বাৎসল্য ৰস দেখা পোৱা যায়। শিশু কৃষ্ণৰ বিভিন্ন লীলা মহাত্মা, ৰূপ বৰ্ণনা আৰু ঈশ্বৰত্ব প্ৰকাশক বৰ্ণনা মাধৱদেৱৰ বৰগীতসমূহৰ মূল বৈশিষ্ট্য।

মাধৱদেৱৰ বৰগীতসমূহ লক্ষ্য কৰিলে দেখা যায় যে সেইবোৰ কোনো নিৰ্দিষ্ট ৰাগত বন্ধা নহয়। মূলতঃ সেইবোৰ 'বসন্ত' ৰাগত বন্ধা।

মাধৱদেৱে তেওঁৰ গীতসমূহত শ্ৰীকৃষ্ণৰ প্ৰতি দাস্য (সেৱকত্ব) আৰু বাৎসল্য (মাতৃ-পুত্ৰৰ দৰে স্নেহ) উভয় ভক্তিৰসৰ প্ৰকাশ ঘটাইছে। তদুপৰি গীতসমূহত শ্ৰীকৃষ্ণৰ চৰণত শৰণ লৈ জীৱনৰ অসাৰতা উপলব্ধি কৰা, বৈৰাগ্য, আৰু আধ্যাত্মিক সত্তা লাভৰ প্ৰয়াসৰ বৰ্ণনা পোৱা যায়। বিষয়বস্তুৰ ফালৰ পৰা শ্ৰীকৃষ্ণৰ লীলা, তেওঁৰ মহিমা, আৰু তেওঁৰ প্ৰতি থকা ভক্তিৰ গভীৰ ভাৱৰ বৰ্ণনা আছে।

এই গীতসমূহে আধ্যাত্মিক জ্ঞানৰ মাধ্যমেৰে জীৱক পৰমাত্মা লাভৰ পথ প্ৰদৰ্শন কৰিছে। মুঠতে বৰগীতসমূহ শ্ৰীকৃষ্ণৰ প্ৰতি উচ্চ আধ্যাত্মিক ভাৱ, ভক্তিৰস আৰু দাস্য-বাৎসল্য ভক্তিৰসৰ সংমিশ্ৰণেৰে সমৃদ্ধ। এই গীতসমূহত তেওঁৰ ভক্তি, বৈৰাগ্য, আৰু শ্ৰীকৃষ্ণৰ লীলাৰ বৰ্ণনা স্পষ্টভাৱে ফুটি উঠিছে, যিয়ে তেওঁৰ আধ্যাত্মিক উচ্চতাক প্ৰতিফলিত কৰিছে।

মাধৱদেৱৰ বৰগীতসমূহত প্ৰধানকৈ শৃংগাৰ ৰস আৰু কৰুণ ৰস পোৱা যায়। শিশু-কৃষ্ণৰ লগত মানুহৰ সম্বন্ধ আৰু তেওঁৰ চঞ্চলতাৰ বৰ্ণনাৰ মাজেৰে শৃংগাৰ ৰসৰ প্ৰকাশ হয়। শিশু-কৃষ্ণৰ বিচ্ছেদ বা তেওঁলোকৰ দুখ-কষ্টৰ বৰ্ণনাৰ মাজেৰে কৰুণ ৰসৰো এক সূক্ষ্ম প্ৰকাশ দেখা যায়।



ইয়াৰ উপৰিও, বৰগীতসমূহৰ মূল বিষয়বস্তু হৈছে ভক্তি, যাৰ যোগেদি কৃষ্ণৰ প্ৰতি ভক্তসকলৰ গভীৰ প্ৰেম আৰু ভক্তিৰ প্ৰকাশ ঘটে। মুঠতে মাধৱদেৱৰ বৰগীতসমূহতৰ শৃংগাৰ, কৰুণ, দাস্য, বাৎসল্য আৰু ভক্তিৰস আদিৰ সংমিশ্ৰণ ঘটিছে যে তেৰাৰ বৰগীতক এক বিশেষ আধ্যাত্মিক আৰু ভক্তিপূৰ্ণ সুৰ প্ৰদান কৰিছে। শেষত সকলো ৰস শান্ত ৰসত মিলি গৈছে।

মাধৱদেৱৰ বৰগীতত শৃংগাৰ ৰসৰ কিছু উদাহৰণ পোৱা যায়। তাৰ ভিতৰত 'দেৱ অনুকূল' বৰগীতত গোপীকৃষ্ণৰ প্ৰিয়জনৰ দৰে হোৱা দেখা যায়, য'ত গোপীসকলে কৃষ্ণক তেওঁৰ চঞ্চল স্বভাৱৰ বাবে ব্যৱহাৰ কৰে, যেন তেওঁ তেওঁলোকৰ প্ৰতি আকৃষ্ট হৈছে। এই বৰগীতত গোপীকৃষ্ণৰ সম্পৰ্কত এক প্ৰকাৰৰ শৃংগাৰিক বা প্ৰেমময় ব্যৱহাৰৰ ইংগিত আছে। 'আজি গোপাল নুঠিল'-ৰ দৰে বৰগীতত শংকৰদেৱৰ 'মন মেৰী ৰাম-চৰণাহি লাগু'বৰগীতৰ নিচিনা গোপীসকলৰ কৃষ্ণৰ প্ৰতি থকা আৱেগ দেখা যায়, য'ত গোপীসকলে তেওঁলোকৰ প্ৰিয়জনক তেওঁলোকৰ প্ৰিয়জনৰ দৰে হোৱা দেখিছে, আৰু শিশুকৃষ্ণ আৰু গোপীসকলৰ মাজত একধৰণৰ স্নেহপূৰ্ণ সূক্ষ্ম সংযোগ দেখা যায়, য'ত গোপীসকলে কৃষ্ণক তেওঁলোকৰ প্ৰিয়জন হিচাপে দেখা পায়। ঠিক তেনেকৈ 'হৰি হেৰৱে বাপ পশিলোঁ শৰণে' ভক্তি ৰসৰ প্ৰাধান্য দেখা যায়। ইয়াত ভক্তিৰ আতুৰতা, শৰণাপন্ন হোৱাৰ বেদনা আৰু ভগৱানৰ চৰণত নিজকে সমৰ্পণ কৰাৰ গভীৰ অনুভৱ প্ৰকাশ পাইছে, যাৰ ফলত ভক্তি ৰসৰ এক বিশেষ ধাৰা সৃষ্টি হৈছে। মাধৱদেৱৰ বৰগীতত কৰুণ ৰসৰ কিছুমান বিশেষ উদাহৰণ পৰিলক্ষিত হয়, যদিও তেওঁৰ বৰগীতত মূলত দাস্য আৰু বাতৎসল্যভাৱেই প্ৰাধান্য লাভ কৰিছে। তেওঁৰ বৰগীতত ভক্তৰ মনৰ দুখ, আকুলতা, আৰু ভগৱানৰ চৰণত সম্পূৰ্ণ শৰণ লোৱাৰ প্ৰকাশ দেখা যায়, যাৰ ফলত এক প্ৰকাৰৰ বিৰহ আৰু হাহাকাৰৰ কৰুণ পৰিৱেশ সৃষ্টি হয়। তদুপৰি ভক্তৰ মনৰ বিৰহ, আকুলতা আৰু ভগৱানৰ পৰা দূৰ হোৱাৰ বিৰহৰ দুখেই এক ধৰণৰ কৰুণ ৰসৰ জন্ম দিয়ে। ঠিক তেনেকৈ ভক্তৰ হৃদয়ত থকা ভগৱানৰ কাষত থকাৰ এক প্ৰচণ্ড ইচ্ছা আৰু তাৰ অভাৱত সৃষ্টি হোৱা অস্থিৰতাই কৰুণ ৰসৰ সৃষ্টি কৰে। মাধৱদেৱৰ বৰগীতসমূহত পাৰমাৰ্থিক বিষয়ৰ লগতে মানৱীয় দুখ, আকুলতা আৰু বিৰহৰ ভাবো প্ৰকাশিত হয়, যিয়ে কৰুণ ৰসৰ জন্ম দিয়ে। বৰগীতসমূহৰ ভিতৰত 'নামে নামৰ চন্দ্ৰ' বৰগীতত কৰুণ ৰস দেখা যায়। এই বৰগীতটোৱে মানৱ জীৱনৰ দুখ-চিন্তা, বিৰহ আৰু নিৰাশাৰ লগতে আধ্যাত্মিকতাৰ এক দৰদী আৰু গভীৰ আৱেগক কৰুণ ৰসৰ মাধ্যমেৰে প্ৰকাশ কৰিছে যিয়ে শ্ৰোতাৰ মনত এক দৰদী আৰু গভীৰ অনুভূতিৰ সৃষ্টি কৰিছে। বাৎসল্য ৰসযুক্ত বৰগীতৰ ভিতৰত 'কালি কিবা অপূৰ্ব দেখা' গীতটিত যশোদাৰ মাতৃস্নেহ আৰু তেওঁৰ মৰমৰ লালন-পালনৰ মুহূৰ্তত মাতৃৰ বাৎসল্যৰ এক সুন্দৰ আৰু সজীৱ চিত্ৰণ কৰা হৈছে, যি শিশু কৃষ্ণৰ বাল্যকালৰ দৈনন্দিন ঘটনাৰ বৰ্ণনাৰ মাধ্যমেৰে বাৎসল্য ৰসৰ প্ৰকাশ ঘটিছে।

মাধৱদেৱৰ বৰগীতসমূহত বাৎসল্য প্ৰেমৰ এক বিশেষ স্থান আছে, বিশেষকৈ কৃষ্ণৰ বাল্যলীলাৰ বৰ্ণনাত এই প্ৰেমৰ প্ৰকাশ ঘটিছে। এই গীতবোৰত এজন মাতৃ বা পিতৃয়ে নিজ সন্তানৰ প্ৰতি যি নিস্বাৰ্থ, স্নেহপূৰ্ণ মৰমৰ ভাৱ প্ৰদৰ্শন কৰে, সেই অনুভূতিৰ এক সুন্দৰ বাৎসল্য ৰস সৃষ্টি হয়। শ্ৰীকৃষ্ণৰ 'বাল্যলীলা'ৰ বৰ্ণনা কৰা হৈছে, য'ত তেওঁৰ মাতৃ যশোদাৰ গভীৰ মৰম, স্নেহেৰে পূৰ্ণ প্ৰেমৰ বৰ্ণনা আছে। কৃষ্ণক ডাঙৰ-দীঘল কৰা, তেওঁৰ সৰু সৰু কথাৰ প্ৰতি থকা আকুলতা—এই সকলো বাৎসল্য প্ৰেমৰ অংশ।

এই গীতসমূহত, যশোদাৰ বাবে কৃষ্ণ কেৱল ঈশ্বৰ নহয়, তেওঁৰ আপোন সন্তান। তেওঁৰ সৰু সৰু আচৰণ, খিলখিল হাঁহি, আৰু দুষ্টামিৰ মাজতো যশোদাৰ মৰমৰ উমান পোৱা যায়। এই বাৎসল্য প্ৰেমেই ভক্তি-সাধনাৰ এক গভীৰ অৰ্থ প্ৰদান কৰে য'ত ভক্তই এজন সন্তানৰ দৰে ভগৱানৰ ওচৰত নিজক অৰ্পণ কৰে, আৰু ভগৱান তেওঁৰ বাবে পিতৃ-মাতৃৰ দৰে আচৰণ কৰে।

মাধৱদেৱৰ বৰগীতসমূহত দাস্য ভাৱৰ এক সুন্দৰ প্ৰকাশ দেখা যায়, বিশেষকৈ তেওঁৰ বৰগীতত একনিষ্ঠ ভক্তি, ঈশ্বৰৰ ওচৰত নিজকে তুচ্ছ জ্ঞান কৰা, আৰু সেৱাৰ মানসিকতা তেওঁৰ গীতবোৰত স্পষ্টভাৱে ফুটি উঠিছে। ভক্তই নিজক ঈশ্বৰৰ চৰণত সম্পূৰ্ণৰূপে উছৰ্গা কৰা আৰু তেওঁৰ চৰণত দাস হৈ থকাৰ এক গহীন ছবি মাধৱদেৱৰ গীতসমূহত দেখা যায়।

মাধৱদেৱৰ ভক্তিৰস থকা এটা উল্লেখযোগ্য বৰগীত হ'ল "অৱ সখি পেখা মদন গা পাল।" এই গীতটিত তেওঁ নিজৰ গুৰুজনৰ প্ৰতি থকা অপাৰ ভক্তি আৰু শ্ৰীকৃষ্ণৰ লীলাৰ বিচিত্ৰ বৰ্ণনাৰ মাজেৰে এক সুগভীৰ আধ্যাত্মিক ভাৱ প্ৰকাশ কৰিছে। গীতটোৱে কেৱল আধ্যাত্মিকতাকেই নহয়, শ্ৰীকৃষ্ণৰ চৰিত্ৰৰ প্ৰতি থকা দাস্য আৰু বাৎসল্য ভক্তিৰো এক অনন্য নিদৰ্শন দাঙি ধৰে।

মাধৱদেৱৰ শান্ত ৰসযুক্ত বৰগীতৰ এটি উল্লেখযোগ্য উদাহৰণ হ'ল হৰি হেৰৱে বাপ পশিলো শৰণে। ইয়াত "কৃপা কৰা নাৰায়ণ ছোড় মোহ পাশ"- এই ঘোষাটোৱে মোহেৰে ভৰা সংসাৰৰ পাশবোৰ চিঙি পেলোৱা আৰু ভগৱানৰ চৰণত শৰণ লোৱাৰ বাবে এক শান্ত আৰু আধ্যাত্মিক অনুৰোধ প্ৰকাশ কৰে। মাধৱদেৱে বৰগীতটিত মাতৃ যশোদা আৰু পুত্ৰ শ্ৰী কৃষ্ণৰ সম্পৰ্কৰ বৰ্ণনা কৰাৰ লগতে কৃষ্ণৰ ঐশ্বৰিক ৰূপ আৰু মাহাত্ম্যৰ কথাও প্ৰকাশ কৰিছে। সিদ্ধ মুনি, ঋষিসকলে বহু ধ্যান, বহু সাধনাৰ পাছতো যিজন ভগৱান কৃষ্ণক বিচাৰি নাপায়, যশোদাই সেইজনকে পুত্ৰৰূপে লাভ কৰি কোলাত লৈ মৰম কৰিব পাৰিছে কেৱল পৰম ভক্তিৰ ফলত। ইয়াৰ মাধ্যমেৰে, কবিয়ে ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি ভগৱান যে ভক্তৰ অধীন সেইকথা স্পষ্ট ৰূপত প্ৰকাশ কৰিছে।

# মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ সমন্বিতে
# বৰনাৰায়ণপুৰৰ আতাপুৰুষ সকল

কুমুদ শইকীয়া

অসমৰ জাতীয় জীৱন আৰু সভ্যতা সংস্কৃতিৰ ইতিহাসত ঐতিহ্যপূৰ্ণ বৰ নাৰায়ণপুৰ অঞ্চলৰ এক সুকীয়া মৰ্য্যদা আছে। বিশেষকৈ নৱবৈষ্ণৱ আন্দোলনৰ সময়চোৱাত ধৰ্মীয় আধ্যাত্মিক চেতনাৰে অসমৰ ভাষা, সাহিত্য, সংস্কৃতিলৈ অমূল্য অৱদান আগবঢ়াই থৈ যোৱা বহুকেইগৰাকী সন্ত পুৰুষৰ জন্ম হৈছিল পৱিত্ৰ বৰ নাৰায়ণপুৰ অঞ্চলত। প্ৰবল প্ৰতিকূল পৰিৱেশ-পৰিস্থিতিৰ মাজত থাকিও এই সকল বৰ নাৰায়ণপুৰীয়া সন্তপুৰুষে সমগ্ৰ অসমৰ শৈক্ষিক তথা বৌদ্ধিক আন্দোলনৰে নেতৃত্ব প্ৰদান কৰিছিল। উল্লেখনীয় যে, ভাৰতীয় সভ্যতা তথা জাতীয় জীৱনৰ যিবিলাক বৈষ্ণৱ যুগত বৃহত্তৰ বৰ নাৰায়ণপুৰ অঞ্চল অসমৰ আধ্যাত্মিক সংস্কৃতিৰ বৰঘৰৰূপে পৰিগণিত হৈছিল। পৰৱৰ্তীকালত বাৰ বৈষ্ণৱৰ জন্মস্থানৰূপে সুখ্যাতি অৰ্জন কৰা বৰনাৰায়ণপুৰ অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰিয় শিষ্য 'বঢ়াৰ পো' মহাপুৰুষ মাধৱদেৱকে ধৰি প্ৰায় কুৰি গৰাকী বৈষ্ণৱ সন্তপুৰুষৰ জন্মস্থান আছিল। সেইসকল মহান বৰনাৰায়ণপুৰীয়া ভিতৰত মহাপুৰুষ শ্ৰীমাধৱদেৱৰ জন্ম হৈছিল ১৪৪৯ খৃষ্টাব্দত উজীৰৰ টোল ৰঙাজান লেতেকুপুখুৰী অঞ্চলত। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ জন্ম হৈছিল ১৫৫৩ খৃষ্টাব্দত নাৰায়ণপুৰৰ বিষ্ণু বালিকুঞ্চি গাঁৱত। আন এগৰাকী মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ আৰু শ্ৰীশ্ৰী বদলাপদ্ম আতাৰ জন্ম হৈছিল শক্ৰাহী গাৱঁত। বাকী আতাপুৰুষ সকল আছিল ক্ৰমে- ৰামদাস আতা, কেশৱচৰণ আতা, হৰিচৰণ আতা, নাৰায়ণ আতা, লক্ষ্মীকান্ত আতা, বংশীগোপালদেৱ, ৰামচন্দ্ৰ আতা, ৰত্নাকৰ কন্দলি, ৰামানন্দ, ৰামচৰণ ঠাকুৰ, গোবিন্দ মিশ্ৰ আদি। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰকৃত উত্তৰাধীকাৰী মহাপুৰুষ মাধৱদেৱ আছিল অসমীয়া ভাষা, সাহিত্য, ধৰ্ম সংস্কৃতিৰ সুউচ্ছ সৌধস্বৰূপ। এইজনা বৰনাৰায়ণপুৰীয়া মহানপুৰুষৰ সাহিত্যক জীৱনৰ কীৰ্তিস্তম্ভ হ'ল 'নামঘোষা'। তেওঁ বহু সংখ্যক কালজয়ী বৰগীত, ভটিমা, নাট (ঝুমুৰা, দধিমথন, চোৰধৰা, পিম্পৰা গুচোৱা, ভোজন বেহাৰ, ভূমি লেটোৱা) আদি ৰচনা কৰি জাতীয় সাহিত্য, সংস্কৃতিৰ ভঁৰাল চহকী কৰি থৈ গৈছে। ধমীয় দৰ্শনক আগত ৰাখি আমোদ প্ৰমোদৰ মাজেৰে গণ শিক্ষা প্ৰদান কৰাই আছিল তেওঁৰ সাহিত্য কৃতিৰ মূল উদ্দেশ্য। আজি তেনে এগৰাকী মহান বৈষ্ণৱ গুৰুৰ ৫৩৫ সংখ্যক আৰ্বিভাৱ মহোৎসৱত অংশ ল'বলৈ পাই নিজে কৃতাৰ্থ অনুভৱ কৰিছো। এইখিনিতে আপোনালোকক জনাবলৈ পাই বৈষ্ণৱ যুগত বৃহত্তৰ বৰ নাৰায়ণপুৰ অঞ্চল অসমৰ আধ্যাত্মিক শিক্ষা-সংস্কৃতিৰ বৰঘৰ স্বৰূপে পৰিগণিত হৈছিল। পৰৱৰ্তী কালত বাৰবৈষ্ণৱৰ জন্মস্থানৰূপে সুখ্যাতি অৰ্জন কৰা বৰ নাৰায়ণপুৰ অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষ শ্ৰীশংকৰদেৱৰ প্ৰিয়শিষ্য 'বঢ়াৰ পো' মহাপুৰুষ মাধৱদেৱকে ধৰি প্ৰায় কুৰিগৰাকী বৈষ্ণৱ সন্তপুৰুষৰ জন্মভূমিৰ গৰিমাৰে গৰিমান্বিত হৈ পৰে। তাৎপৰ্য্যপূৰ্ণভাৱে মন কৰিব লগীয়া যে, মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ ধৰ্মীয় আন্দোলন তথা নব্য জনজাগৰণ সবল আৰু শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত যি সকল আতা পুৰুষে পূৰ্ণ সহযোগিতা আগবঢ়াই গৌৰৱময় ইতিহাস ৰচনা কৰি থৈ গ'ল সেইসকলৰ অধিকাংশৰে জন্ম হৈছিল লখিমপুৰ জিলাৰ বৰ নাৰায়ণপুৰ অঞ্চলত। যি পৰিঘটনা সমগ্ৰ দেশৰ ভিতৰতেই বিৰল আৰু একক হিচাপে চৰ্চিত হৈ আহিছে। সেই সকল প্ৰগতিশিল চিন্তাৰ ধ্বজাধাৰী তথা সমাজ সংস্কাৰক সন্ত-আতাপুৰুষৰ বিষয়ে যৎকিঞ্চিত আলোচনা—

**শ্ৰীশ্ৰীমাধৱদেৱ ঃ** নৱ বৈষ্ণৱ আন্দোলনৰ পুৰোধা ব্যক্তি তথা মহান সমাজ সংস্কাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জ্ঞানামেষি যাত্ৰাৰ বিশ্বস্ত সংগী আছিল মহাপুৰুষ শ্ৰীমাধৱদেৱ। দুয়োজনা গুৰুৰ মণিকাঞ্চন সংযোগ আছিল অসমৰ সমাজ তথা জাতীয় জীৱনৰ বাবে এক গুৰুত্বপূৰ্ণ পৰিঘটনা। বৰ নাৰবায়ণপুৰৰ বহুমূখী প্ৰতিভাৰ সুযোগ্য সন্তান শ্ৰীমাধৱদেৱৰে সংযোগ নঘটা হ'লে হয়তো শ্ৰী শংকৰদেৱৰ সমাজমুখী বৈষ্ণৱ আন্দোলনে ইমান ব্যাপক ৰূপত প্ৰসাৰতা লাভ নকৰিলেহেতেন। পিতৃ লামকণা বাগোবিন্দগিৰি সপত্নীক বৰ নাৰায়ণপুৰৰ বালিগাৱঁত হিৰশিঙা বৰা উজীৰৰ টোলত থাকোতেই ১৪১১ শকত(খৃঃ ১৪৮৯) মাধৱদেৱৰ জন্ম হয়। বিভিন্ন প্ৰতিকূলতাৰ মাজেৰে মাধৱদেৱ ডাঙৰ হৈ অহাৰ লগে লগে পিতৃ গোবিন্দগিৰিয়ে উজীৰৰ টোল ত্যাগ কৰি লেতেকু পুখুৰীৰ পাৰত বাস কৰিবলৈ লয়। পৰৱৰ্তী সময়ত শ্ৰীমন্ত শংকৰদেৱৰ সান্নিধ্যত মাধৱদেৱে পৰম জ্ঞান লাভ কৰি নিজৰ বিশাল পাণ্ডিত্য আৰু প্ৰতিভাৰে অসমৰ সমাজ, সাহিত্য আৰু আধ্যাত্মিক জগতলৈ অতুলনীয় অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ 'ৰামায়ণৰ আদিকাণ্ড' আৰু 'ৰাজসূয় কাব্য' আদি আখ্যানমূলক, 'নামঘোষা'ৰ দৰে গভীৰ আধ্যাত্মিক গ্ৰন্থ, ১৯ টি ৰাগত ১৫ টি বৰগীত, ভটিমা, জন্ম ৰহস্য, নামমালিকা আদি তত্ত্বমূলক সাহিত্য, ভক্তি ৰত্নাৱলী আদি অনুবাদ গ্ৰন্থৰ উপৰি দধিমঠন, চোৰধৰা, পিম্পৰাগুছোৱা, ভোজন বেহাৰ, ভূমিলেটোৱা আদি অঙ্কীয়া নাট(ঝুমাৰা) লিখি জাতীয় সাহিত্য- সংস্কৃতিৰ ভঁৰাল চহকী কৰি থৈ গৈছে। কথা গুৰু চৰিতৰ মতে শংকৰদেৱৰ ৭৫ বছৰ আৰু মাধৱদেৱৰ ৩২ বছৰ কালত মাজুলীৰ ধুৱাহাট বেলগুৰি সত্ৰত দুজনা গুৰুৰ সাক্ষাৎ হৈছিল। বহুমুখী প্ৰতিভাৰ ব্যক্তিত্ব মাধৱদেৱে গুৰু শংকৰদেৱৰ পৰা ধৰ্ম প্ৰচাৰৰ গধুৰ দায়িত্ব মুৰ পাতি লৈ অসমৰ অঞ্চলবিশেষে বিভিন্নজন সন্ত পুৰুষক ধৰ্মভাৰ দি ধৰ্ম প্ৰচাৰ কাৰ্য্যত শক্তিশালীৰূপত আগবঢ়াই নিছিল। মাধৱদেৱৰ আজ্ঞাপৰ গুৰুসকল হৈছে - পুৰোযোত্তম ঠাকুৰ (ভানিয়া সত্ৰ), মথুৰাদাস বুঢ়াআতা (বৰপেটা), গোপালআতা (কালজৰা সত্ৰ), পদ্মআতা (বদুলা আৰু কমলাবাৰী সত্ৰ), সুন্দৰীগিয়াৰ কামচৰণ আতা, চুৰুৱাবাহীৰ বংশীগোপাল আতা আৰু মাহৰাৰ যদুমণি আতা। এই সকল আতাপুৰুষৰ উপৰিও বৰবিষ্ণু আতা, গোপাল বা পৰিয়া আতৈ, লক্ষীকান্ত আতৈ, আৰু গোবিন্দ আতৈক ধৰ্মধিকাৰৰ গুৰুদায়িত্ব দি কেউদিশে ধৰ্ম প্ৰচাৰ অভিজান ক্ষিপ্ৰ আৰু শক্তিশালী কৰি তুলিছিল। গুৰু ভক্তি তথা গুৰু সেৱাৰ বিৰল আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ যোৱা মহাপুৰুষ মাধৱদেৱে শ্ৰীশংকৰদেৱৰ বিশাল ব্যক্তিত্বৰ ওচৰত নতজানু হৈ থকাৰ বাবেই মাধৱদেৱৰ বিশাল প্ৰতিভা বহু পৰিমাণে উদ্ভাসিত নোহোৱাকৈ থাকি গ'লেও শ্ৰীশংকৰদেৱৰ বৈষ্ণৱ আন্দোলন সুদৃঢ় আৰু শক্তিশালী কৰি তুলা মূল ব্যক্তিজন আছিল প্ৰকৃততে বৰ নাৰায়ণপুৰীয়া সন্তান শ্ৰীমাধৱদেৱহে।

**বদলা পদ্মআতা ঃ** বৰ নাৰায়ণপুৰীয়া সন্তান শ্ৰীমাধৱদেৱৰ সংযোগ অবিহনে মহাপুৰুষ শংকৰদেৱৰ বাবে বৈষ্ণৱ আন্দোলন যিদৰে সহজসাধ্য হৈ নুঠিলহেঁতেন, সেইদৰে আন এজন বৰ নাৰায়ণপপুৰীয়া বদলা পদ্মআতা অবিহনেও শ্ৰীমাধৱদেৱৰ গুৰু আজ্ঞা ধৰ্মপ্ৰচাৰ কাৰ্য সহজসাধ্য হৈ নুঠিলহেঁতেন। শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ পাছতেই যি গৰাকী সমাজসংস্কাৰক আৰু ধৰ্মাচাৰ্যই বৈষ্ণৱ গুৰুৰ স্থান অধিকাৰ কৰি আহিছে সেই গৰাকীয়েই হৈছে শ্ৰীমাধৱদেৱে 'উজনীয়া বাপুঘৰ' নামেৰে অভিহিত কৰা শ্ৰীশ্ৰী বদলা পদ্মআতা। যিগৰাকী আতা পুৰুষে মাধৱদেৱৰ সাৰ বদলেৰে ধৰ্মভাৰ গ্ৰহণ কৰি উজনি অসমত অতি দক্ষতাৰে ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। সেইগৰাকী সন্তপুৰুষ শ্ৰীবদলাপদ্ম আতাৰ ১৫৪৬ খৃঃ ত নাৰায়ণপুৰৰ শক্ৰাহী গাঁৱত জন্ম হৈছিল। পিতৃ তিতা চোমদাৰ আৰু মাতৃ সত্যা আই। বদলা পদ্মআতাৰ বিশেষ সাহিত্যকৃতি নাথাকিলেও এগৰাকী সু-দক্ষ সমাজ সংগঠক তথা আধ্যাত্মিক গুৰু হিচাপে সেই সময়ৰ বিভিন্ন কু-সংস্কাৰেৰে ভৰা উজনি অসমত অতি জটিল পৰিস্থিতিকো প্ৰতিহত কৰি গুৰু আজ্ঞা শিৰত লৈ সমাজ সংস্কাৰ তথা বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ বদলা সত্ৰ, কমলাবাৰী সত্ৰ আদি সত্ৰ প্ৰতিষ্ঠা কৰি শংকৰী কৃষ্টি-সংস্কৃতিৰ অধ্যয়ণ, অনুশীলন আৰু ব্যৱহাৰিক গৱেষণাৰ দ্বাৰা এক আধ্যাত্মিক পৰিৱেশ ৰচনা কৰি অসমীয়া জাতিৰ গৰিমাক লোক সমাজত আলোচিত কৰি গুৰু আজ্ঞা নিতোল ৰূপত প্ৰতিষ্ঠা কৰি থৈ গ'ল।



**শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ঃ** বিভিন্ন কু-সংস্কাৰ আৰু অনাচৰী কাৰ্যকলাপে আমাৰ জাতীয় জীৱন যি সময়ত তিমিৰাচ্চন্ন কৰি তুলিছিল সেই সময়ত সমাজ সংস্কাৰৰ অগ্ৰদূত হিচাপে যিসকল বৰ নাৰায়ণপুৰীয়া সন্ত পুৰুষে যুগান্তকাৰী অৱদান আগবঢ়াই থৈ গৈছিল সেইসকলৰ ভিতৰত অন্যতম আছিল পণ্ডিত তথা ধৰ্ম প্ৰচাৰক আধ্যাত্মিক গুৰু শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ। ভৱানীপুৰীয়া গোপাল আতাৰ প্ৰিয় শিষ্য সকলৰ ভিতৰত অন্যতম আছিল অনিৰুদ্ধদেৱ। বৰ্তমান লখিমপুৰৰ ধলপুৰৰ বিষ্ণুৱালিকুঞ্চি (পূৰ্বৰ নাৰায়ণপুৰৰ বালি গাঁও) ত মায়ামৰা সম্প্ৰদায়ৰ ধৰ্মীয়গুৰু অনিৰুদ্ধদেৱৰ ১৪৭৫ শক (খৃীঃ ১৫৫৩)ত জন্ম হৈছিল। অনিৰুদ্ধদেৱৰ পিতৃৰ নাম গোগুাগিৰি আৰু মাতৃৰ নাম আছিল আজলী। ভাগৱতৰ প্ৰথম স্কন্ধৰ আত্ম পৰিচয়ত উল্লেখ কৰিছে এইদৰে—

> "লোহিত উত্তৰ কাষৰে
> প্ৰকাশে নাৰায়ণপুৰ
> বন্ধ।
> তাৰ মধ্য ভাগে মাজৰ তালুক কহিু কত মহত্ব।।
> তাৰ অন্তৰ্গত বিষ্ণুৱালিকুঞ্চি ভৈলেক গ্ৰাম বিশেষ।
> শংকৰ-মাধৱ উপাসা কৰিয়া আছিলে ভক্ত অশেষ।।"

অনিৰুদ্ধদেৱে কাল সংহতিৰ প্ৰৱৰ্ত্তক ভৱানীপুৰীয়া গোপাল আতাৰ লগত চাৰি বছৰ থাকি পিছত পিচলা নৈৰ পাৰত ধলপুৰৰ বিষ্ণুৱালিকুঞ্চি গাঁৱত ১৬২০ খৃীঃত বিষ্ণুৱালিকুঞ্চি সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰত পাঁচবছৰ কাল থকাৰ পিছত ডফলাৰ উপদ্ৰপৰ বাবে থাকিব নোৱাৰি বৰ্তমানৰ মৌজাৰ খৰা অঞ্চলত 'নাহৰআতি' সত্ৰ প্ৰতিষ্ঠা কৰে। অনিৰুদ্ধদেৱে 'ভাগৱতৰ পঞ্চম স্কন্ধ' আৰু 'চতুৰ্থ স্কন্ধ'ৰ পুৰঞ্জন উপাখ্যানক কিছু অংশ অনুবাদ কৰাৰ উপৰিও 'ভক্তি মঙ্গল' নামৰ এখন মৌলিক গ্ৰন্থ আৰু ন-কুৰি আধ্যাত্মিক গীত ৰচনা কৰি অসমীয়া সাহিত্য ভাণ্ডাৰলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে।

**বংশীগোপালদেৱ ঃ** বৰ নাৰায়ণপুৰ অঞ্চলৰ আন এগৰাকী প্ৰতিভাধৰ সন্তান তথা পণ্ডিত আৰু ধৰ্ম প্ৰচাৰক হ'ল বংশীগোপালদেৱ। বংশীগোপালদেৱৰ পিতৃৰ নাম বলোভদ্ৰ ধৰ্মাই বা বলদেৱ আৰু মাতৃৰ নাম যমুনা। পূৰ্বৰ বৰনাৰায়ণপুৰৰ অন্তৰ্গত তথা বৰ্তমান শোণিতপুৰ জিলাৰ কলাবাৰীৰ ওচৰৰ মালীপুৰত ১৫৪৮ খৃীঃত শ্ৰীবংশীগোপালদেৱৰ জন্ম হয়। সৰুৰে পৰা আধ্যাত্মিক জ্ঞানৰ অধিকাৰ ব্ৰাহ্মণ শ্ৰীবংশীগোপালদেৱে মাধৱদেৱৰ ওচৰত শৰণ লৈ ধৰ্ম প্ৰচাৰত ব্ৰতী হয়। বংশীগোপালদেৱে গুৰু আজ্ঞা শিৰতলৈ কাঁহিকুচী, কলাবাৰী আৰু নাৰায়ণপুৰৰ দেবেৰাপাৰত থান প্ৰতিষ্ঠা কৰি আধ্যাত্মিক তত্ত্ব প্ৰচাৰ কৰাৰ উপৰিও কুৰুৱাবাহী সত্ৰও প্ৰতিষ্ঠা কৰে। সামুহিক গোড়ামিৰে ভৰি থকা এখন সাক্তপন্থী সমাজত থাকিও ব্ৰাহ্মণ বংশীগোপালদেৱ নৱ বৈষ্ণৱ আন্দোলনৰ চিন্তা-চৰ্চাৰে প্ৰভাৱিত হৈ মাধৱদেৱৰ পৰা ধৰ্মবস্তু গ্ৰহণ কৰি সেই বান্দী সমাজৰ কল্যাণৰ বাবে প্ৰচাৰ, অধ্যয়ণ আৰু চৰ্চাত ব্ৰতী হোৱাতো এক আধুনিক মনৰ ব্যক্তিত্ব হিচাপে পৰিগণিত হৈ আহিছে।

**ৰামদাস আতা ঃ** বৰ নাৰায়ণপুৰৰ আন এগৰাকী কৃতী সন্তান তথা আধ্যাত্মিক গুৰু হ'ল ৰামদাস আতা। সৰুৰে পৰাই আধ্যাত্মিক চিন্তাৰ অধিকাৰী ভূঞাকুলৰ খঢ়াপাণিয়ে শ্ৰীশংকৰদেৱক ধৰ্মীয় দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ শংকৰদেৱৰ ওচৰত শৰণ লৈ ৰামদাস আতা নাম লয়। ৰামদাস আতাই মাধৱদেৱৰ ভনীয়েক উৰ্বশীক বিবাহ কৰিছিল। তেওঁলোকৰ সু-যোগ্য সন্তান ৰামচৰণ ঠাকুৰে গুৰু চৰিত ৰচনা কৰাৰ উপৰিও ভক্তি ৰত্নাৱলীৰ অসমীয়া অনুবাদ কৰি অসমৰ সাহিত্যৰ ভৰাঁল চহকী কৰি থৈ গৈছে।

**যদুমণিদেৱ (সৰু যদুমণি) ঃ** গুৰু ধৰ্ম প্ৰচাৰত ব্ৰতী হোৱা আন এগৰাকী পণ্ডিত আতা পুৰুষ হ'ল যদুমণিদেৱ বা সৰু যদুমণি। এই গৰাকী আতাপুৰুষৰ নাৰায়ণপুৰৰ সাউকুচী গাঁৱত ১৫৩৮ খৃীঃত জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম মাধৱান্দ ভূঞা আৰু মাতৃৰ নাম শিৰিষী দেৱী। যদুমণিদেৱ পদ্মআতাৰ সম্বন্ধীয় ভাগিনীয়েক। গোপাল আতাৰ দুগৰাকী আচাৰ্য্যৰ নামো যদুমণি। সেই বাবে এই যদুমণিদেৱক সৰু যদুমণি বুলিও কোৱা হয়। পদ্মআতাই মাধৱ পুৰুষক সাক্ষাৎৰ বাবে কোচ বিহাৰলৈ যাঁওতে যদুমণিদেৱো তেঁওৰ লগত গৈছিল। মাধৱদেৱ বৈকুণ্ঠগামী হোৱাৰ পিছত ঠাকুৰ আতাই তেঁওক ভৱানীপুৰলৈ নি গোপাল আতাৰে সাক্ষাৎ কৰাই দিয়ে। যদুমণিদেৱে গোপাল আতাৰ ওচৰত শৰণ লৈ বাৰ বছৰ কাল গোপাল আতাৰ লগত থাকি মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কাৰৰ অন্তত অজলা সত্ৰ স্থাপন কেৰ। কাল সংহতিৰ গোপালদেৱৰ শিষ্য তথা মাজুলী অজলা সত্ৰৰ প্ৰতিষ্ঠাপক সৰু যদুমণিদেৱৰ ১৫৭০ শকত পৰলোকপ্ৰাপ্তি হয়।

**বৰ যদুমণিদেৱ ঃ** বৈষ্ণৱ ধৰ্ম প্ৰচাৰ প্ৰসাৰৰ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা বৰ নাৰায়ণপুৰীয়া সন্ত পুৰুষ সকলৰ ভিতৰত বৰ যদুমণিদেৱ অন্যতম। গোপাল আতাৰ আজ্ঞাপৰ বাৰাগৰাকী ধমাৰ্চাৰ্য্যৰ ভিতৰত অন্যতম বৰ আতা যদুমণিদেৱৰ জন্ম হয় ১৪৮৬ শকত। তেওঁৰ পিতৃ বৈকুণ্ঠ ভূঞা আৰু মাতৃ জাহ্নবী। দেবেৰাপাৰত বংশীগোপালদেৱৰ লগত ছমাহ কাল থাকি ধৰ্ম প্ৰচাৰ কৰাৰ পাছত তেওঁ বৰপেটালৈ গৈ ঠাকুৰ আতাৰ লগত কিছুদিন থাকে। পৰৱৰ্তী সময়ত তেওঁ ভৱানীপুৰলৈ গৈ গোপাল আতাৰ ওচৰত ধৰ্ম বস্তু গ্ৰহণ কৰি মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰত ব্ৰতী হয়। এইজনা ধৰ্মাচাৰ্য্য বৰ যদুমণিদেৱৰ ১৫৪০ শকত বৈকুণ্ঠগামী হয়।

**নাৰায়ণ আতা ঃ** নাৰায়ণপুৰৰ সাউকুছি গাৱঁত জন্ম গ্ৰহণ কৰা বৈষ্ণৱ ধৰ্ম-সংস্কৃতিৰ অন্যতম প্ৰচাৰক নাৰায়ণ আতা সৰুৰে পৰা গুৰুজনাৰ ধৰ্মীয় দৰ্শনৰ প্ৰতি আকৃষ্ট হয়। পৰৱৰ্তী সময়ত গোপাল আতাৰ পৰা ধৰ্ম বস্তু গ্ৰহণ কৰি আধ্যাত্মিক শিক্ষাৰ লগতে গীত-মাত, নৃত্যৰ শিক্ষাও গ্ৰহণ আৰু পিছত উজনিত ধৰ্ম প্ৰচাৰত জড়িত হৈ পৰে। এই সময়ছোৱাতেই তেওঁ বিহপুৰীয়াৰ বদতি অঞ্চলত দহঘৰীয়া সত্ৰ প্ৰতিষ্ঠা কৰে।

**কেশৱচৰণ আতা ঃ** বৰ নাৰায়ণপুৰৰ বাৰ গৰাকী আতা পুৰুষৰ ভিতৰত অন্যতম কেশৱচৰণ আতাৰ জন্ম হৈছিল ১৪৬৫ শকত লখিমপুৰ জিলাৰ পশ্চিমাঞ্চলৰ ভাটৌকুছি গাৱঁত। এইগৰাকী ধৰ্মাচাৰ্য্য কেশৱচৰণ আতাই মহাপুৰুষ মাধৱদেৱ আৰু পদ্মআতাৰ মিলনৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ ভূমিকা পালন কৰিছিল। তেওঁৰ পিতৃৰ নাম আছিল ভয় নাৰায়ণ আৰু মাতৃৰ নাম আছিল চিত্ৰমালী। গুৰু মাধৱদেৱৰ প্ৰিয়শিষ্য কেশৱচৰণ আতাই নগাঁৱৰ বৰজহা আৰু জন্মস্থান ভাটৌকুছিত থান প্ৰতিষ্ঠা কৰি ধৰ্মপ্ৰচাৰত ব্ৰতী হৈছিল। এইগৰাকী আতাপুৰুষৰ ১৫৮৭ শকত পৰলোকপ্ৰাপ্তি ঘটে।

**শ্ৰীৰাম আতা ঃ** বৰ নাৰায়ণপুৰীয়া সন্ত আতাপুৰুষ সকলৰ ভিতৰত শ্ৰীৰাম আতা অন্যতম। লখিমপুৰ জিলাৰ ধলপুৰ মৌজাৰ বালিগাঁৱত জন্ম গ্ৰহণ কৰা শ্ৰীৰাম আতাৰ পিতৃৰ নাম গোবিন্দ মিশ্ৰ। এগৰাকী বিদগ্ধ বৈষ্ণৱ পণ্ডিত শ্ৰীৰাম আতাই মাজুলীৰ আহঁতগুৰি সত্ৰ প্ৰতিষ্ঠা কৰিছিল। ভৱানীপুৰৰ গোপাল আতাৰ ওচৰত শৰণ লৈ ধৰ্ম প্ৰচাৰত ব্ৰতী হোৱা শ্ৰীৰাম আতাৰ ১৫৮৮ শকত পৰলোকগামী হয়।

**পুৰোযোত্তম আতা ঃ** বৰ নাৰায়ণপুৰত জন্ম গ্ৰহণ কৰা আন এগৰাকী বৈষ্ণৱ পণ্ডিত তথা ধৰ্ম প্ৰচাৰক হ'ল শ্ৰী পুৰোযোত্তম আতা। ভৱানীপুৰলৈ গৈ গোপাল আতাৰ ওচৰত ধৰ্ম বস্তু গ্ৰহণ কৰা পুৰোযোত্তম আতাই ১৫৭২ শকত মাকোৱাৰীত কাঠপাৰ সত্ৰ স্থাপন কৰিছিল। অৱশ্যে বিভিন্ন প্ৰতিকূলতাৰ পৰিপ্ৰেক্ষিতত এই সত্ৰখনৰ অস্তিত্ব বৰ্ত্তমান পাবলৈ নাই।

**ৰত্নাকৰ কন্দলি ঃ** বৈষ্ণৱ ধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ আন এগৰাকী সন্ত পণ্ডিত আছিল ৰত্নাকৰ কন্দলি। ৰক্ষণশীল পণ্ডিত ৰত্নাকৰ কন্দলি প্ৰথম অৱস্থাত বৈষ্ণৱ ধৰ্মৰ ঘোৰবিৰোধী আছিল যদিও শ্ৰীশংকৰদেৱ ধুৱাহাট বেলগুৰি সত্ৰত থকাৰ সময়ত গুৰুজনাৰ পাণ্ডিত্য আৰু ধৰ্মীয় দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ শ্ৰীশংকৰদেৱৰ ওচৰত শৰণ লয়। গীতা শাস্ত্ৰত অগাধ পাণ্ডিত্য থকা ৰত্নাকৰ কন্দলিয়ে 'সহস্ৰনাম বৃতান্ত', 'ব্ৰহ্ম গীতা', 'গীতা কীৰ্ত্তন' আদি গুৰুত্বপূৰ্ণ বৈষ্ণৱ সাহিত্য ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

**কলাপচন্দ্ৰ মহন্ত ঃ** মহাপুৰুষ গুৰু দুজনাৰ ধৰ্মীয় দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ বৈষ্ণৱ ধৰ্মত শৰণ লোৱা কলাপচন্দ্ৰ মহন্তই ভাগৱতৰ চতুৰ্থ স্কন্ধৰ তৃতীয়ৰ পৰা সপ্তম অধ্যায়লৈ অনুবাদ কৰিছিল। কলাপচন্দ্ৰৰ নাতি গোবিন্দ মিশ্ৰই অসমীয়াত পদ-গীত ৰচনা কৰি অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভঁড়াল চহকী কৰি থৈ গৈছে।

**হৰিদেৱ ঃ** আন এগৰাকী কৃতি নাৰায়ণপুৰীয়া সন্তান হৰিদেৱৰ ১২২৬ খৃীঃ ত জন্ম হয় নাৰায়ণপুৰৰ শক্ৰাহী গাঁৱত। পিতৃৰ নাম অজনাভ আৰু মাতৃৰ নাম পাৰিজাতি। পিতৃৰ তত্ত্বাৱধানত সংস্কৃত তোলত অধ্যয়ন কৰা হৰিদেৱ পিছলৈ পাটবাউসীলৈ গৈ শংকৰদেৱক গুৰু মানি লৈ মানেৰী সত্ৰ প্ৰতিষ্ঠা কৰে। এগৰাকী সংস্কৃত পণ্ডিত হিচাপে পাণ্ডিত্য আহৰণ কৰা হৰিদেৱ গীতা, ভাগৱত, বিবিধ পুৰাণ আদিতো অগাধ জ্ঞানৰ অধিকাৰী আছিল। অৱশ্যে পৰৱৰ্তী সময়ত ব্ৰাহ্মণ্যবাদী ধ্যান-ধাৰণাৰ পোষকতা কৰিলেও এইজনা নাৰায়ণপুৰীয়া পণ্ডিত হৰিদেৱৰ নাম আজিও স্মৰণীয় হৈ আছে।

সহায়ক গ্ৰন্থঃ

১) কথা গুৰু চৰিত - উপেন্দ্ৰ চন্দ্ৰ লেখাৰু
২) বাৰ বৈষ্ণৱ স্থান নাৰায়ণপুৰ আৰু ইয়াৰ সন্তপুৰুষ সকল - শিৱ শৰ্মা
৩) পৱিত্ৰ নাৰায়ণপুৰ - চন্দ্ৰ হাজৰিকা
৪) প্ৰসংগ-মাধৱদেৱ - অসম সাহিত্য সভাৰ নাৰায়ণপুৰ অধিৱেশনৰ স্মাৰক গ্ৰন্থ, মুখ্য সম্পাদকঃ কুমুদ শইকীয়া
৫) পদ্ম সুৱাস - শ্ৰীশ্ৰী বদলা পদ্ম আতাৰ ৪৬৯ তম জন্মজয়ন্তীৰ স্মৰণিকা
৬) অসম বুৰঞ্জীৰ প্ৰেক্ষাপটত ঐতিহ্যমণ্ডিত নাৰায়ণপুৰ আৰু অন্যান্য - পদ্ম বৰা
৭) হৰিদেৱজ্যোতি - স্মৃতিগ্ৰন্থ, উত্তৰপূৰ হৰিদেৱ সংঘৰ ৪৪ তম গুৱাহাটী অধিৱেশন, ২০২১ খ্ৰীষ্টাব্দ

## বড়োভূমিত আগ্ৰাসী ৰূপত

ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে বিটিচি অঞ্চলৰ বিকাশ আৰু ৰাইজৰ অধিকাৰৰ কথা তুলি ধৰিলে। তেওঁ কয় যে ২০০৩ চনত বিটিচি গঠন হোৱাৰ পিছৰ পৰা এই অঞ্চলৰ লোকসকলে বিপিএফ আৰু ইউপিপিএল দলকো পৰীক্ষা কৰি চাইছে, কিন্তু যোৱা বিটিআৰ নিৰ্বাচনত ৰাইজে বিজেপিক নখনকৈ আসনত জয়লাভ কৰাইছে। এইবাৰ বিজেপিয়ে বিটিচিৰ সকলো জিলাতে প্ৰতিদ্বন্দ্বিতা কৰি আছে আৰু ৰাইজৰ আশীৰ্বাদ লাভ কৰিলে এই অঞ্চলত বিজেপি চৰকাৰ গঠন কৰি অসমৰ দৰে বিকাশৰ পথত আগুৱাই নিব বিচাৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিলে যে অসমত সকলো শ্ৰেণীৰ লোকে ভূমিপট্টা লাভ কৰি আগবাঢ়িছে, কিন্তু বিটিআৰ অঞ্চলত এতিয়াও ভূমিৰ সমস্যাই ৰাইজক শংকাত পেলাইছে, আনকি বিটিচি গঠনৰ আগৰ পৰা থকা লোকসকলো নিৰাপত্তাহীনতাত ভুগি আছে। তেওঁ আশ্বাস দিলে যে অসম চৰকাৰে বিটিচিক যথেষ্ট অৰ্থ সাহায্য দিয়াৰ পিছতো যিবোৰ সমস্যা সমাধান হোৱা নাই, সেইবোৰক বিজেপি চৰকাৰে সমাধান কৰি এই অঞ্চলত বাস কৰা ২৬টা জনগোষ্ঠীক সমান অধিকাৰ দিব আৰু সকলোকে একেলগে আগুৱাই লৈ যাব। মুখ্যমন্ত্ৰীগৰাকীয়ে সমালোচনা কৰিলে যে বিটিচিত অৰুণোদয় আচনি, চৰকাৰী ঘৰ বা ৰেচন সামগ্ৰী পাবলৈ ভিচিডিচিক টকা দিবলগীয়া হয়, যিটো এক অন্যায় ব্যৱস্থা, আৰু বিজেপি চৰকাৰ আহিলে এইবোৰ সকলো ভিচিডিচিক নিয়ন্ত্ৰণত আনি ৰাইজক স্বচ্ছ সুবিধা প্ৰদান কৰিব। তেওঁ ক'লে যে বিটিচিত বিজেপি চৰকাৰ থকাহেতেন ৰাইজক এই ধৰণৰ শংকাত ভুগিবলগীয়া নহ'লহেতেন, আৰু এইবাৰ বিজেপি চৰকাৰ গঠন হ'লে সকলো সমস্যাৰ পৰা মুক্তি পোৱা যাব। অসমত বিহু, ঝুমুৰ, বাগুৰুম্বা আদি সকলো সংস্কৃতিক পৰম্পৰাক প্ৰসাৰিত কৰাৰ দৰে বিটিচিতো সকলো জনগোষ্ঠীক সমানে আগুৱাই নিব বিচাৰে বুলি তেওঁ ক'লে, কিন্তু বিজেপি চৰকাৰ নথকাৰ বাবে এই অঞ্চলৰ বিকাশ বাধাপ্ৰাপ্ত হৈ আছে। বিপিএফ আৰু ইউপিপিএলক ভোট দিলে পুৰণি অৱস্থাই থাকিব, কিন্তু বিজেপিক এবাৰ ভোট দি চৰকাৰ গঠন কৰিলে কোনো দুখ-কষ্ট নোহোৱাকৈ ৰাইজে জীৱন যাপন কৰিব পাৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে সোঁৱৰাই দিলে যে তেওঁ মুখ্যমন্ত্ৰী হোৱাৰ পিছত বিটিচিত শান্তি প্ৰতিষ্ঠা কৰিছে, অস্ত্ৰশস্ত্ৰ পৰিত্যাগ কৰি যুৱকসকলক ঘৰলৈ ঘূৰাই আনিছে, আৰু এতিয়া প্ৰগতি আৰু বিকাশৰ পাল। দূৰৰ পৰা অন্য দলক সমৰ্থন কৰি থকাত সমস্যা সমাধান নোহোৱা বুলি বুজি পোৱাৰ পিছত এইবাৰ বিটিচিত বিজেপি চৰকাৰ গঠন কৰিলেহে সকলো সমস্যাৰ সমাধান হ'ব বুলি তেওঁ ক'লে। মিনন মোছাহাৰীৰ দৰে প্ৰাৰ্থীসকলক কোকৰাঝাৰলৈ ইএম বা এমচিএলএ হিচাপে পঠিয়াই ৰাইজৰ সমস্যা সমাধান কৰা যাব বুলি আশা প্ৰকাশ কৰিলে। কাইলৈ বিজেপিৰ নিৰ্বাচনী ঘোষণাপত্ৰ মুকলি কৰা হ'ব বুলি জনাই মুখ্যমন্ত্ৰীগৰাকীয়ে ক'লে যে ৰাইজে কেৱল বিটিচিত বিজেপি চৰকাৰ গঠন কৰক, তাৰ পিছত তেওঁ সকলো সমস্যাৰ যত্ন ল'ব, ৰাইজৰ কাম ভোট দিয়া আৰু তেওঁৰ কাম ৰাইজক চিন্তামুক্ত কৰা। তেওঁ বিপিএফ আৰু ইউপিপিএলক সমালোচনা নকৰাকৈয়ে কয় যে ৰাইজে সকলোকে চাইছে, ৰিহন আৰু গোবিন্দক চাইছে, এইবাৰ মিননক চাই লওক আৰু ভোট দিয়ক, তেতিয়াহে একেলগে সকলো সমস্যা সমাধান কৰিব পৰা যাব। ভিচিডিচি নিৰ্বাচন অনুষ্ঠিত কৰি তাত ভাল মানুহক স্থান দিব, দালালসকলক দূৰ কৰিব বুলি আশ্বাস দিলে। অসমত যেনেকৈ পৰিবৰ্তন আহিছে, তেনেকৈ ভৈৰৱকুণ্ড আৰু বিটিচিতো পৰিবৰ্তন হ'ব লাগিব বুলি ক'লে। বিটিচি নিৰ্বাচন শেষ হোৱাৰ দুমাহৰ পিছত বিটিআৰৰ প্ৰতিগৰাকী যোগ্য মহিলাই অৰুণোদয় সুবিধা, মহিলা উদ্যোগিতা, ৰেচন কাৰ্ডত চাউল-দালি-চেনি-নিমখ, টকা নিদিয়াকৈ চাকৰি, নিযুত মইনা আদি আচনি লাভ কৰিব বুলি প্ৰতিশ্ৰুতি দিলে, আৰু আগন্তুক বিটিচিত বিজেপিয়ে চৰকাৰ গঠন কৰিবই বুলি মন্তব্য কৰিলে। সাংবাদিকৰ সন্মুখত মুখ্যমন্ত্ৰীগৰাকীয়ে ক'লে যে বিজেপিয়ে ভৈৰৱকুণ্ডত মিনন মোছাহাৰীৰ দৰে উচ্চপৰ্যায়ৰ প্ৰাৰ্থী দিছে আৰু ৰাইজৰ উৎসাহ দেখি তেওঁ জয়লাভ কৰিব বুলি আশা কৰিছে। অসমৰ বিভিন্ন প্ৰান্তত মাটিৰ সমস্যা সমাধান কৰাৰ দৰে বিটিচিত বিজেপি চৰকাৰ আহিলে সকলোকে লগত লৈ এই সমস্যা সমাধান কৰিব বুলি ক'লে, কাৰণ এতিয়ালৈ বিটিচিত চৰকাৰ নথকাৰ বাবে সমাধান কৰিব পৰা নাই। তেওঁ ক'লে যে সকলো আঞ্চলিক ৰাজনৈতিক দলক একেলগে লৈ কাম কৰাৰ আশা আছিল, কিন্তু পৰিস্থিতি তেনেকুৱা হোৱা নাই, আৰু এইবাৰ ৰাইজে বিজেপিক ভোট দিবলৈ সাজু হৈছে। অসমত যিমান কাম কৰা হৈছে, সিমান কাম বিটিআৰত কৰিলে এই অঞ্চলৰ পৰিৱেশ সম্পূৰ্ণ সলনি হৈ যাব বুলি আশা প্ৰকাশ কৰিলে। আজিৰ এই সভাত উপস্থিত আছিল বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকা, জিলা বিজেপিৰ সভাপতি সুনীল বসুমতাৰী, ভৈৰৱকুণ্ড সমষ্টিৰ বিজেপি প্ৰাৰ্থী মিনন মোছাহাৰীকে ধৰি দলৰ বহু নেতা-কৰ্মী। এই সভাই বিটিচি নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিজেপিৰ প্ৰচাৰত নতুন উদ্দীপনা যোগ কৰিছে।

## বিজেপিৰ আমোলত অসম

তথা নিৰ্বাচন ব্যৱস্থাপনা সমিতিৰ অধ্যক্ষ ৰিপুন বৰাই অহা ১৩ আৰু ১৪ ছেপ্টেম্বৰৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অসম ভ্ৰমণৰ আগমুহূৰ্তত বিজেপি চৰকাৰৰ বিভিন্ন প্ৰতিশ্ৰুতি ভংগ আৰু বিশ্বাসঘাতকতাৰ প্ৰসংগ উল্লেখ কৰি চৰকাৰক তীব্ৰ সমালোচনা কৰে। সংবাদমেলত কংগ্ৰেছ নেতাগৰাকীয়ে বিজেপি আৰু প্ৰধানমন্ত্ৰীক উদ্দেশ্যি একাধিক প্ৰশ্নও উত্থাপন কৰে। ৰিপুন বৰাই কয় যে ২০১৪ চনৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে অসমবাসীক দিয়া ভুৱা প্ৰতিশ্ৰুতি আৰু চৰকাৰৰ ১১ বছৰীয়া আমোলত অগ্ৰগতিৰ নামত অসমবাসীয়ে কেৱল প্ৰতাৰণাৰ বলি হৈছে। তেওঁ প্ৰশ্ন কৰে যে ২০১৪ চনৰ ১৬ মে'ৰ পিছত সকলো অবৈধ বাংলাদেশীয়ে টালি-টোপোলা বান্ধিব লাগিব বুলি কোৱা প্ৰধানমন্ত্ৰীয়ে এতিয়ালৈকে কিমানজনক বিতাড়িত কৰিলে? তাৰ বিপৰীতে 'কা' আৰু কেন্দ্ৰৰ শেহতীয়া আদেশৰ যোগেদি অসমত বিদেশীৰ বোজা আৰু বাঢ়ি অহা বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, "এ ফৰ আছাম" বুলি ভাষণ দি প্ৰতিশ্ৰুতিৰ বন্য বোৱাই দিয়াৰ ফলত অসম উন্নতিৰ সোপানত উঠিব বুলি জনতাই ভৰসা কৰিছিল, কিন্তু বৰ্তমান অসম জনমূৰি আয়ৰ ক্ষেত্ৰত দেশৰ শেহতীয়া স্থানলৈ অৱনমিত হৈছে। ৰাজ্যখন ধাৰত ডুবি থকা অৱস্থাত প্ৰতিজন নাগৰিকৰ ওপৰত প্ৰায় ৫০ হাজাৰ টকা ঋণৰ বোজা পৰিছে। নিবনুৱা সমস্যাক লৈ চৰকাৰক তীব্ৰ সমালোচনা কৰি কয় যে বছৰি ২ কোটি চাকৰি প্ৰদানৰ প্ৰতিশ্ৰুতিৰ সলনি অসমত নিবনুৱাৰ সংখ্যা ৩৮ লাখলৈ বাঢ়ি গৈছে। লগতে ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান, চাহ শ্ৰমিকৰ মজুৰি ৩৫১ টকালৈ বৃদ্ধি আৰু সুবিধা প্ৰদানৰ প্ৰতিশ্ৰুতিৰো কোনো বাস্তৱায়ন হোৱা নাই বুলি তেওঁ মন্তব্য কৰে। ৰিপুন বৰাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি কয় যে বিজেপি ক্ষমতালৈ অহাৰ আগতে যাক দেশৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত নেতা বুলি অভিহিত কৰিছিল, বৰ্তমান সেইগৰাকী নেতাকেই মুখ্যমন্ত্ৰী পাতি সম্পূৰ্ণ সুৰক্ষা প্ৰদান কৰি বিজেপিয়ে দুৰ্নীতি নিৰ্মূল কৰাৰ কথা কৈছে। কয়লা, শিল-বালি খননৰ চিণ্ডিকেটৰাজ, চাহ-বাগানৰ ভূমি দখল, আৰু ৰাজহুৱা সম্পত্তি হৰণৰ অভিযোগ উত্থাপন কৰি তেওঁ কেন্দ্ৰই উদক ভেটা ৰখীয়া পাতি নীৰৱ দৰ্শকৰ ভূমিকা অৱতীৰ্ণ হৈছে বুলিও অভিযোগ তোলে। তেওঁ অভিযোগ কৰে যে বিজেপি চৰকাৰে "সবকা সাথ, সবকা বিকাশ"ৰ নামত অসমৰ ভূমিপুত্ৰক উচ্ছেদ কৰি আদানি, আম্বানি আৰু ৰামদেৱৰ দৰে পুঁজিপতিক মাটি গতাই দিছে। উচ্ছেদৰ নামত আদিবাসী, চাহ-শ্ৰমিক, কোচ-ৰাজবংশী, ৰাভা, গাৰো আদি খিলঞ্জীয়া জনগোষ্ঠীক নিৰ্যাতন কৰা হৈছে বুলি তেওঁ অভিযোগ কৰে। বান সমস্যাৰ সমাধান, ব্ৰহ্মপুত্ৰ খনন, স্মাৰ্ট চিটি প্ৰকল্প, শিক্ষা-স্বাস্থ্য উন্নয়নৰ প্ৰতিশ্ৰুতিৰো কোনো বাস্তৱ ফলাফল নোহোৱাত ৰাজ্যৰ সৰ্বত্ৰে জনতাৰ মাজত ক্ষোভ বৃদ্ধি পাইছে বুলি ৰিপুন বৰাই মন্তব্য কৰে। তেওঁ পৰিসংখ্যা উদ্ধৃত কৰি কয় যে অসমত শিশু-মৃত্যুৰ হাৰ, মাতৃ-মৃত্যুৰ হাৰ, বিদ্যালয়ৰ ড্ৰপ-আউট ৰেট আৰু মহিলাৰ বিৰুদ্ধে অপৰাধৰ হাৰ দেশৰ ভিতৰত সৰ্বাধিক। সংবাদমেলত ৰিপুন বৰাই কয়, "প্ৰধানমন্ত্ৰীয়ে ডিঙিত গামোছা লৈ অসমবাসীৰ আস্থাভাজন খোজে। কিন্তু অসমবাসীয়ে এতিয়া সেই গামোছাৰ অন্তৰালত লুকাই থকা প্ৰতাৰণাৰ পৰিচয় পালে। বিজেপিৰ আমোলত অসম আজি ২০ বছৰ পিছুৱাই গ'ল। এনেদৰে প্ৰতিশ্ৰুতি ভংগ কৰি চূড়ান্ত অন্যায়ৰে কাকো অসমৰ স্বাভিমানক পদদলিত কৰিবলৈ দিয়া নহ'ব।" সংবাদমেলত উপস্থিত থাকে প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, ছচিয়েল মিডিয়া বিভাগৰ অধ্যক্ষ প্ৰফুল্ল কুমাৰ দাস, সম-অধ্যক্ষ প্ৰতীক বৰদলৈ, দৰং জিলাৰ পৰ্যবেক্ষক আনোৱাৰ হুছেইন আৰু দৰং জিলা কংগ্ৰেছৰ সভানেত্ৰী ৰিজুমণি তালুকদাৰ।

## আলফা (স্বাঃ)ৰ শীৰ্ষ নেতা

অসমক তিনিচুকীয়াৰ আৰক্ষীয়ে আজি অৰুণাচল প্ৰদেশৰ আটক কৰাৰ খবৰ পোৱা গৈছে। অসম-অৰুণাচল সীমান্তৱৰ্তী অঞ্চলত সংঘটিত ধন দাবীকে ধৰি বহু কূটাঘাতমূলক ঘটনাৰ নায়ক মৃগাংক অসম আছিল আলফাৰ ৭৭৯ শিবিৰৰ অপাৰেচনেল কামাণ্ডাৰ। ২০১০ বৰ্ষৰ এপ্ৰিলত আলফাত যোগদান কৰা মৃগাংক অসমৰ জিম্মাৰ পৰা তিনিচুকীয়া আৰক্ষীয়ে এটা এ কে ৮১, তিনিটা মেগজিন, ৯০ ৰাউণ্ড সজীৱ গুলী, এটা হস্তনিৰ্মিত গ্ৰেনেড আৰু কেতবোৰ আপত্তিজনক সামগ্ৰী জব্দ কৰিছে বুলি জানিব পৰা গৈছে। অৱশ্যে তিনিচুকীয়া আৰক্ষীয়ে আলফা(স্বাধীন)ৰ শীৰ্ষ নেতা মৃগাংক অসমে তিনিচুকীয়াৰ আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰা বুলিহে জানিবলৈ দিছে। ইফালে স্বাধীন অসমৰ সপোন বুকুত লৈ আলফাত যোগদান কৰা শীৰ্ষ নেতা বুদ্ধেশ্বৰ গোহাঁই ওৰফে মৃগাংক অসমৰ আত্মসমৰ্পণ আলফা(স্বাধীন)ত এক মোক্ষম আঘাত বুলিব পাৰি।

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণ

সমূহে। ছয়টা খিলঞ্জীয়া জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীক লৈ চৰকাৰৰ অৱস্থানক কঠোৰ সমালোচনা কৰি গগৈয়ে কয় যে, চৰকাৰে বাৰম্বাৰ জনগোষ্ঠীয় সংগঠনসমূহক আলোচনালৈ মাতি নি মিছা আশ্বাস দিয়ে যদিও মূল সমস্যাৰ সমাধানত কোনো আগ্ৰহ দেখুৱাব নোৱাৰে। এই চৰকাৰক খিলঞ্জীয়া-বিৰোধী বুলি অভিহিত কৰি তেওঁ কয় যে, এই চৰকাৰৰ সময়ত কোনো খিলঞ্জীয়াই নিজৰ ন্যায়সংগত দাবী উত্থাপন কৰিব নোৱাৰে। তেওঁ চৰকাৰক হিটলাৰৰ চৰকাৰৰ সৈতে তুলনা কৰি কয় যে, এই চৰকাৰে কোনোপধ্যে ছয় জনগোষ্ঠীক জনজাতিকৰণ প্ৰদান নকৰে। গোলকগঞ্জত সংঘটিত সাম্প্ৰতিক ঘটনাক উল্লেখ কৰি গগৈয়ে কয় যে, কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাৰ আয়োজিত কাৰ্যসূচীত খিলঞ্জীয়া ভূমিপুত্ৰ কোঁচ-ৰাজবংশীসকলৰ ওপৰত পুলিচৰ নিৰ্যাতনে চৰকাৰৰ খিলঞ্জীয়া-বিৰোধী মনোভাৱক আকৌ এবাৰ প্ৰমাণ কৰিছে। বুধবাৰে এই ঘটনা সংঘটিত হোৱাৰ পিছতে সামাজিক মাধ্যমত তীব্ৰ প্ৰতিবাদ প্ৰকাশ কৰাৰ লগতে কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সৈতে যোগাযোগ কৰি ৰাইজৰ দলে তেওঁলোকৰ প্ৰতি সংহতি প্ৰকাশ কৰিছে। গগৈয়ে জানিবলৈ দিয়ে যে, ৰাইজৰ দলৰ তৰফৰ পৰা জাতীয় নাৰী বাহিনীৰ সাধাৰণ সম্পাদিকা, ৰাইজৰ দলৰ প্ৰতিনিধি আৰু কৃষক মুক্তিৰ বঙাইগাঁও জিলাৰ সভাপতিসহ মুঠ তিনিজনক পঠিয়াই আহতসকলৰ খবৰ লোৱা হৈছে। ওৰে নিশা এই প্ৰতিনিধি দলে আন্দোলনকাৰীসকলৰ সৈতে মত বিনিময় কৰি বিপদৰ এই সময়ত আৰু জনজাতিকৰণৰ বাবে আগন্তুক সকলো আন্দোলনত লগত থাকিব বুলি আশ্বাস দিছে। বৃহস্পতিবাৰে ধুবুৰীত কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাই আয়োজিত সকলো প্ৰতিবাদী কাৰ্যসূচীত কৃষক মুক্তি, ছাত্ৰ মুক্তি আৰু ৰাইজৰ দলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে বুলি গগৈয়ে প্ৰকাশ কৰিছে। ইয়াৰ লগতে সদৌ মৰাণ ছাত্ৰ সন্থাই বুধবাৰে আয়োজিত প্ৰতিবাদী কাৰ্যসূচীক আন্দোলনৰ ইতিহাসত আটাইতকৈ ডাঙৰ প্ৰতিবাদ বুলি অভিহিত কৰি গগৈয়ে মৰাণ জনগোষ্ঠীৰ দল-সংগঠনসমূহক অভিনন্দন জনাইছে। চৰকাৰৰ অৱস্থানক লৈ গভীৰ বিশ্লেষণ কৰি গগৈয়ে কয় যে, চৰকাৰে প্ৰথমে ছয় জনগোষ্ঠীয়ে জনজাতি হয় নে নহয় সেয়া প্ৰমাণ কৰিব লাগিব বুলি কৈছিল। কিন্তু ২০১৯ চনত ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত বিধেয়ক লোকসভা আৰু ৰাজ্যসভাত উত্থাপন হোৱাৰ পিছত সকলো জটিলতা শেষ হৈছে আৰু এই জনগোষ্ঠীসমূহে জনজাতিকৰণৰ যোগ্যতা প্ৰমাণ কৰিছে। গগৈয়ে মতে, এতিয়া এই আন্দোলনৰ ল'জিকেল আউটপুট হ'ব লাগে ভাৰতৰ সংসদত ২০১৯ চনত উত্থাপিত বিধেয়কখন পাছ কৰা। এই বিধেয়ক পাছ হোৱা মানেই ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সম্পূৰ্ণ হোৱা বুলি তেওঁ স্পষ্ট কৰি দিয়ে। ইয়াৰ ফলস্বৰূপে অসমত জনজাতিৰ সংখ্যা বৃদ্ধি পাই ৰাজ্যখন জনজাতীয় ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলি গগৈয়ে আশা প্ৰকাশ কৰে। তেওঁ কয় যে, তেতিয়াহে অসমত লোকসভা, বিধানসভা আৰু পঞ্চায়তৰ বেছিভাগ আসন জনজাতীয় লোকৰ বাবে সংৰক্ষিত হ'ব আৰু খিলঞ্জীয়াৰ নেতৃত্ব আৰু অধিকাৰ প্ৰতিষ্ঠা হ'ব। গগৈয়ে আৰু যোগ কৰে যে, কেৱল ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ জৰিয়তে সাংবিধানিকভাৱে অসমীয়া জাতিটোক সুৰক্ষিত কৰা সম্ভৱ। জনজাতিকৰণৰ লগতে অসমক জনজাতীয় ৰাজ্য ঘোষণা কৰি সংবিধানৰ ৩৭১(ক) অনুচ্ছেদ অনুসৰি নাগালেণ্ডৰ দৰে বিশেষ ৰাজ্যৰ মৰ্যাদা লাভ কৰিলে অসমৰ ভূমি আৰু সম্পদৰ ওপৰত অসমৰ মানুহৰ অধিকাৰ সাব্যস্ত হ'ব আৰু অসমীয়া জাতিৰ সমস্যা নাইকিয়া হ'ব। আগন্তুক দিনত ৰাইজৰ দলে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ আন্দোলনত অন্যান্য দল-সংগঠনৰ সৈতে সহযোগ কৰিব বুলি গগৈয়ে কয়। অন্যথা, ৰাইজৰ দলে নিজেই এই দাবীত স্বতন্ত্ৰ আন্দোলন ঘোষণা কৰিব বুলি তেওঁ স্পষ্ট কৰি দিয়ে। কাইলৈ এই সন্দৰ্ভত ৰাইজৰ দলৰ বিশেষ কাৰ্যনিৰ্বাহকী বৈঠক আয়োজন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। আগন্তুক ২০২৬ৰ বিধানসভা নিৰ্বাচনক লৈয়ো গগৈয়ে কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে। তেওঁ কয় যে, ২০২৬ৰ নিৰ্বাচনত ৰাইজৰ দলে কিং মেকাৰৰ ভূমিকা পালন কৰিব আৰু ২০৩১ৰ নিৰ্বাচনত নিজে চৰকাৰ গঠন কৰিব। কাজিৰঙাত এই মন্তব্য প্ৰকাশ কৰি গগৈয়ে কয় যে, ৰাইজৰ দল অসমৰ আটাইতকৈ ক্ষিপ্ৰ গতিত উত্থান হোৱা ৰাজনৈতিক দল। প্ৰথমে আগন্তুক নিৰ্বাচনত ১৭টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰিকল্পনা আছিল যদিও এতিয়া ৩৬টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাৰ যো-জা চলিছে। গগৈয়ে 'এ' গ্ৰেডৰ সমষ্টি ৩৬টা বুলি উল্লেখ কৰি কয় যে, বাকী 'বি' গ্ৰেডৰ সমষ্টিসমূহক 'এ'লৈ আৰু 'চি' গ্ৰেডৰ সমূহক ক্ৰমে 'বি' আৰু 'এ'লৈ উন্নীত কৰাৰ প্ৰয়াস চলি আছে। তেওঁ আশা প্ৰকাশ কৰে যে, ২০২৬ৰ নিৰ্বাচনত ৰাইজৰ দল এক গুৰুত্বপূৰ্ণ 'ফেক্টৰ' হিচাপে থিয় দিব আৰু ৰাইজৰ দলক নোলোৱাকৈ কোনেও জয়ী হ'ব নোৱাৰিব বা চৰকাৰ গঠন কৰিব নোৱাৰিব। এই মন্তব্যসমূহে অসমৰ ৰাজনৈতিক পৰিৱেশত নতুন মাত্ৰা যোগ কৰিছে আৰু আগন্তুক নিৰ্বাচনত ৰাইজৰ দলৰ ভূমিকা কেনেকৈ প্ৰভাৱশালী হয়, সেয়া লক্ষণীয় হৈ পৰিছে।

## নেপালৰ অন্তৰ্বৰ্তী চৰকাৰৰ

কাৰণ তেওঁৰ নিৰপেক্ষ ৰাজনৈতিক অৱস্থান আৰু অভিজ্ঞতা এই ভূমিকাৰ বাবে উপযুক্ত বুলি বিবেচিত হৈছিল। কিন্তু সাংবিধানিক বাধা আৰু তেওঁৰ বয়সৰ কাৰণে (৭০ৰ ওপৰ) কাৰ্কীয়ে নেতৃত্বৰ দায়িত্ব গ্ৰহণৰ পৰা নিজকে প্ৰত্যাহাৰ কৰি লয়। ইয়াৰ পিছত জেন জিৰ প্ৰস্তাৱত কুলমন ঘিচিংৰ নাম উত্থাপিত হয়, যাক নেপালৰ লোডশ্বেডিং সমস্যা সমাধানৰ কৃতিত্বৰ বাবে এজন সন্মানীয় আৰু নিৰপেক্ষ ব্যক্তি হিচাপে গণ্য কৰা হয়। শেহতীয়াকৈ কাঠমাণ্ডুৰ মেয়ৰ বেলেন শ্বাহৰ নামো নেতৃত্বৰ বাবে আলোচনাত আহিছিল, কিন্তু তেওঁৰ ৰাজনৈতিক সংশ্লিষ্টতাৰ বাবে জেন জি গোটে তেওঁক নাকচ কৰে। আন এজন যুৱ নেতা সাগৰ ঢাকালৰ নামো প্ৰস্তাৱিত হৈছিল, কিন্তু একেদৰে ৰাজনৈতিক সম্পৰ্কৰ কাৰণে তেওঁকো বাদ দিয়া হয়। জেন জিৰ সদস্যসকলে স্পষ্ট কৰিছিল যে নেতৃত্বৰ দায়িত্ব কেৱল নিৰপেক্ষ আৰু সৰ্বজনীনভাৱে গ্ৰহণযোগ্য ব্যক্তিৰ হাতত অৰ্পণ কৰা হ'ব। নেপালৰ স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি, কাঠমাণ্ডু উপত্যকাত এই প্ৰতিবাদত ৩৪ জনৰ মৃত্যু হৈছে আৰু ১০০০ৰো অধিক লোক আহত হৈছে। এই পৰিস্থিতিত নেপালী সেনাই দেশৰ দায়িত্ব গ্ৰহণ কৰিছে। সেনাৰ মুৰব্বী জেনেৰেল অশোক ৰাজ ছিগডেলে জেন জিৰ প্ৰতিনিধি আৰু গুৰুত্বপূৰ্ণ ব্যক্তিসকলৰ সৈতে সাক্ষাৎ কৰি আলোচনা চলাইছে। তেওঁৰ পৰামৰ্শত জেন জিৰ প্ৰতিনিধিসকলে ৰাষ্ট্ৰীয় স্বতন্ত্ৰ পাৰ্টি আৰু দুৰ্গা প্ৰসাইৰ সৈতে আলোচনাৰ প্ৰস্তাৱ পাইছিল, কিন্তু জেন জি গোটে নিজৰ স্বাধীন সিদ্ধান্তৰ ওপৰত অটল থাকিছে। বৃহস্পতিবাৰে জেন জিৰ সদস্যসকলে এক অন্তৰ্বৰ্তীকালীন পৰিষদ গঠনৰ সিদ্ধান্ত লৈছে, যিয়ে নতুন নিৰ্বাচনৰ পূৰ্বে দেশৰ ৰাজনৈতিক পৰিৱৰ্তনৰ পথ প্ৰদৰ্শন কৰিব। এই পৰিষদৰ নেতৃত্বৰ দায়িত্ব এতিয়া কুলমন ঘিচিংৰ ওপৰত ন্যস্ত হৈছে। তেওঁৰ নিৰপেক্ষ ভাৱমূৰ্তি আৰু লোডশ্বেডিং সমস্যা সমাধানৰ অৱদানে তেওঁক এই দায়িত্বৰ বাবে উপযুক্ত প্ৰাৰ্থী কৰি তুলিছে। জেন জিৰ এই আন্দোলনে নেপালৰ ৰাজনৈতিক শূন্যতা পূৰণৰ লক্ষ্যৰে নতুন চৰকাৰ গঠন আৰু মত প্ৰকাশৰ স্বাধীনতাৰ দাবীত আগবাঢ়িছে। কুলমন ঘিচিংৰ নেতৃত্বত এই আন্দোলন দেশৰ ভৱিষ্যত গঢ় দিয়াৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

## ১৯ ছেপ্টেম্বৰত সমদলেৰে

সাজু হৈছে মটক জনগোষ্ঠীৰ সংগঠনসমূহ। চৰকাৰে মটক জনগোষ্ঠীক জনজাতিকৰণৰ নামত কৰা চূড়ান্ত প্ৰতাৰণাৰ বিৰুদ্ধে এইবাৰ মটক জনগোষ্ঠীৰ যৌথ সংগঠনে ইতিমধ্যে এলানি আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে। আদিম সৌমাৰখণ্ড তথা বেংমৰা ৰাজ্যৰ ভূমিপুত্ৰ মটক জনগোষ্ঠীক অনুসূচীত জনজাতি মৰ্য্যাদা আৰু পূৰ্ণ স্বায়ত্ত শাসন প্ৰদানৰ দাবীত মটক জনগোষ্ঠীৰ কেউটা সংগঠনৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত অহা ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া ৬ বজাত তিনিচুকীয়াত আয়োজন কৰিছে এক বিশাল জোৰ সমদল কাৰ্যসূচী। স্মতব্য যে, ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা অসমৰ সৌমাৰখণ্ডত নিগাজীকৈ বসবাস কৰি থকা মটক জনগোষ্ঠীৰ লোকসকলে নিজৰ কৃষ্টি-সংস্কৃতি, ৰীতি-নীতি তথা সকলো বৈশিষ্ট্যৰে পৰিপূৰ্ণ হোৱাৰ পাছতো আজিলৈকে ন্যায্য প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছে। সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে ১৯৪০ চনৰ পৰাই অনুসূচীত জনজাতিৰ মৰ্য্যাদা আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসনৰ দাবীত ধাৰাবাহিকভাৱে দশক দশক জুৰি সংগ্ৰাম কৰি আহিছে যদিও আজিলৈকে কোনো এখন চৰকাৰে মটকসকলক অনুসূচীত জনজাতি আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসনৰ মৰ্য্যাদা প্ৰদান কৰা নাই। সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত অহা ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া তিনিচুকীয়াৰ সদৰত অনুষ্ঠিত হ'বলগা বিশাল জোৰ সমদল কাৰ্যসূচীত হাজাৰ হাজাৰ মটক ৰাইজে বিশাল জোৰ সমদলেৰে তিনিচুকীয়াৰ ৰাজপথ কঁপাবলৈ সাজু হোৱা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, মটক জনগোষ্ঠীক অনুসূচীত জনজাতিৰ মৰ্য্যাদা আৰু পূৰ্ণ স্বায়ত্ত শাসন প্ৰদান, তিনিচুকীয়া জিলাৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহ বেদখলমুক্ত কৰি সৌন্দৰ্যবৰ্ধনৰ ব্যৱস্থা কৰা, তিনিচুকীয়া জিলাৰ বেচৰকাৰী ব্যৱসায়িক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত যোগ্যতা ভিত্তিত ৫০ক্ষ মটক জনগোষ্ঠীৰ নিবনুৱা যুৱক-যুৱতীক নিয়োগৰ ব্যৱস্থা কৰাৰ দাবীত সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিয়ে যোৱা ৫ ছেপ্টেম্বৰৰ পৰা ৮ ছেপ্টেম্বৰলৈ তিনিচুকীয়া ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ সন্মুখত এক ৭২ ঘণ্টিয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচীও সফল ৰূপায়ণ কৰিছিল।

## ৩০ সহস্ৰাধিক মৰাণ

হাজাৰ মৰাণ জনগোষ্ঠীৰ লোকে 'ন' এছ টি, ন' ৰেষ্ট', 'উই ৱাণ্ট এছ টি', 'হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ', 'নৰেন্দ্ৰ মোদী মুৰ্দাবাদ', 'হিমন্ত বিশ্ব শৰ্মা মিছলীয়া', 'নৰেন্দ্ৰ মোদী মিছলীয়া', 'বিজেপিৰ কাম নাই', 'এই জুই জ্বলিছে জ্বলিবই', 'বিজেপি চৰকাৰৰ প্ৰতাৰণা নচলিব', 'বিজেপি গ' বেক' - আদি বিভিন্ন চৰকাৰ বিৰোধী শ্লোগানেৰে তিনিচুকীয়া চহৰৰ আকাশ-বতাহ কঁপাই তুলি প্ৰায় ৪ কিলোমিটাৰ পথত আজি গধূলি এক বিশাল জোঁৰ সমদল বাহিৰ কৰে। মৰাণক জনজাতিৰ মৰ্যাদা প্ৰদান আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসন প্ৰদানৰ দাবীত মৰাণ জনজাতিৰ একমাত্ৰ ছাত্ৰ সংগঠন সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত আৰু মৰাণ জনজাতিৰ কেউটা সংগঠনৰ সহযোগত আৰম্ভ কৰা প্ৰতিবাদী কাৰ্যসূচী 'জোঁৰ সমদল'ৰ চতুৰ্থ তথা অন্তিমটো কাৰ্যসূচী আজি তিনিচুকীয়াত সফল ৰূপায়ণ কৰে। উল্লেখ্য যে, আজিৰ কাৰ্যসূচীলৈ অভূতপূৰ্বভাৱে ওলাই আহিল মৰাণ জনগোষ্ঠীৰ হাজাৰ হাজাৰ সংগ্ৰামী আবাল বৃদ্ধ-বনিতা। আজিৰ কাৰ্যসূচীয়ে যোৱা ৪ ছেপ্টেম্বৰত কাকপথাৰত ৰূপায়ণ কৰা বিশাল জোঁৰ সমদলৰ অভিলেখ ভঙ্গ কৰে। আজি প্ৰায় ৪ কিলোমিটাৰ পথ অতিক্ৰমি ৰূপায়ণ কৰা বিশাল জোঁৰ সমদলৰ শেষত তিনিচুকীয়া সদৰৰ থানা চাৰিআলিত অৱস্থান কৰি এক প্ৰতিবাদী সভা অনুষ্ঠিত হয়। উক্ত প্ৰতিবাদী সভাত বিভিন্ন সংগঠনৰ নেতাই সংগ্ৰামী বক্তব্য ৰাখে। সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়াই কয়, "জনজাতিকৰণ মৰাণসকলৰ জন্মস্বত্ব অধিকাৰ। চৰকাৰে যেতিয়ালৈকে মৰাণসকলক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীকৰণ স্বায়ত্ত শাসন প্ৰদান নকৰে, তেতিয়ালৈকে মৰাণসকলৰ এই সংগ্ৰাম তীব্ৰতৰ ৰূপত অব্যাহত থাকিব। ভাৰত চৰকাৰ আৰু অসম চৰকাৰে মৰাণসকলক জনজাতি দিম বুলি যি প্ৰতিশ্ৰুতি দিছিল, সেই প্ৰতিশ্ৰুতি আজি পৰ্যন্ত পূৰণ নহল। ৰাজ্যত বিজেপি চৰকাৰখন শাসনৰ গাদীলৈ অহা ১০টা বছৰ হ'ল যদিও মৰাণসকলক জনজাতিকৰণৰ বিষয়টো অলপো আগনাবাঢ়িল, আনকি চৰকাৰে আজি পৰ্যন্ত প্ৰতিবেদনেই দাখিল নকৰিলে। ৰাজ্যত শাসনাধিষ্ঠ এই বিজেপি চৰকাৰখনে দহটা বছৰে প্ৰতিবেদনখন দাখিল কৰিবলৈকে সময় নাপালে। মৰাণসকলক জনজাতিকৰণ প্ৰদানৰ ক্ষেত্ৰত চৰকাৰৰ আজি সদিচ্ছাৰ অভাৱ। মৰাণসকলক আজি অৱহেলা কৰি অহা হৈছে। সেয়েহে কৈছোঁ এইখন চৰকাৰে যদি অতিশীঘ্ৰেই মৰাণসকলৰ জনজাতিকৰণ বিষয়টো স্পষ্ট নকৰে, তেনেহ'লে কিন্তু মৰাণসকলে জংগী আন্দোলন কৰিব। তাৰ পাছত এইখন চৰকাৰ যে ওফৰি পৰিব, সেয়া নিশ্চিত।" সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জড়য়কান্ত মৰাণে এনেদৰে কয়, "এইখন অসম মুলুকৰ থলগিৰি ভূমিপুত্ৰ মৰাণসকলে আজি নিজৰ অধিকাৰ বিচাৰি এনেদৰে ৰাজপথলৈ ওলাই আহিবলগীয়া হোৱাটো চৰম দুৰ্ভাগ্যজনক। ইয়াতকৈ লাজৰ কথা আজিৰ তাৰিখত আৰু আন একো নাই। আজি এইখন অসমতে বহিৰাগতক পৃথক শ্ৰেণীৰ মৰ্য্যাদা প্ৰদান কৰা হৈছে। আমি দেখিছোঁ যে বণিক গোষ্ঠীক চৰকাৰে আজি বিঘাই বিঘাই মাটি হস্তান্তৰ কৰিছে। আমি আজি অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক এটা কথা স্পষ্ট কৰি দিব বিচাৰিছোঁ যে যদিহে আমাক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ নকৰে, তেন্তে অনাগত দিনত ইয়াতকৈ ভয়ংকৰ প্ৰতিবাদ হব। মৰাণসকলে জনজাতি নোপোৱা পৰ্যন্ত এই আন্দোলন চলাই যাব। আৰু এটা কথা কব বিচাৰিছোঁ যে অহা নৱেম্বৰ মাহত বিধানসভাত ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ প্ৰদানৰ ক্ষেত্ৰত যি প্ৰতিবেদন দাখিল কৰাৰ কথা চৰকাৰে কৈছে, গতিকে নৱেম্বৰ মাহৰ পিছত আমি আৰু নামানো। আমাৰ শেষ কথা হ'ল - মৰাণসকলক জনজাতিকৰণ লাগিবই। জনজাতিকৰণ নোপোৱালৈকে মৰাণসকল কোনো কাৰণতে ক্ষান্ত নহয়।" স্মতব্য যে, অসমৰ অন্যতম আদিম জনজাতি মৰাণসকলৰ অনুসূচীকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসনৰ দীৰ্ঘদিনীয়া দাবীত সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত তথা মৰাণ জনজাতিৰ কেউটা সংগঠনৰ সহযোগত ইতিমধ্যে এলানি ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰা হৈছিল। সেই অনুসৰি যোৱা ২ ছেপ্টেম্বৰত তালাপত, ৪ ছেপ্টেম্বৰত কাকপথাৰত, ৬ ছেপ্টেম্বৰত মাৰ্ঘেৰিটাত বিশাল জোৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰাৰ পিছত আজি তিনিচুকীয়া সদৰত এইদৰে আন এক বিশাল জোৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আনহাতে অহা ১৫ ছেপ্টেম্বৰৰ পৰা মৰাণ অধ্যুষিত অঞ্চলত সৰ্বাত্মক অৰ্থনৈতিক অৱৰোধৰ কাৰ্যসূচীও ঘোষণা কৰাৰ বিপৰীতে পৰৱৰ্তী সময়ত আৰু অধিক কঠোৰ সংগ্ৰামৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলিও সদৌ মৰাণ ছাত্ৰ সন্থাৰ বিষয়ববীয়াই সদৰি কৰিছিল। উল্লেখযোগ্য যে, তিব্বত-বৰ্মী মূলৰ কিৰাত-কছাৰী গোষ্ঠীৰ অন্তৰ্গত মৰাণৰ বাহিৰে আন সকলো জনগোষ্ঠীয়েই ইতিমধ্যে অনুসূচীত জনজাতিৰ তালিকাভুক্ত হৈ আছে। জনজাতি হৈও ঐতিহাসিক দুৰ্বিপাকত পৰি অনুসূচীকৰণৰ পৰা বঞ্চিত এই মৰাণ জনজাতিৰ লোকসকল। জনগোষ্ঠীটোৰ ন্যায্যতাৰ দাবীত আজি তিনিচুকীয়া সদৰত ৰূপায়ণ কৰা অন্তিমটো বিশাল জোৰ সমদল কাৰ্যসূচীত ৩০ সহস্ৰাধিক প্ৰতিবাদকাৰীয়ে অংশগ্ৰহণ কৰে।

## ছিপাঝাৰত একেটা

প্ৰতিমা নাথ আৰু ধৃতিৰাজ নাথ বুলি চিনাক্ত কৰা হৈছে। এই নৃশংস ঘটনাত ধৃতিৰাজ নাথ সপ্তম শ্ৰেণীৰ এজন ছাত্ৰ আছিল, যিয়ে ঘটনাটোক আৰু অধিক শিহৰণকাৰী কৰি তুলিছে। প্ৰত্যক্ষদৰ্শীসকলৰ মতে, প্ৰতিমা নাথ আৰু ধৃতিৰাজ নাথৰ মৃতদেহ কোঠাৰ ভিতৰত উদ্ধাৰ হৈছে, আনহাতে দীপক নাথৰ মৃতদেহ ঘৰৰ চোতালত পৰি থকা অৱস্থাত পোৱা গৈছে। আৰক্ষীৰ প্ৰাথমিক তদন্তত জানিব পৰা গৈছে যে এই তিনিজনক দাৰে ঘটিয়াই হত্যা কৰা হৈছে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে স্থানীয় আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহকেইটা উদ্ধাৰ কৰে আৰু তদন্ত আৰম্ভ কৰে। এতিয়ালৈকে এই হত্যাকাণ্ডৰ পিছৰ কাৰণ বা দোষীসকলৰ পৰিচয় উন্মোচন হোৱা নাই, যিয়ে অঞ্চলটোত এক আতংকৰ পৰিৱেশ সৃষ্টি কৰিছে। স্থানীয় লোকসকলে এনে নৃশংস ঘটনাৰ পিছত নিৰাপত্তাৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰিছে, আৰু আৰক্ষীয়ে এই ঘটনাৰ সকলো দিশত গভীৰ তদন্ত চলাই যোৱা বুলি জানিবলৈ দিছে। এই শিহৰণকাৰী ঘটনাই সমাজত অপৰাধৰ বৃদ্ধি আৰু নিৰাপত্তাৰ অভাৱৰ বিষয়ে পুনৰ চৰ্চাৰ সৃষ্টি কৰিছে।

## জেড-প্লাছ নিৰাপত্তাৰ নিয়ম-

১০ ছেপ্টেম্বৰত প্ৰেৰিত এই চিঠিত চি আৰ পি এফে অভিযোগ তুলিছে যে, ৰাহুল গান্ধীয়ে জেড-প্লাছ নিৰাপত্তাৰ নিয়ম-নীতি পালন কৰাত ব্যৰ্থ হৈছে। বিশেষকৈ, তেওঁৰ দ্বাৰা য়েল্লো বুক সুৰক্ষা নিৰ্দেশিকা বাৰম্বাৰ ভংগ কৰা হৈছে বুলি চিঠিত উল্লেখ কৰা হৈছে। জেড-প্লাছ নিৰাপত্তা প্ৰটকল অনুসৰি, সুৰক্ষিত ব্যক্তিয়ে বিদেশ ভ্ৰমণৰ কমেও ১৫ দিন পূৰ্বে সুৰক্ষা বাহিনীক আনুষ্ঠানিকভাৱে অৱগত কৰাৰ নিয়ম আছে, যাতে ভাৰতীয় সুৰক্ষা বাহিনীয়ে বিদেশী সুৰক্ষা সংস্থাৰ সৈতে সমন্বয় কৰি সংশ্লিষ্ট ব্যক্তিৰ নিৰাপত্তা নিশ্চিত কৰিব পাৰে। কিন্তু ৰাহুল গান্ধীয়ে এই নিয়ম পালন কৰা নাই বুলি চি আৰ পি এফে অভিযোগ কৰিছে। চি আৰ পি এফৰ মতে, ৰাহুল গান্ধীয়ে বিগত ৯ মাহত ইটালী, ভিয়েটনাম, দুবাই, দোহা, লণ্ডন আৰু শেহতীয়াকৈ মালয়েছিয়ালৈ কৰা ৬টা বিদেশ ভ্ৰমণৰ কোনোটোৰ ক্ষেত্ৰতেই সুৰক্ষা বাহিনীক পূৰ্বে অৱগত কৰা নাছিল। এই ধৰণৰ কাৰ্যকলাপে তেওঁৰ নিৰাপত্তাৰ ক্ষেত্ৰত যথেষ্ট ভাবুকি সৃষ্টি কৰিব পাৰে বুলি চি আৰ পি এফে উদ্বেগ প্ৰকাশ কৰিছে। চিঠিত স্পষ্টভাৱে কোৱা হৈছে যে, এনে ভুল বাৰে বাৰে পুনৰাবৃত্তি হ'লে নিৰাপত্তা ব্যৱস্থাপনাত গুৰুতৰ বাধাৰ সৃষ্টি হ'ব পাৰে। চি আৰ পি এফে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খৰ্গেৰ ওচৰত এই বিষয়ে হস্তক্ষেপৰ অনুৰোধ জনোৱাৰ লগতে ৰাহুল গান্ধীকো সুৰক্ষা প্ৰটকল মানি চলাৰ বাবে আহ্বান জনাইছে। এই ঘটনাই ৰাহুল গান্ধীৰ নিৰাপত্তাৰ বিষয়ে নতুন বিতৰ্কৰ সৃষ্টি কৰিছে, আৰু সুৰক্ষা বাহিনীৰ নিৰ্দেশিকা পালনৰ গুৰুত্বৰ ওপৰত জোৰ দিয়া হৈছে।

## দুটি নিষ্পাপ সন্তানৰ

পৃষ্ঠাজোৰা এছ আই টিৰ প্ৰতিবেদনৰ কিছু অংশ অধ্যয়ন কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সামাজিক মাধ্যমত ৰাজহুৱা কৰে কিছু কথা। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত লিখিছে যে- এছ আই টি প্ৰতিবেদন! এখন ৯৬ পৃষ্ঠাজোৰা দস্তাবেজ— সীমিত সমলেৰে প্ৰস্তুত কৰা যদিও এই প্ৰতিবেদনখনে বহু সত্য উন্মোচন কৰিছে। প্ৰতিবেদনখনৰ কেইটামান বিশেষ বাক্যই মনটো গধুৰ কৰি তুলিলে, আৰু ভাবিবলৈ বাধ্য কৰালে যে কিমান সহজে মানুহে শিপা পাহৰি কেৱল নিজৰ অভিপ্ৰায় সিদ্ধিৰ বাবে উত্তৰ প্ৰজন্মৰ ভৱিষ্যতকো বিনিময় কৰিবলৈ কুণ্ঠাবোধ নকৰে। আমাৰ দুখ এগৰাকী পিতৃৰ পতনৰ বাবে নহয়, দুটি নিষ্পাপ সন্তানৰ ভৱিষ্যতৰ কণ্ঠ মূক কৰি তোলাক লৈহে। সেই দুটি সন্তানৰ পৰা কি কাঢ়ি নিয়া হৈছে— তাক উপলব্ধি কৰিবলৈও তেওঁলোকৰ বয়স কম। মোৰ প্ৰাৰ্থনা তেওঁলোকৰ সৈতে সদায় থাকিব। উল্লেখ কৰা প্ৰয়োজন যে, আৰক্ষী বিষয়া মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত গঠন কৰি দিয়া এছ আই টিৰ প্ৰতিবেদন অধ্যয়ন কৰি পৰ্যায়ক্ৰমে আইনী ব্যৱস্থা লোৱাৰ কথা সদৰি কৰিছে মুখ্যমন্ত্ৰীয়ে। ইফালে কংগ্ৰেছেও প্ৰত্যাহ্বান জনাইছে যে, হিমন্ত বিশ্ব শৰ্মাই কোৱাৰ দৰে এছ আই টি প্ৰতিবেদনত একো নাই বাবেই মুখ্যমন্ত্ৰীয়ে এতিয়া আবোল তাবোল বকিবলৈ আৰম্ভ কৰিছে।

## বিশ্বজিৎ দৈমাৰীয়ে

টেৰিটৰিয়েল কাউন্সিল (বিটিচি)ৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে দৃঢ়তাৰে ঘোষণা কৰিছে যে, ইউপিপিএল একক সংখ্যাগৰিষ্ঠতাৰে বিটিচিত পুনৰ চৰকাৰ গঠন কৰিব। তেওঁৰ মতে, তেওঁলোকৰ দলৰ কোনো প্ৰতিদ্বন্দ্বী নাই। বৃহস্পতিবাৰে কোকৰাঝাৰ জিলাৰ ১২নং ছালাকাটি পৰিষদীয় সমষ্টিৰ তাৰংগুৰী খেলপথাৰত আয়োজিত ইউপিপিএলৰ এক কৰ্মীসভাত অংশগ্ৰহণ কৰি সাংবাদিকৰ সৈতে কথা পাতোতে তেওঁ এই মন্তব্য প্ৰকাশ কৰে। প্ৰমোদ বড়োৱে উল্লেখ কৰিছে যে, বিটিআৰৰ ৪০টা পৰিষদীয় সমষ্টিৰ প্ৰতিটোতে ইউপিপিএলৰ ৭, ০০০ৰ পৰা ৮, ০০০ পৰিয়ালৰ সমৰ্থন আছে, যাৰ ফলত প্ৰায় ২১, ০০০ ভোট তেওঁলোকৰ নিজা ভোটবেংক হিচাপে গণ্য হয়। তেওঁ কয় যে, ইউপিপিএল নিজা নীতি আৰু কৌশলৰ সৈতে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। ২৬টা জনগোষ্ঠীৰ প্ৰায় ৩৫ লাখ জনতাৰ আস্থা আৰু বিশ্বাসৰ ওপৰত ভিত্তি কৰি দলটো আগবাঢ়িছে। শান্তি আৰু সমন্বয়ৰ ভিত্তিত বিটিআৰ গঢ়ি তুলিবলৈ ইউপিপিএল অহৰহ প্ৰচেষ্টা চলাইছে। ইউপিপিএলক ভোটাৰে কিয় ভোট দিব, এই প্ৰশ্নৰ উত্তৰত প্ৰমোদ বড়ো কয়, "যোৱা পাঁচ বছৰত আমি সকলোতকৈ উত্তম পৰিৱেশ সৃষ্টি কৰিছো। কোনো ব্যক্তি বা পৰিয়ালে অশান্তি বা হিংসাত্মক পৰিৱেশত জীয়াই থাকিব নিবিচাৰে।" তেওঁ পূৰ্বৰ বিপিএফ নেতা হাগ্ৰামা মহিলাৰীৰ শাসনকালৰ সমালোচনা কৰি কয় যে, তেওঁৰ ১০ বছৰ কংগ্ৰেছৰ সৈতে আৰু ৫ বছৰ বিজেপিৰ সৈতে শাসনৰ সময়ত হত্যা, হিংসা, মদ, ভাং আৰু জুৱাৰ পৰিৱেশ বিৰাজ কৰিছিল। কিন্তু বৰ্তমান ইউপিপিএলৰ শাসনত শান্তি প্ৰতিষ্ঠিত হৈছে আৰু উন্নয়নৰ গতি ত্বৰান্বিত হৈছে। তেওঁৰ মতে, যোৱা পাঁচ বছৰত ১, ৮০০ কিলোমিটাৰ ৰাস্তা নিৰ্মাণ, ১, ৮০০টা বিদ্যালয়ৰ মেৰামতি আৰু ৩, ২৩, ০০০ মাটিবাৰীৰ সমস্যাৰ সমাধান কৰা হৈছে। শান্তি আৰু সমন্বয় পুনৰ স্থাপনৰ লগতে অঞ্চলটোত উল্লেখযোগ্য উন্নয়নৰ কাম সম্পন্ন হৈছে। তেওঁ দৃঢ়তাৰে কয়, "ইউপিপিএলৰ নিজা পৰিয়ালৰ বাহিৰেও অন্যান্য ভোটাৰে আমাৰ প্ৰাৰ্থীৰ পক্ষত ভোট দিব, আৰু আমি নিশ্চিতভাৱে একক সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰিম।" অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ 'বিটিচি লেতেৰা হৈছে' মন্তব্যৰ প্ৰত্যুত্তৰত প্ৰমোদ বড়ো কয়, "বিশ্বজিৎ দৈমাৰীয়ে বিপিএফৰ সৈতে থাকি বিটিচি লেতেৰা কৰিছিল। আমি যোৱা পাঁচ বছৰত সেই লেতেৰা পৰিষ্কাৰ কৰিছো। তেওঁ পুনৰ আহিলে বিটিচি আকৌ লেতেৰা হ'ব।" একেদৰে, মুখ্যমন্ত্ৰীৰ 'হাজাৰ কোটি টকা দিলেও বিটিচিৰ সমস্যা সমাধান হোৱা নাই' মন্তব্যৰ উত্তৰত তেওঁ কয়, "বিটিচিৰ জনতাই জানে এই অঞ্চলত কি উন্নয়ন হৈছে। বাহিৰৰ লোকে তাক বুজিব নোৱাৰে।" তেওঁ তুলনামূলকভাৱে উল্লেখ কৰে যে, বিপিএফৰ ১৭ বছৰীয়া শাসনত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৫৯, ০০০ ঘৰ নিৰ্মাণ হৈছিল, কিন্তু ইউপিপিএলৰ ৫ বছৰত ৩ লাখ ঘৰ নিৰ্মাণ হৈছে। লগতে, ৪০টা সমষ্টিত ৫২০টা অডিটৰিয়াম নিৰ্মাণ কৰা হৈছে। তেওঁৰ মতে, ৰাজনৈতিক সদিচ্ছা আৰু দূৰদৰ্শী নেতৃত্বৰ দ্বাৰা এই সফলতা সম্ভৱ হৈছে। কৰ্মীসভাত প্ৰমোদ বড়োৱে ছালাকাটি সমষ্টিৰ প্ৰাৰ্থী লৰেন্স ইছলাৰীক কাৰ্যবাহী সদস্যৰ পদ প্ৰদানৰ ঘোষণা কৰে আৰু বুথ, প্ৰাইমেৰী আৰু ব্লক কমিটিৰ নেতৃবৰ্গক নিৰ্দেশনা প্ৰদান কৰে। লৰেন্স ইছলাৰীয়ে কয় যে, ছালাকাটি সমষ্টিত ৭০টা বুথ কমিটি আৰু ২৫, ০ৰ০ৰো অধিক ইউপিপিএল সদস্য আছে, যাৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। তেওঁ দাবী কৰে যে, বিজেপিৰ প্ৰাৰ্থী জনতাৰ অপছন্দৰ হোৱাৰ বাবে দ্বি-মুখী প্ৰতিদ্বন্দ্বিতা হ'লেও তেওঁৰ জয় নিশ্চিত।

## বিপিএফ, ইউপিপি এলৰ

থাকি ৰাইজক সম্বোধন কৰে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। সভাত উপস্থিত ৰাইজক সম্বোধন কৰি সোণোৱালে কয়, "ভাৰতীয় জনতা পাৰ্টি পৃথিৱীৰ আটাইতকৈ বৃহৎ আৰু শক্তিশালী ৰাজনৈতিক দল। জন্মলগ্নৰে পৰা এই দলটোৱে ক্ষমতাত থাকক বা নাথাকক; দেশৰ একতা, অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ বাবে সদায়েই নিষ্ঠা আৰু সততাৰে সেৱা কৰি আহিছে। ১৯৪৭ চনৰ পৰা এতিয়ালৈ গঠন হোৱা আটাইকেইখন চৰকাৰৰ ভিতৰত একমাত্ৰ ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰসমূহেই তেনেকুৱা চৰকাৰ, যি ব্যক্তিগত স্বাৰ্থৰ ঊৰ্দ্ধত দেশৰ দৰিদ্ৰ জনগণৰ হকে নিঃস্বাৰ্থভাৱে নিৰন্তৰ কাম কৰি যাবলৈ সক্ষম হৈছে। কিন্তু ইয়াত তুলনাত কংগ্ৰেছ বা অন্যান্য চৰকাৰে নিজৰ ভঁড়াল চহকী কৰাৰ বাহিৰে জনগণৰ নিমিত্তে একো কৰি দেখুৱাব নোৱাৰিলে। আৰু সেয়ে আজি ভাৰতবৰ্ষৰ জনগণে বাৰম্বাৰ প্ৰত্যাখ্যান কৰিছে এই দলসমূহক। ২০১৪ চনত প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই শাসনভাৰ লোৱাৰ পাছৰে পৰা 'সবকা সাথ সবকা বিকাশ' নীতিৰ আধাৰত দৰিদ্ৰ জনগণৰ বাবে পকীঘৰ, বাট-পদূলি, ৰন্ধন গেছ, শৌচালয়, বিনামূলীয়া অন্ন, উন্নত চিকিৎসা সেৱা, শিক্ষাৰ সুবিধা, আই-মাতৃসকলৰ বাবে আঁচনি আদিৰ জৰিয়তে সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ আৰ্থ-সামাজিক নিৰাপত্তা আৰু স্বাভিমান সুনিশ্চিত কৰিলে। এটা সময় আছিল যেতিয়া বড়োলেণ্ড অঞ্চলটোৰ ৰাইজে নিৰাপত্তাহীনতা আৰু অশান্তিৰ বাতাবৰণত জীয়াই থাকিবলগীয়া হৈছিল। আজি সেই দিন নাই, আজি ৰাইজে উপলব্ধি কৰিছে যে বড়োলেণ্ডলৈ শান্তি, ভাতৃত্ববোধ আৰু ঐক্য ঘূৰি আহিছে। এয়া মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰৰ এটি বৃহৎ উপলব্ধি। তাৰ লগতে বিশ্ববিদ্যালয় নিৰ্মাণ, চাৰি হাজাৰ কোটি টকীয়া পেকেজ, চাৰিওখন জিলাতে উন্নত মানৰ চিকিৎসা সেৱা, আন্তঃগাঁথনিৰ বিকাশ আদি ৰাইজে নিজেই প্ৰত্যক্ষ কৰি চৰকাৰৰ কাম-কাজৰ মূল্যাংকন কৰিছে। এই উন্নয়ন আৰু বিকাশ যাত্ৰাৰ গতি অৱধাৰিত হ'বলৈ হ'লে বড়োলেণ্ডত পোনপটীয়াকৈ বিজেপি চৰকাৰ গঠন হোৱাটো যে জৰুৰী সেই কথা ৰাইজে ইতিমধ্যে বুজি উঠিছে।" লগতে বিৰোধী দলসমূহক সমালোচনাৰ লক্ষ্য কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে কয়, "বিপিএফ বা ইউ পি পি এল-ৰ চৰকাৰসমূহৰ বিৰুদ্ধে সময়ে সময়ে যি বিয়াগোম দুৰ্নীতিৰ অভিযোগ উত্থাপন হৈ আহিছে সেয়া চিন্তনীয়। ইয়াত বিজেপি চৰকাৰ গঠন হ'লেহে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ এশ শতাংশ সফল ৰূপায়ণ সম্ভৱ হৈ উঠিব। মধ্যভোগীয়ে যাতে চৰকাৰী আঁচনিৰ ধন আত্মসাৎ কৰিব নোৱাৰে, তাৰ বাবেও বড়োলেণ্ডত বিজেপি চৰকাৰ অহাটো অত্যন্ত জৰুৰী। স্বাধীনতা-উত্তৰ কালত ৫৫ বছৰে শাসন কৰিও ভাৰতবৰ্ষক এখনি দুৰ্বল, দুখীয়া, পিছপৰা ৰাষ্ট্ৰত পৰিণত কৰি থ'লে কংগ্ৰেছে। কিন্তু শাসনভাৰ গ্ৰহণৰ মাথোঁ ১১ বছৰৰ ভিতৰতে ভাৰতবৰ্ষক ১১তম অৰ্থব্যৱস্থাৰ পৰা বিশ্বৰ বুকুত চতুৰ্থ বৃহৎ অৰ্থনীতিলৈ ৰূপান্তৰিত কৰিবলৈ সক্ষম হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত এই বিজেপি চৰকাৰে।" সভাত উপস্থিত থাকে প্ৰাক্তন সাংসদ তথা ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাস, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী কৌশিক ৰায়, চিৰাং জিলাৰ ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি ৰতন ৰায়, ১৯ নং থুৰিবাৰী পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী অজয় ৰায়, অসম প্ৰদেশৰ অ'বিচি মৰ্চাৰ সভাপতি তথা থুৰিবাৰী পৰিষদীয় সমষ্টিৰ তত্বাৱধায়ক সুভাষ দত্ত, অসম পেট্ৰ'কেমিকেলছৰ সভাপতি বিকুল ডেকা, থুৰিবাৰী মণ্ডলৰ সভাপতি ভাস্কৰ ৰায় ইত্যাদি।

## ভাৰতীয় নাগৰিকত্ব গ্ৰহণৰ

মাজতে বিজেপিয়ে কংগ্ৰেছৰ নেত্ৰী ছোনিয়া গান্ধীৰ ভোটাৰ পৰিচয় পত্ৰক লৈ প্ৰত্যাক্ৰমণ চলাইছে। গেৰুৱা শিবিৰৰ অভিযোগ, ছোনিয়া গান্ধীয়ে ভাৰতীয় নাগৰিকত্ব লাভ কৰাৰ পূৰ্বেই তেওঁৰ নাম দেশৰ ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল। যদিও এই অভিযোগৰ ওপৰত দিল্লীৰ ৰাউজ এভিনিউ আদালতে বৃহস্পতিবাৰৰ শুনানিৰ পিছত গোচৰটো খাৰিজ কৰি দিছে। এজন ব্যক্তিয়ে নিৰ্বাচনী আইন লংঘনৰ অভিযোগত ছোনিয়া গান্ধীৰ বিৰুদ্ধে এফআইআৰ দাখিলৰ অনুমতি বিচাৰি আদালতত আৱেদন কৰিছিল। আৱেদনকাৰীৰ দাবী আছিল যে, ছোনিয়া গান্ধীয়ে ভাৰতীয় নাগৰিকত্ব গ্ৰহণৰ তিনি বছৰ পূৰ্বেই তেওঁৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট হৈছিল। কিন্তু ন্যায়াধীশে এই দাবী খাৰিজ কৰি আৱেদনটো নাকচ কৰে। উল্লেখযোগ্য যে, এই শুনানিৰ সময়ত ছোনিয়া গান্ধীৰ প্ৰতিনিধিত্বৰ বাবে আদালতত কোনো অধিবক্তা উপস্থিত নাছিল। বিহাৰত ভোটাৰ তালিকাৰ ব্যাপক সংশোধনৰ সময়ত উদ্ভৱ হোৱা ৰাজনৈতিক উত্তেজনা আৰু অনিয়মৰ অভিযোগৰ মাজত বিজেপিয়ে ছোনিয়া গান্ধীৰ বিৰুদ্ধে এই বিষয়টো উত্থাপন কৰে। বিজেপিৰ আই টি চেলৰ মুৰব্বী অমিত মালব্যই সামাজিক মাধ্যমত এক নথি প্ৰকাশ কৰি দাবী কৰে যে, ১৯৮০ চনত ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধী, সঞ্জয় গান্ধী আৰু মানেকা গান্ধীৰ সৈতে ছোনিয়া গান্ধীৰ নামো ভোটাৰ তালিকাত আছিল। তেওঁৰ মতে, এই সময়ত ছোনিয়া গান্ধী এতিয়াও ইটালীৰ নাগৰিক আছিল আৰু তেওঁ ভাৰতীয় নাগৰিকত্ব ১৯৮৩ চনৰ ৩০ এপ্ৰিলত গ্ৰহণ কৰিছিল। মালব্যই সামাজিক মাধ্যমত লিখিছে, "১৯৮০ চনত প্ৰথমবাৰৰ বাবে ছোনিয়া গান্ধীৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল, যেতিয়া তেওঁ এতিয়াও ভাৰতীয় নাগৰিক নাছিল। সমালোচনাৰ মুখত সেই সময়ত তেওঁৰ নাম আঁতৰোৱা হৈছিল, কিন্তু ১৯৮৩ চনৰ ১ জানুৱাৰীত পুনৰ তেওঁৰ নাম ভোটাৰ তালিকাত স্থান পায়।" তেওঁ প্ৰশ্ন তুলি কয় যে, ৰাজীৱ গান্ধীৰ সৈতে বিবাহৰ ১৫ বছৰ পিছত ছোনিয়াই কিয় ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰিলে। কংগ্ৰেছে বিজেপিৰ এই অভিযোগৰ প্ৰতি গুৰুত্ব নিদিয়াৰ লগতে ছোনিয়াৰ নাগৰিকত্ব সম্পৰ্কীয় বিষয়টো এবাই চলিছে। মালব্যই প্ৰকাশ কৰা নথিত থকা ভুলবোৰৰ প্ৰতি ইংগিত দিলেও কংগ্ৰেছে এই বিষয়ত স্পষ্ট উত্তৰ দিয়াৰ পৰা বিৰত থাকিছে।

অসম ভিত্তিত বিয়ানাম প্ৰতিযোগিতাৰ আয়োজন

# 'সাতসৰী সামাজিক সাংস্কৃতিক উন্নয়ন সংস্থা, অসম'ৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আয়োজন

## লোকশিল্পী বিষ্ণু দাসক ডাঃ বীণা পাত্ৰ সাতসৰী সংগীত সাধনা বঁটা

**অসম বাৰ্তা, উজনী মাজুলী, ১১ ছেপ্টেম্বৰ ঃ** অসমৰ অগ্ৰণী মহিলা সংগঠন " সাতসৰী - সামাজিক সাংস্কৃতিক উন্নয়ন সংস্থা'- অসম"ৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস এইবাৰ নামনি মাজুলীত উদযাপন কৰা হ'ব। মাজুলী জিলাৰ সাতসৰী আশাপূৰ্ণা শাখাৰ সহযোগত অহা ১৩ আৰু ১৪ ছেপ্টেম্বৰত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে নামনি মাজুলীৰ গোৱালগাঁও তৰুণ নাট্য সমাজৰ প্ৰেক্ষাগৃহত উক্ত প্ৰতিষ্ঠা দিৱস পালন কৰা হ'ব। উক্ত, প্ৰতিষ্ঠা দিৱস উপলক্ষে ১৩ ছেপ্টেম্বৰত সদৌ অসম ভিত্তিত মহিলাসকলৰ মাজত দলীয় বিয়া নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সংগঠনটোৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ১৩ ছেপ্টেম্বৰত পুৱা গছপুলি ৰোপণ কৰিব স্থানীয় জ্যেষ্ঠ নাগৰিক জয়ৰাম বৰাই। পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব সাতসৰী সামাজিক সাংস্কৃতিক উন্নয়ন সংস্থা-অসমৰ সভানেত্ৰী তথা প্ৰিয় নাৰী ড° মন্দিৰা বৰুৱাই। তাৰপিছত বন্তি প্ৰজ্বলন কৰিব ধৰ্মপ্ৰাণা মহিলা স্বৰ্ণ বৰাই। সেইদিনা পুৱা দহ বজাৰ পৰা সদৌ অসম ভিত্তিত মহিলাৰ দলীয় বিয়া নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মণিকা মহন্তই উদ্বোধন কৰিব লগীয়া উক্ত বিয়া নাম প্ৰতিযোগিতাখন সঞ্চালনা কৰিব সাতসৰী অসমৰ সদস্যা তৃপ্তি হাজৰিকা আৰু বিজু হাজৰিকাই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সাতসৰী-অসমৰ উপ সভানেত্ৰী অৰুণিমা বৰাই। সন্ধিয়া আঠ বজাৰ পৰা প্ৰতিষ্ঠা দিৱস উপলক্ষে সাতসৰী আশাপূৰ্ণা শিল্পী সমাজে "শোণিত কুঁৱৰী" নাটক মঞ্চস্থ কৰিব। উক্ত, নাটক উদ্বোধন কৰিব সাতসৰী-অসমৰ সদস্যা জ্যোতি বৰুৱাই। অনুষ্ঠানত বাঁহী বাদন পৰিৱেশন কৰিব বিশিষ্ট শিল্পী অঞ্জলি গোস্বামীয়ে। উক্ত, প্ৰতিষ্ঠা দিৱস উপলক্ষে ১৪ ছেপ্টেম্বৰত পুৱা দহ বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হ'ব। সাতসৰী সামাজিক সাংস্কৃতিক উন্নয়ন সংস্থাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী ড° মন্দিৰা বৰুৱাই সভাপতিত্ব কৰিব লগীয়া মুকলি সভাখন উদ্বোধন কৰিব সাতসৰী -অসমৰ মুখ্য পৰামৰ্শদাতা মৈনাক পাত্ৰই। সাতসৰী আশাপূৰ্ণা মাজুলী শাখাৰ সভানেত্ৰী গায়ত্ৰী হাজৰিকাই আদৰণী ভাষণ দিবলগীয়া সভাত মুখ্য অতিথি হিচাপে মাজুলীৰ বিধায়ক ভুবন গামে অংশগ্ৰহণ কৰিব। সভাত সন্মানীয় অতিথি হিচাপে মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু জ্যেষ্ঠ বিজ্ঞানী ড° হেমেন হাজৰিকাই অংশ গ্ৰহণ কৰিব। সভাত বিশিষ্ট অতিথি হিচাপে অলি বৰা, ললিত চন্দ্ৰ হাজৰিকা, বাচাৰাম বৰুৱা আৰু সুভদ্ৰা বৰাই অংশগ্ৰহণ কৰিব। অনুষ্ঠানত শিশু আলোচনী "শিশু সম্ভাৰ" উন্মোচন কৰিব সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ সভানেত্ৰী মিনতি শইকীয়াই। উক্ত, মুকলি সভাত ডাঃ বীণা পাত্ৰ সাতসৰী সংগীত সাধনা বঁটা - ২০২৫ প্ৰদান কৰিব, মাজুলীৰ বিশিষ্ট লোক শিল্পী বিষ্ণু দাসক। মুকলি সভাত সদৌ অসম বিয়া নাম প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সাতসৰী আশাপূৰ্ণা মাজুলী শাখাৰ সম্পাদিকা শিখা ভূঞা মূদৈয়ে। উক্ত, ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ইতিমধ্যে নামনি মাজুলীত ব্যাপক প্ৰস্তুতি চলায় আছে। দিনে নিশাই মহিলাসকলে শোণিত কুঁৱৰী নাটকৰ আখৰাত ব্যস্ত হৈ পৰিছে। উক্ত, দুয়োদিনৰ সকলো কাৰ্যসূচীতে মাজুলীৰ ৰাইজৰ সহায় সহযোগ আৰু উপস্থিতি সাতসৰী - অসমৰ প্ৰতিষ্ঠাপক সভানেত্ৰী ড° মন্দিৰা বৰুৱা আৰু মাজুলী জিলা সাতসৰী আশাপূৰ্ণা শাখাৰ সভানেত্ৰী গায়ত্ৰী হাজৰিকা আৰু সম্পাদিকা শিখা ভূঞা মূদৈয়ে ৰাইজক অনুৰোধ জনাইছে।

# ৰূপাই চাইডিঙত ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১১ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, ডুমডুমা সমজিলা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ডুমডুমা আঞ্চলিক সমিতিৰ সহযোগত ৰূপাই (শতদল) শাখা সাহিত্য সভাই ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপন কৰে। শাখাৰ সভাপতি বেণু বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনিৰ আৰম্ভণিতে সদস্যাসকলে আৰম্ভণি গীত পৰিৱেশন কৰে। উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক ৰাতুল গগৈয়ে। ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক চন্দ্ৰকান্ত সন্দিকৈয়ে ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। আদৰণী ভাষণ প্ৰদান কৰে ডুমডুমা সমজিলাৰ আয়ুক্ত নুজহাত নাচৰিণে। ভাষণত তেখেতে কয় যে আজি এক ঐতিহাসিক আৰু আৱেগিক ক্ষণ। ভূপেন হাজৰিকাদেৱৰ গীতে জনসাধাৰণক জাগ্ৰত কৰিব পাৰিছিল, অসমীয়া সংস্কৃতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰিব পাৰিছিল। অসম জাতীয়তাবাদী যুৱ- ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক সুৰজিৎ মৰাণে শুভেচ্ছামূলক বক্তব্যত উল্লেখ কৰে যে ভূপেন হাজৰিকাই ভাৰত চৰকাৰৰ পদ্মশ্ৰী, পদ্মবিভূষণ, ভাৰতৰত্ন, দাদা চাহেব ফাল্কে বঁটা পোৱা একমাত্ৰ অসমীয়া ব্যক্তি। সভাত উপস্থিত ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° প্ৰফুল্ল মেধিয়ে চমু বক্তব্য প্ৰদান কৰে। সভাৰ মুখ্য বক্তা, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা অনাতাঁৰ শিল্পী বীনা দেৱী বৰদলৈয়ে "ভূপেন হাজৰিকাৰ গীতত ইতিহাস আৰু কিংবদন্তি" শীৰ্ষক বিষয়ত এটি মননশীল বক্তব্য প্ৰদান কৰাৰ লগতে গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। তেখেতে বক্তব্যত উল্লেখ কৰে যে ভূপেন হাজৰিকাৰ গীতত প্ৰেম, দেশপ্ৰেম, মৌনতা, ইতিহাস, ভূগোল সকলোবিলাক সোমাই আছে। অসমৰ সংস্কৃতি তেখেতৰ নখ দৰ্পনত জিলিকি আছিল। ইয়াৰ পাছত সুৰাঞ্জলি সঙ্গীত বিদ্যালয়ৰ শিক্ষাৰ্থী অভিজ্ঞান মেধি, সোমাদিত্য সোণোৱাল, উদ্ভাৱন কোঁৱৰ, অভিশ্ৰুতি ৰাজখোৱা, অভিলাষাপ্ৰিয়া কাশ্যপ, লিজা বৰুৱা, সৃষ্টি চমুৱা, উদ্ভাসিতা কোঁৱৰে এটি দলীয় গীত পৰিৱেশন কৰে। ৰূপাই চাইডিঙৰ সংগীত প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ শুভৰাজ দহোটীয়া, সান্নিধ্য শিখৰ ভাজনী, ভৈৰৱ মৰাণ আৰু ভাস্কৰ সোণোৱালে ৰাণা গগৈৰ তত্বাৱধানত "বুকু হম হম কৰে" শীৰ্ষ গীতৰ সুৰ সমলয় পৰিৱেশন কৰে। আৰজিৎ কোঁৱৰে গীত পৰিৱেশন, চিৰ সেউজ মইনা পাৰিজাতৰ দিব্যাংকা গগৈ আৰু কৰ্মিষ্ঠা বৰবড়াই নৃত্য পৰিৱেশন কৰি সভাগৃহ মুখৰিত কৰে। "অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ" শীৰ্ষ গীতত সুৰ সঞ্চালন কৰে সঞ্জীৱ চাওদাং বৰুৱাৰ নেতৃত্বত ৰূপাই মডাৰ্ন গীটাৰ একাডেমীৰ শিক্ষাৰ্থী অয়ন সোণোৱাল, সোমাদিত্য সোণোৱাল, তেজাচ গগৈ, ধৃতিমান সোণোৱাল, অভিজ্ঞান মেধি আৰু অনুৰাগ প্ৰতীম মৰাণে। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যাপক তথা অনাতাঁৰ শিল্পী মাধুৰ্য্য মহন্ত, প্ৰতীক্ষা ভৰদ্বাজ, জিনুমণি গোহাঁই, বাবুল ডেকা, বিজয় বৰুৱাই ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰে। বিশিষ্ট কবি ড° মীনা দেৱী বৰুৱাই এটি স্বৰচিত কবিতা পাঠ কৰে। শাখাৰ তৰফৰ পৰা "ভূপেন হাজৰিকা বিশেষ সংখ্যা" হিচাপে উলিওৱা এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে ডুমডুমা সমজিলা আয়ুক্তই। উন্মোচনী ভাষণত তেখেতে লেখক লেখিকা সকলৰ্লৈ সাহিত্য চৰ্চাৰে আগবাঢ়ি যাবলৈ উৎসাহ যোগায়। সভাত উপস্থিত সকলোৱে সমস্বৰে পৰিৱেশন কৰে "মানুহে মানুহৰ বাবে" গীতটি। গীতিকাৰ হৰেন্দ্ৰনাথ বৰঠাকুৰৰ, দিগন্ত বৰঠাকুৰে সুৰ কৰা, অংশুমান বৰুৱাই সংগীত প্ৰযোজনা কৰা আৰু বিশিষ্ট অনাতাঁৰ শিল্পী ৰুণুমণি দত্ত ভূঞাৰ কণ্ঠৰে বাণীবদ্ধ কৰা এটি গীত উন্মোচন কৰে ড° প্ৰফুল্ল মেধিয়ে। লগতে চৌহদত ১০০ গছি বন্তি প্ৰজ্বলন কৰে। সভাত তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, বিশিষ্ট সমাজসেৱক ডাঃ প্ৰণৱজ্যোতি ডেকা, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যাপক দীপক ৰঞ্জন বৰুৱা, ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ডুমডুমা আঞ্চলিক সমিতিৰ সম্পাদক হীৰকজ্যোতি মৰাণ, সহকাৰী সম্পাদক ছত্ৰপতি মৰাণৰ লগতে সংগঠনৰ বিষয়ববীয়া, সদৌ মৰাণ ছাত্ৰ সন্থাৰ ডুমডুমা আঞ্চলিক সমিতিৰ বিষয়ববীয়া, ডুমডুমা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী, চিৰসেউজ মইনা পাৰিজাতৰ সদস্য, লেখিকা সমাৰোহ সমিতিৰ বিষয়ববীয়া সদস্যা, ডুমডুমাৰ লটাচ একাডেমীৰ অধ্যক্ষ মানস কুমাৰ দে, বিশিষ্ট সমাজসেৱক ৰাজ কুমাৰ গাৰোদিয়া প্ৰমুখ্য কৰি বহু কেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# বকোৰ টাইকোৱাণ্ডো ডোজাংৰ খেলুৱৈ ধৃতি কলিতাৰ সাফল্য

**অসম বাৰ্তা, বকো, ১১ ছেপ্টেম্বৰ ঃ** "এই পৃথিৱী এক ক্ৰীড়াংগণ খেল হ'ল শান্তিৰ প্ৰাংগণ" বাণীক সৰোগত কৰি ক্ৰীড়া ক্ষেত্ৰৰ জৰিয়তে মানৱ সম্পদ হিচাপে গঢ় দিবলৈ এচামে চলাই আহিছে ক্ৰীড়া শৈলী। এই ক্ষেত্ৰত কামৰূপ জিলাৰ বকোৰ ড্ৰেগন ৱাৰিয়ৰছ টাইকোৱাণ্ডো ডোজাং নামৰ ক্ৰীড়া প্ৰশিক্ষণ প্ৰতিষ্ঠানখন অন্যতম আগৰণুৱা। ইতিমধ্যে এই প্ৰতিষ্ঠানৰ বহু খেলুৱৈয়ে ৰাজ্যৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ খেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইফালে যোৱা ২৮ আগষ্টত উড়িষ্যাৰ কটকত অনুষ্ঠিত চাৱ জুনিয়ৰ খেলত প্ৰতিদ্বন্দ্বিতা কৰি বকোৰ ধৃতি কলিতাই ব্ৰঞ্জ পদক পাৱলৈ সক্ষম হৈছে। ধৃতিৰ এই সফল্যত প্ৰশিক্ষক দেৱজিৎ বড়া সহ প্ৰশিক্ষাৰ্থী আৰু অভিভাৱক সকল উৎফুল্ল হৈ পৰিছে। আনহাতে আগন্তুক দিনত অধিক উন্নত ফলাফল পোৱাৰ আশা কৰিছে।

# সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীত মৰিয়নিৰ বিভিন্ন ঠাইত শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, মৰিয়নি, ৯ ছেপ্টেম্বৰ ঃ** সুধাকণ্ঠ - ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ অন্যান্য ঠাইৰ লগতে মৰিয়নিতো কালি উলহ-মালহেৰে উদযাপন কৰা হয়। মৰিয়নিৰ একাধিক স্থানত সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত অৱস্থিত ক্ৰীড়া সন্থাৰ কাৰ্য্যালয়ত বিশ্ববিশ্ৰুত শিল্পীজনলৈ পুৱাই শ্ৰদ্ধাঞ্জলি জনোৱা হয়। সুধাকণ্ঠৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি এই কাৰ্য্যসূচীৰ মুকলি কৰে সাধাৰণ সম্পাদক দীপক দত্তই। এই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি জ্যেষ্ঠ ক্ৰীড়া সংগঠক তপন দাস, প্ৰাঞ্জল পাওগাম, উৎপল গগৈ, মিকু পাওগাম, ৰাজীৱ কৰ্মকাৰ, মইনা গগৈ প্ৰমুখ্যে ব্যক্তিসকলে সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, মৰিয়নিৰ মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ বৰ্ষজোৰা কাৰ্য্যসূচীৰ লগত সংগতি ৰাখি সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উপলক্ষ্যে এক বক্তৃতা প্ৰতিযোগিতা আৰু সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। মৰিয়নি মহাবিদ্যালয়ৰ সাংস্কৃতিক সংঘৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই কাৰ্য্যসূচী বন্তি প্ৰজ্বলনেৰে মুকলি কৰি অধ্যক্ষ ড° হৰেন গোৱালাই। ইয়াৰ পিছতেই সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে পৰিৱেশন কৰা এটা সমবেত গীতেৰে অনুষ্ঠান আৰম্ভ কৰা হয়। দুটা শাখাত অনুষ্ঠিত বক্তৃতা প্ৰতিযোগিতাৰ বিষয় আছিল ক্ৰমে - 'ড° ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ' আৰু 'ড° ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ'। বিশিষ্ট শিল্পী মইনুল ইছলাম আৰু মহাদেৱ আগৰৱালা স্কুলৰ জ্যেষ্ঠ শিক্ষক মনোজ কুমাৰ শৰ্মা বিচাৰক হিচাপে থকা বক্তৃতা প্ৰতিযোগিতাত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰী জাহানাৰা বেগমে প্ৰথম স্থান, অসমীয়া বিভাগৰ পঞ্চম যন্মাসিকৰ দিব্যা কোঁচে দ্বিতীয় স্থান আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ তৃতীয় যন্মাসিকৰ প্ৰীতিষা লাহনে তৃতীয় স্থান পাবলৈ সক্ষম হয়। আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° অৰূপাঞ্জলি বৰাৰ বিশেষ তৎপৰতাত প্ৰায় অৰ্দ্ধশতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা বক্তৃতা প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী সকলক প্ৰমাণ পত্ৰৰ লগতে নগদ ধনেৰে পুৰস্কৃত কৰা হয়। অনুষ্ঠানটোত অধ্যাপক সৌৰভ হাজৰিকা, মৌচুমী দত্ত, নিবেদিতা শৰ্মা, কৰুণা কলিতা, জ্যোতিশিখা দাস আদিয়ে ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰি আপ্লুত কৰে। অধ্যাপিকা মনালিছা বৰঠাকুৰে আঁত ধৰা আৰু সাংস্কৃতিক সংঘৰ আহ্বায়ক অধ্যাপিকা ড° মানৱী গগৈয়ে শলাগৰ শৰাই আগবঢ়োৱা এই অনুষ্ঠানতে অসমীয়া বিভাগৰ ছাত্ৰ ছাত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱা হাতেলিখা আলোচনী 'কাঁচিয়লি' উন্মোচন কৰা হয়। হাতেলিখা আলোচনীখন উন্মোচন কৰি উন্মোচক শিক্ষক মনোজ কুমাৰ শৰ্মাই অসমীয়া বিভাগৰ এনে প্ৰচেষ্টাৰ শলাগ লয় আৰু ভৱিষ্যতে আন আন বিভাগৰ পৰাও এনে কাম আশা কৰে। আকৰ্ষণীয় অনুষ্ঠানটোত মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীৰ লগতে শুভাকাংক্ষী ৰাইজ উপস্থিত থাকে। ইয়াৰোপৰি, মৰিয়নি প্ৰতিখন বিদ্যালয়ত সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰা হয়।

# আদিবাসী সাংস্কৃতিক গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ পৰম্পৰাগত কৰম উৎসৱৰ নৃত্য-গীতৰ কৰ্মশালা

**অসম বাৰ্তা, লীলাবাৰী, ১১ ছেপ্টেম্বৰ ঃ** কৰম উৎসৱৰ নৃত্য আৰু গীত তথা পৰম্পৰাগত আদিবাসী সাংস্কৃতিক পদ্ধতিসমূহ সংৰক্ষণ আৰু প্ৰচাৰৰ উদ্দেশ্যেৰে আদিবাসী সাংস্কৃতিক গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰ আৰু আদিবাসী সংস্কৃতি সংৰক্ষণ সমিতিৰ উদ্যোগত শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিৰ চাপই ভুটিয়াআলিস্থিত আদিবাসী সাংস্কৃতিক গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰ চমুকৈ 'ACRCT'ত ৬ ছেপ্টেম্বৰৰ পৰা পৰম্পৰাগত কৰম উৎসৱৰ নৃত্য আৰু গীত সম্পৰ্কীয় কৰ্মশালাৰ আৰম্ভণি হৈছে। শনিবাৰে কৰ্মশালাটি উদ্বোধন কৰে ঢেকীয়াজুলিৰ বিশিষ্ট সাংস্কৃতিক তথা সমাজকৰ্মী দাউদ হ'ৰ' আৰু ৰেজান লাকড়াই। উদ্বোধনী অনুষ্ঠানটো কেন্দ্ৰৰ পৰিচলন সঞ্চালক আলফন্স কুজুৰে আঁত ধৰে। আদিবাসী সংস্কৃতি সংৰক্ষণ সমিতিৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ সভাপতি বিলকিউছ কুজুৰ, উপ-সভাপতিজন কুজুৰ, সচিব পিণ্টু টুটি, যুটীয়া সম্পাদক মাইকেল টপ্প, সাংস্কৃতিক সম্পাদক প্ৰেম ৰৌতিয়া, সঞ্জয় বাৰ্লা, ভাষা সদস্য নিষ্টাৰ চুৰিণ আৰু প্ৰিন্স চুৰিণে অংশগ্ৰহণ কৰা উদ্বোধনী অনুষ্ঠানত ডেৰ শতাধিক শিকাৰু নৃত্যশিল্পীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাখনি ছেপ্টেম্বৰ মাহৰ ১৩-১৪ আৰু ২০-২১ তাৰিখে অনুষ্ঠিত হ'ব। কৰ্মশালাখনিত নগাঁৱৰ বিশিষ্ট সাংস্কৃতিক কৰ্মী প্ৰবোধ টপ্প আৰু ঢেকীয়াজুলিৰ সাংস্কৃতিক কৰ্মীজন কুজুৰে কৰম উৎসৱৰ নৃত্য-গীত শিকাৰুসকলক প্ৰশিক্ষণ প্ৰদান কৰিছে। উল্লেখ্য যে, ২৭ ছেপ্টেম্বৰত ঢেকীয়াজুলিৰ 'ACRCT'ত কৰম উৎসৱৰ বৰ্ণাঢ্য আয়োজন সম্পৰ্কত সংবাদ মাধ্যমক আলফন্স কুজুৰে জানিবলৈ দিয়ে।

# শশীধৰ দেউৰী সভাপতি, ৰূপজ্যোতি দত্ত কোচ সাধাৰণ সম্পাদক নিৰ্বাচিত

# সদৌ লক্ষ্মীমপুৰ জিলা নাগৰিক সমাজৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, লীলাবাৰী, ১১ ছেপ্টেম্বৰ ঃ** জাতীয় জীৱন সৰলীকৰণ কৰি সমাজ জীৱন সমৃদ্ধিশালী কৰাৰ লক্ষ্যৰে ৭ ছেপ্তেম্বৰত লক্ষ্মীমপুৰ চহৰৰ বৰমূৰীয়া আলিস্থিত টোল আদৰ্শ প্ৰাথমিক বিদ্যালয় প্ৰাংঙ্গণত বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত হোৱা বাৰ্ষিক অনুষ্ঠান "নাগৰিক সমাজৰ প্ৰতিষ্ঠা দিৱস, বিশেষ সম্বৰ্ধনা আৰু প্ৰীতিৰ এসাঁজ" শীৰ্ষক অনুষ্ঠানটি সম্পন্ন হৈ যায়। কাৰ্যসূচী অনুসৰি সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ সভাপতি শশীধৰ দেউৰীয়ে পতাকা উত্তোলন, ২৩ গৰাকী শিক্ষাবিদ, কবি, সাহিত্যিক, সংগীত শিল্পী, ক্ৰীড়াবিদ মণ্ডলীয়ে ক্ৰমে বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠানেৰে মাংগলিক কৰ্ম কেইভাগ সমাপনৰ অন্ততঃ অনুষ্ঠিত হোৱা মুকলি সভা আৰু বিবিধানুষ্ঠানটি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অমৰ সৃষ্টি "মানুহে মানুহৰ বাবে যদিহে অকনো নাভাৱে" শীৰ্ষক কালজয়ী গীতটিৰে শুভাৰম্ভ কৰে ইন্দিৰা ভঁৰালী নেতৃত্বাধীন "জাগৃতি মহিলা আত্মসহায়ক গোট"ৰ দলটিয়ে পৰিবেশন কৰা সমবেত সংগীতেৰে। সভাপতি শশীধৰ দেউৰীয়ে সভাপতিত্ব কৰা বিবিধাঅনুষ্ঠানটি বিশিষ্ট যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে আদৰণী অভিভাষণ আগবঢ়াই আৰম্ভণিৰ পৰা সমাপ্তিলৈকে কবিতাৰ পংক্তিৰে আঁতধৰি অনুষ্ঠানটো পৰিচালনা কৰি সমগ্ৰ সভাখনি আৰম্ভণিৰ পৰা সামৰণিলৈকে কাব্যময় ৰূপ দি অনন্য মাত্ৰা প্ৰদান কৰে। বিশিষ্ট কবি অজয়া অঞ্জু দত্ত উদ্বোধক, সাহিত্যিক উদয় শংকৰ হাজৰিকা নিৰ্দিষ্ট বক্তা, অসম চৰকাৰৰ প্ৰাক্তন শিক্ষামন্ত্ৰী প্ৰেমধৰ বৰা মুখ্য অতিথি, শিক্ষাবিদ দ্বয় ড° কুসুম্বৰ ভূঞা, ড° পুষ্পনাথ বৰা, যশশ্ৰী কবি ত্ৰয় কুমুদ ৰঞ্জন হাজৰিকা, দুলু বৰা, মায়া সন্দিকৈ, ধৰ্মেশ্বৰ গগৈ, দণ্ডি তামোলী ফুকন, ভোলা নাথ দাস, মঞ্জু গগৈ, মাধৱ কলিতা, চন্দ্ৰ নাথ দাস, মইদুল লেতিফ বৰুৱা, গোলাপী বৰা, দেৱিকা শৰ্মা, বিভা চমুৱা, লক্ষ্মী নাথ দাস, সংগীত শিল্পী দ্বয় গীত গগৈ, দিগন্ত বনিয়াকে প্ৰমুখ্যে কৰি সমগ্ৰ লখিমপুৰ জিলাৰ বহু কেইগৰাকী জ্যেষ্ঠ শিক্ষাবিদ, কবি, সাহিত্যিক, নাট্যকাৰ, সংগীত শিল্পীৰ উপৰিও ভালেকেইগৰাকী প্ৰথিতযশা কবি, সাহিত্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃজাৰ্তিক খ্যাতি সম্পন্ন বৰেণ্য ব্যক্তিয়ে আমন্ত্ৰিত অতিথিৰ আসন অলংকৃত কৰে। জ্ঞান সমৃদ্ধ সাৰগৰ্ভ চমু বক্তব্য, গীত, নৃত্য, কবিতাৰ গুঞ্জনেৰে জীপাল পৰিৱেশত জিলাখনৰ ভালেকেইগৰাকী জ্যেষ্ঠ শিক্ষাবিদৰ উপৰিও কবি, সংগীত শিল্পী, নাট্যকাৰ, গল্পকাৰ, ঔপন্যাসিক, লেখক, সাহিত্যিক, সাংবাদিক, সমাজ সেৱী, প্ৰবীণ মুক্তি যুঁজাৰু, ক্ৰীড়াবিদ, প্ৰকৃতিপ্ৰেমী ইত্যাদি বিশিষ্ট, গণ্য-মান্য ব্যক্তি সকলে অতিথিৰ আসন শুৱনি কৰে। স্বৰচিত কবিতা, গীতৰে সোণত সুৱগা চৰা "প্ৰতিষ্ঠা দিৱস, বিশেষ সম্বৰ্ধনা আৰু প্ৰীতিৰ এসাঁজ" শীৰ্ষক ব্যতিক্ৰমী বিবিধানুষ্ঠানটিত বিয়লী সভাসদ সকলে সমূহীয়া ভাৱে অসম সংগীত পৰিৱেৰ্শনৰ অন্তত "প্ৰীতিৰ এসাঁজ"ৰ প্ৰাকঃমুহূৰ্তত নাগৰিক সমাজৰ উপদেষ্টা দ্বয় উদয় শংকৰ হাজৰিকা আৰু ডুলু বৰাই দেৱভাষা সংস্কৃতৰ শ্লোকৰ মাংগলিক প্ৰাৰ্থনাৰে শুভাৰম্ভ কৰে। সভাই




সৰ্বসন্মতি ক্ৰমে আগন্তুক ত্ৰিবৰ্ষৰ বাবে ক্ৰমে সৰ্বসন্মতিক্ৰমে সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ আগন্তুক ত্ৰি-বৰ্ষৰ বাবে শশীধৰ দেউৰীক সভাপতি, গোলাপী বৰা, আব্দুল মালেক, নিপু গোস্বামীক কাৰ্যকৰী সভাপতি, মঞ্জু গগৈ, ধৰ্মেন্দ্ৰ বৰা, জুনাৰাম দেউৰীক উপ সভাপতি, কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচক সাধাৰণ সম্পাদক, ফাৰুক আহমদ, ৰেখা শৰ্মা হাজৰিকাক সহকাৰী সম্পাদক, বিত্তীয় সম্পাদক, বিকাশ দত্তক বিত্তীয় সম্পাদক, প্ৰশান্ত কুমাৰ বড়াক কাৰ্যালয় সম্পাদক, প্ৰচাৰ সম্পাদক অকমান শইকীয়াক প্ৰচাৰ সম্পাদক, ভোলা নাথ দাসক সাংস্কৃতিক সম্পাদক, পোৱাল বৰাক সমাজ কৈলান সম্পাদক, অৰ্জুন বৰা, সুন্তি মিত্ৰ, ৰহানুদ্দিন আহমেদ, জিয়াউল আলি, কল্পনা দত্তক সাংগঠনিক সম্পাদক, বিৰেণ নেওগ, গকুল কুমাৰ দাস, দিপা দাস হাজৰিকা, ৰিতা দেউৰী, ছফিকুল হুছেইন, অনুৰূপা বৰা, হাছানুৰ ৰহমান আকণ্ড, দ্বিপেন কুমাৰ গোহাঁই, জুনমণি বৰগোহাঁইক কাৰ্যনিৰ্বাহক সদস্য ৰূপে লৈ এখনি শক্তিশালী কাৰ্যনিৰ্বাহক সমিতি গঠন কৰে। নৃত্যশিল্পী মৌচুমী বৰাই নৃত্য প্ৰদৰ্শন কৰা সভাত ধৰ্মেন্দ্ৰ বৰা, নিপু গোস্বামী, পোৱাল বৰা, ৰেখা শৰ্মা হাজৰিকা, বিকাশ দত্ত, ৰেণু বৰা, চন্দ্ৰ ফুকন, বুলি চুতীয়া, প্ৰশান্ত কুমাৰ বড়া, ফাৰুক আহমেদ, অকণমান শইকীয়া, উমা দেউৰী, মিনা কুমাৰী দাস বৰা, দিপা দাস হাজৰিকা, ৰেখামনী দত্ত, ছফিকুল হুছেইন, মানস প্ৰতিম দত্ত, জীৱন বৰা, জুলফিক বৰুৱা আদি দুই শতাধিক বিশিষ্ট গণ্যমান্য লোক উপস্থিত থকা সভাৰ শেষত সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ সাধাৰণ সম্পাদক, বিশিষ্ট যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে শলাগৰ শৰাই আৰু আয়-ব্যয় বিৱৰণ দিয়াৰ অন্তত সভাসদ সকলে উমৈহতীয়াকৈ সুধাকণ্ঠৰ "মানুহে মানুহৰ বাবে" শীৰ্ষক অমৰ গীতটি পৰিৱেৰ্শনেৰে সামৰণি পৰে।

তিনিচুকীয়া জিলাৰ হোটেল-ৰেষ্টুৰাই মাহে -মাহে পৰীক্ষা কৰিব লাগিব খোৱা-পানীৰ মান

# তিনিচুকীয়া জিলা প্ৰশাসনৰ কঠোৰ নিৰ্দেশ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১১ ছেপ্টেম্বৰ ঃ** জনস্বাস্থ্যৰ সুৰক্ষাৰ স্বাৰ্থত আৰু তিনিচুকীয়া জিলাৰ সকলো ৰেষ্টুৰাঁৰ গ্ৰাহকসকলে বিশুদ্ধ খোৱাপানীৰ যোগান লাভ কৰাটো নিশ্চিত কৰাৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসনৰ তৰফৰ পৰা ৰেষ্টুৰাঁসমূহলৈ পানীৰ নিয়মীয়া পৰীক্ষাৰ নিৰ্দেশ দিয়া হৈছে। অতিৰিক্ত জিলা আয়ুক্তৰ দ্বাৰা স্বাক্ষৰিত এই নিৰ্দেশনাটোত কোৱা হৈছে যে, গ্ৰাহকক খোৱাপানী প্ৰদান কৰা সকলো হোটেল, ৰেষ্টুৰেণ্ট আৰু অনুৰূপ প্ৰতিষ্ঠানে জনস্বাস্থ্য কাৰিকৰী বিভাগ বা বিভাগৰ দ্বাৰা অনুমোদিত/স্বীকৃতিপ্ৰাপ্ত পৰীক্ষাগাৰৰ পৰা তেওঁলোকৰ খোৱাপানীৰ গুণগত মানৰ পৰীক্ষা কৰাব লাগিব। পানীৰ গুণাগুণ পৰীক্ষা মাহেকীয়া ভিত্তিত কৰিব লাগিব আৰু পৰীক্ষাৰ প্ৰতিবেদন সমূহ পৰৱৰ্তী মাহৰ ১০ তাৰিখৰ ভিতৰত নিৰ্দিষ্ট কৰ্তৃপক্ষ যেনে - জিলা স্বাস্থ্য বিষয়া, পৌৰসভা অথবা স্থানীয় অনুজ্ঞাপত্ৰ কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিব লাগিব। খোৱাপানীৰ পৰীক্ষাৰ ক্ষেত্ৰত বিআইএছ মানদণ্ড অনুসৰি প্ৰয়োজনীয় ভৌতিক, ৰাসায়নিক আৰু অণুজীৱবিজ্ঞানৰ পৰিমাপসমূহ সামৰি ল'ব লাগিব। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তিনিচুকীয়া কাৰ্যালয়ক ইয়াৰ বাবে সময়মতে পৰীক্ষণ সেৱাৰ সুবিধা প্ৰদান কৰিবলৈ আৰু এনে সকলো প্ৰতিবেদনৰ কেন্দ্ৰীভূত অভিলেখ সংৰক্ষণ কৰি ৰাখিবলৈ কোৱা হৈছে। এই আদেশ অমান্য কৰিলে জনস্বাস্থ্য আইন, খাদ্য সুৰক্ষা আৰু মানদণ্ড আইন আৰু অন্যান্য প্ৰযোজ্য আইনসমূহৰ প্ৰাসংগিক বিধানসমূহৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশনাটোত সকিয়াই দিয়া হৈছে।

আৰক্ষী আৰু জনতা সমন্বয়ৰ ওপৰত আলোচনা

# আমগুৰি আৰক্ষীৰ উদ্যোগত তৰ্ক প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, আমগুৰি, ১১ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আৰক্ষী থানাৰ উদ্যোগত স্থানীয় শিক্ষানুষ্ঠান সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখন তৰ্ক প্ৰতিযোগিতা আয়োজন কৰিছে। "আৰক্ষী আৰু জনসাধাৰণৰ মাজত সমন্বয়েই এখন সমাজত অপৰাধ নিয়ন্ত্ৰণৰ একমাত্ৰ উপায়" শীৰ্ষক তৰ্ক প্ৰতিযোগিতা খনি অহা ১০ ছেপ্টেম্বৰ তাৰিখে দিনৰ এক বজাত আমগুৰি আউনীআটীয় হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। এই বিষয়ক তৰ্ক প্ৰতিযোগিতাখনত অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী সকলৰ বাবে কেইবাটাও পুৰস্কাৰ আগবঢ়োৱা হ'ব বুলি আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

# ডিব্ৰুগড়ত 'সাংসদ খেল মহোৎসৱ-২০২৫'ৰ প্ৰস্তুতিমূলক সভা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১১ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত "সাংসদ খেল মহোৎসৱ-২০২৫"ৰ প্ৰস্তুতিমূলক সভা আজি শ্ৰী শ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অহা ২১ ছেপ্তেম্বৰৰ পৰা ২৫ ডিচেম্বৰলৈকে সমগ্ৰ দেশৰ লগতে ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাতো অনুষ্ঠিত হ'ব "সাংসদ খেল মহোৎসৱ- ২০২৫"। সভাত জিলা ক্ৰীড়া বিষয়া চেমী শইকীয়াই "সাংসদ খেল মহোৎসৱ-২০২৫" সন্দৰ্ভত বিতং তথ্য দাঙি ধৰে। "সাংসদ খেল মহোৎসৱ-২০২৫"ৰ আয়োজনৰ মূল উদ্দেশ্য হৈছে যুৱক-যুৱতীৰ মাজত ক্ৰীড়া আৰু ক্ৰীড়া সংস্কৃতিৰ নেতৃত্বৰ প্ৰচাৰ প্ৰসাৰ কৰা, ক্ৰীড়া আৰু ফিটনেচৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰৰ প্ৰতিভা একত্ৰিত কৰা, প্ৰতি ঘৰে ঘৰে ফিট ইণ্ডিয়াৰ বাৰ্তা প্ৰচাৰ কৰা, সমগ্ৰ দেশৰ তৃণমূল পৰ্যায়ত গাৱে-ভুঁঞে ক্ৰীড়া প্ৰতিভাসমূহ চিনাক্ত কৰি বিকশিত কৰা, পৰম্পৰাগত আৰু থলুৱা খেলসমূহ প্ৰচাৰ কৰা লগতে অঞ্চলভিত্তিক চিনাক্ত কৰি এই খেলসমূহ সংৰক্ষিত কৰা। "সাংসদ খেল মহোৎসৱ-২০২৫"ৰ নিৰ্ধাৰিত ৫টা অলিম্পিক স্বীকৃতপ্ৰাপ্ত প্ৰতিযোগিতা হৈছে ফুটবল, ভলীবল, ক্ৰিকেট, এথলেটি' (লঘু আৰু দীৰ্ঘ দুৰত্বৰ)। এই প্ৰতিযোগিতাত ১৭ বছৰৰ অনুৰ্ধৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব পাৰিব। আনহাতে, খেল মহোৎসৱত ৩টা থলুৱা প্ৰতিযোগিতা খোখো, ৰচী টনা আৰু কেটেপা অন্তৰ্ভুক্ত কৰা হৈছে আৰু এই প্ৰতিযোগিতাত সকলো পৰ্যায়ৰ লোকে অংশগ্ৰহণ কৰিব পাৰিব। তিনিচুকীয়া জিলাত সুকীয়াকৈ কাবাডী খেল অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰতিযোগিতাসমূহ মুঠ তিনিটা পৰ্যায়ত ক্ৰমে গাঁও পৰ্যায়ত, ব্লক পৰ্যায়ত আৰু সাংসদীয় সমষ্টি পৰ্যায়ত আয়োজিত হ'ব। "সাংসদ খেল মহোৎসৱ-২০২৫"ত অংশগ্ৰহণ কৰিবৰ বাবে ইচ্ছুক প্ৰতিযোগীসকলে ৩০ ছেপ্তেম্বৰৰ ভিতৰত উক্ত Link-sansadkhel mahotsav.inত গৈ নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। আজিৰ সভাত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, জিলা পৰিষদৰ মুখ্যকাৰ্যবাহী বিষয়া বিপুল কুমাৰ দাস, জিলা পৰিষদৰ সভানেত্ৰী পুষ্পাঞ্জলী সোণোৱাল, ডিব্ৰুগড় পৌৰ নিগমৰ উপ-মেয়ৰ উজ্জ্বল ফুকন, তিনিচুকীয়া জিলা ক্ৰীড়া বিষয়া কৌশিক ৰাজখোৱা, ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়া প্ৰমুখ্যে চাবুৱা, নামৰূপ তথা নাহৰকটীয়া পৌৰসভাৰ পৌৰপতিসকল, আটাইকেইটা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকল, গাঁও পঞ্চায়তৰ সভাপতি তথা সম্পাদকসকল আৰু ক্ৰীড়া সংগঠকসকল উপস্থিত থাকে।

# চেলেংহাট কুকুৰাচোৱাত এটা অজগৰ উদ্ধাৰ

**অসম বাৰ্তা, আমগুৰি, ১১ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ চেলেংহাট কুকুৰাচোৱা গাঁৱত কালি বিয়লি এটা অজগৰ সাপ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। উল্লেখ্য যে কুকুৰাচোৱা গাঁৱৰ বিৰেশ দত্ত নামৰ এজন ব্যক্তি জনৰ ঘৰৰ মুধচত অজগৰ সাপটো প্ৰত্যক্ষ কৰা হয়। পিছত স্থানীয় ৰাইজৰ সহযোগত অজগৰ ডাল উদ্ধাৰ কৰি বন বিভাগক গটাই দিয়া হয়। কৰে। এক জনবহুল এলেকাত অজগৰ ওলোৱা ঘটনাৰ বাবে সমগ্ৰ অঞ্চলটোত এক চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# নগাঁও জিলা লেখিকা সমাজৰ সমিতি গঠন

**অসম বাৰ্তা, পুৰণিগুদাম, ১১ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ বৰদোৱা আলিপুখুৰীৰ শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানত যোৱা ৭ ছেপ্টেম্বৰত অসম লেখিকা সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভানেত্ৰী পদুমী গগৈৰ তত্বাৱধানত "নগাঁও লেখিকা সমাজ" নামেৰে এটা সংগঠন গঠন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে অসমীয়া জাতিৰ গৌৰৱ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি এগছি বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন হয়। বন্তি প্ৰজ্বলন কৰে অসম লেখিকা সমাজৰ কেন্দ্ৰীয় সভাপতি পদুমী গগৈয়ে। ইয়াৰ পিছতে লেখিকা দিপালী দেৱীৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত হয়। মায়া মণি দেৱী আৰু ছাবিনা আলিয়াই আঁত ধৰা অনুষ্ঠানটোত লেখিকা সমাজৰ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদিকা বৰ্ণালী দত্ত বৰুৱা, সখীয়তী উপ-সমিতিৰ কেন্দ্ৰীয় আহ্বায়িকা নীলাঞ্জনা পাচনি, ড° কৰবী গগৈ, শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ সভাপতি ইন্দ্ৰমোহন বৰুৱা, সাধাৰণ সম্পাদক কন্দৰ্প কলিতা, গ্ৰন্থাগাৰ মণ্টু বৰা, মুনিন্দ্ৰ বৰা, নৱজ্যোতি ভূঞা, দীপ্তি হাজৰিকা, জাহ্নৱী ভূঞা, দীপা শইকীয়া, নমিৰা খানম, মৃদুস্মিতা শইকীয়াকে ধৰি শতাধিক লেখক-লেখিকা উপস্থিত থাকি অনুষ্ঠানৰ শোভাবৰ্দ্ধন কৰে। অনুষ্ঠানৰ মাজতে দীপা শইকীয়া, শেৱালি বৰুৱা শইকীয়া, নৱজ্যোতি ভূঞা, মৃদুস্মিতা শইকীয়া, মায়া মণি দেৱী আৰু কেইবাগৰাকীয়ে পৰিৱেশন কৰা প্ৰাৰ্থনা, ভূপেন্দ্ৰ সংগীত, বিয়ানাম, কবিতা আবৃত্তি, নিৰ্মলপ্ৰভা বৰদলৈৰ কথাৰে লিখা জয়ন্ত হাজৰিকাৰ সংগীত আৰু অসম লেখিকা সমাজৰ মুখ্য গীতৰ পৰিৱেশন আৰু আমন্ত্ৰিত অতিথিসকলৰ সাৰুৱা বক্তব্যৰে অনুষ্ঠানটি সোণত সুৱগা চ'ৰা হয়। উক্ত অনুষ্ঠানতে নগাঁও লেখিকা সমাজৰ নৱনিৰ্বাচিত বিষয়ববীয়া সকল হ'ল ক্ৰমান্বয়ে উপদেষ্টা দীপ্তি হাজৰিকা, মুনীন্দ্ৰ ভূঞা, ইন্দ্ৰমোহন বৰুৱা, কন্দৰ্প কলিতা, সভানেত্ৰী ছাবিনা আলিয়া, উপ-সভানেত্ৰী দিপালী দেৱী, সম্পাদিকা মায়ামণি দেৱী, সহকাৰী সম্পাদিকা শেৱালি বৰা, নমিৰা খানম, সাংগঠনিক সম্পাদিকা শেৱালি বৰা শইকীয়া, প্ৰচাৰ সম্পাদিকা জাহ্নৱী ভূঞা, সাংস্কৃতিক সম্পাদিকা দীপা শইকীয়া, পূৰ্ণিমা বৰা, প্ৰেছ উপদেষ্টা নৱজ্যোতি ভূঞা আদি। মায়ামণি দেৱীৰ শলাগৰ শৰাইৰ পিছতে জাতীয় সঙ্গীত পৰিৱেশনৰে অনুষ্ঠানটি সামৰণি পৰে।

**সুধাকণ্ঠ ভাৰত ৰত্ন ভূপেন হাজৰিকাৰ জন্মজয়ন্তী উপলক্ষে গীত আৰু নৃত্য প্ৰতিযোগিতা**

# শ্ৰীশ্ৰী ৰাজহুৱা সত্ৰ আৰু অসম সত্ৰ মহাসভাৰ গুৱাহাটী মহানগৰ জিলা সমিতিৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৯ ছেপ্টেম্বৰ ঃ** শ্ৰীশ্ৰী ৰাজহুৱা সত্ৰ আৰু অসম সত্ৰ মহাসভা, গুৱাহাটী মহানগৰ জিলা সমিতিৰ উদ্যোগত ৮ ছেপ্টেম্বৰ সোমবাৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ শতবৰ্ষীয় জন্মজয়ন্তী উপলক্ষে মহানগৰীৰ কুমাৰপাৰাস্থিত শ্ৰীশ্ৰীৰাজহুৱা সত্ৰত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু তেওঁৰ গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানতে এই বৰ্ষৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮৫ শতাংশ বা তাতোকৈ অধিক নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কামৰূপ মহানগৰৰ প্ৰায় ১০০ গৰাকী শিক্ষাৰ্থীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। শ্ৰীশ্ৰী ৰাজহুৱা সত্ৰৰ সত্ৰাধিকাৰ সনাতন দাসদেৱে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভণি কৰা উক্ত অনুষ্ঠানত সতী ৰাধিকা মহিলা তীৰ্থৰ মহিলাসকলে ভূপেন্দ্ৰ সংগীতেৰে অনুষ্ঠানৰ আৰম্ভণি কৰে। অসম সত্ৰ মহাসভাৰ গুৱাহাটী মহানগৰ জিলা সমিতিৰ সম্পাদক কমল কুমাৰে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি শিক্ষাৰ্থীসকলক উদ্দেশ্যি ভাষণ প্ৰসংগত কয় যে, "শিক্ষাৰ্থীসকল আমাৰ সমাজৰ বাবে বৃক্ষ স্বৰূপ হৈ এদিন ছাঁ দিব। আমাক পোহৰাব, সমাজ পোহৰাব, আমি মাথোঁ প্ৰেৰণা দিব লাগে। আজিৰ অনুষ্ঠানত এয়ে আমাৰ প্ৰয়াস।" অসম সত্ৰ মহাসভাৰ গুৱাহাটী জিলা সমিতিৰ সভাপতি ডাঃ কনক চন্দ্ৰ তালুকদাৰে আদৰণি ভাষণ আগবঢ়োৱা উক্ত অনুষ্ঠানটি পৰিচালনা কৰে শ্ৰী শ্ৰী ৰাজহুৱা সত্ৰৰ কাৰ্যালয় সম্পাদক ডিম্পী ভৰালীয়ে। উক্ত অনুষ্ঠানতে অসমৰ সমাজ জীৱনলৈ নিজস্ব কৰ্মৰাজিৰে বিশেষ অৱদান আগবঢ়োৱা



কেইবাগৰাকীও বৰণ্য ব্যক্তিক 'সমাজ সাৰথি বঁটা' প্ৰদান কৰা হয়। মৰিগাঁৱৰ কালশিলা সত্ৰৰ সত্ৰাধিকাৰ তথা অসম সত্ৰ মহাসভাৰ সম্পাদক প্ৰধান কুসুম কুমাৰ মহন্ত, বিশিষ্ট সমাজসেৱিকা হিৰণ্যময়ী ভৰালী, পাৰিষদ মঞ্জু বৰা, সমাজসেৱক মাধৱ দাস, সুৰেন্দ্ৰ কুমাৰ গোৱেল, দীপক মেধি, ডাঃ অম্লান দাস, ভূষণ চন্দ্ৰ কুমাৰ, মৃদুল প্ৰীতম ডেকা, নিউৰ' থেৰাপিষ্ট দীপজ্যোতি শৰ্মা, সাংবাদিক খাদেমুল হুচেইন আৰু বিশিষ্ট সমাজকৰ্মী মুকেশ মৌৰলৈ 'সমাজ সাৰথি বঁটা' আগবঢ়োৱা হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিজেপি অসম প্ৰদেশৰ মিডিয়া পেনেলিষ্ট ড° কংকণা গোস্বামী, লেখিকা-সমাজসেৱিকা তথা ষ্টাডি পইণ্টৰ সঞ্চালক চুমি ৰহমানসহ বহুকেইগৰাকী সমল ব্যক্তি উপস্থিত থাকে।

# ডিব্ৰুগড়ত মঞ্চৰূপাৰ উদ্যোগত সুধাকণ্ঠৰ জন্ম শতজয়ন্তী উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ অগ্ৰণী সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠান 'মঞ্চৰূপা'ৰ উদ্যোগত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ শতবৰ্ষীয় জন্মজয়ন্তী ৮ ছেপ্টেম্বৰত স্থানীয় সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠানৰ প্ৰেক্ষাগৃহত উদযাপন কৰা হয়। অনুষ্ঠানত গীতে মাতে সুধাকণ্ঠক সশ্ৰদ্ধ স্মৰণ কৰা হয়। মঞ্চৰূপাৰ সভাপতি সংগীতা বৰুৱা আৰু সম্পাদক জুলী দিহিঙীয়া, কাৰ্যকৰী সভাপতি জোনালী খাউণ্ড সমন্বিতে অন্যান্য সদস্য সকলৰ বন্তি প্ৰজ্বলন আৰু ডিব্ৰুগড় সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠানৰ শিল্পী সকলে পৰিৱেশন কৰা বৰগীতেৰে সাংস্কৃতিক অনুষ্ঠানৰ শুভ উদ্বোধন কৰে বিশিষ্ট বাঁহী বাদক দিগন্ত শইকীয়াই। শইকীয়াক চেলেং চাদৰ আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে জুলী দিহিঙীয়া আৰু জোনালী খাউণ্ডে। ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত' মানুহে মানুহৰ বাবে' সমবেত সংগীতেৰে সামৰণি পৰা সাংস্কৃতিক সন্ধিয়াটি ভূপেন্দ্ৰ সংগীতেৰে সজায় কুমুদ দাস, অনুপম দত্ত, অৰুণ চেতিয়া, ৰীতামনি শইকীয়া, নমিতা বৰুৱা, বিনু দেউৰী, জুলী দিহিঙীয়া, নিভা কোঁৱৰ আদিয়ে। সাংস্কৃতিক অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল স্থানীয় বিভিন্ন মইনা পাৰিজাতৰ কণ কণ শিল্পী সকলে পৰিৱেশন কৰা সত্ৰীয়া নৃত্য। ভূপেন হাজৰিকাৰ গীতৰ ওপৰত আধাৰিত আধুনিক সৃষ্টিশীল নৃত্য আৰু আবৃত্তি বিশাৰদ সংগীতা বৰুৱাৰ কবিতা আবৃত্তিৰে অনুষ্ঠানটি আকৰ্ষণীয় হৈ উঠে। অনুষ্ঠানত বাদ্য যন্ত্ৰত সংগ দিয়ে ৰোহিনী গগৈ, ইন্দ্ৰজিৎ বৰুৱা, আৰু দিগন্ত (দাদুল) গোহাঁইয়ে। উল্লেখযোগ্য যে মঞ্চৰূপাৰ গুৰি ধৰোঁতা প্ৰাক্তন মুখ্য উপদেষ্টা প্ৰয়াত হাচান শ্বৰীফ আহমেদৰ পৰলোকপ্ৰাপ্ত হয় যোৱা ৮ ছেপ্টেম্বৰ ২০১৯ চনত। মঞ্চৰূপাৰ আন এগৰাকী গুৰি ধৰোঁতা প্ৰয়াত অনিল শৰ্মা, আৰু অনাতাঁৰ শিল্পী ও মঞ্চৰূপাৰ শুভাকাংক্ষী বিপুল ফুকনসহ তিনিও গৰাকীৰ আত্মাৰ শান্তি কামনা কৰি এক মিনিট সময় মৌনতা অৱলম্বন কৰা হয়। সম্পাদক জুলী দিহিঙীয়াই মঞ্চৰূপাৰ সদস্য নমিতা বৰুৱাই শলাগ জ্ঞাপন কৰে।

## জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন

**অসম বাৰ্তা, জাঁজী, ৯ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰৰ জন্ম শতবাৰ্ষিক হিচাপে অসমৰ সমূহ জিলাৰ লগতে প্ৰতিতো আঞ্চলিকতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰিবলৈ জনোৱা হৈছিল। সেয়েহে তেওঁলোকৰ সিদ্ধান্তত সঁহাৰি জনাই অসমৰ প্ৰতিখন জিলাৰ ছাত্ৰ সন্থাৰ লগতে আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্য সকলে সুধাকণ্ঠ দিৱস উদযাপন কৰে। আনহাতে প্ৰতিতো আঞ্চলিকৰ লগতে জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয় ববীয়া সকলেও ড° ভূপেন হাজৰিকাৰ জন্ম দিৱস দিনৰ ভাগত গছপুলি ৰূপণ আৰু সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্য্যসূচীৰে উদ্‌যাপন কৰে। এই বন্তি প্ৰজ্বলন কাৰ্য্যসূচীত জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অংকুৰ শইকীয়া, উপদেষ্টা নিপজ্যোতি বড়া, বুটম দত্ত শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক উজ্জ্বল দত্তকে মুখ্য কৰি আঞ্চলিকৰ সকলো সদস্যৰ লগতে প্ৰাক্তন অসম কলেজ শিক্ষক সন্থাৰ সভাপতি, তথা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক আৰু জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ অভিভাৱক স্বৰূপ জ্যোতিপ্ৰসাদ গগৈ উপস্থিত থাকে।

# নগাঁৱত প্ৰায় ১৭,০০০ শিক্ষাৰ্থীয়ে সুধাকণ্ঠৰ "মানুহে মানুহৰ বাবে" শীৰ্ষক গীতটি পৰিৱেশন কৰি গঢ়িলে ইণ্ডিয়ান বুক অফ ৰেকৰ্ডছ

## সুধাকণ্ঠৰ চিৰসেউজ "মানুহে মানুহৰ বাবে" গীতেৰে মুখৰিত হ'ল নগাঁও ক্ৰীড়া সংস্থাৰ খেলপথাৰ

**অসম বাৰ্তা, নগাঁও, ৯ ছেপ্টেম্বৰ ঃ** আজি এটি ঐতিহাসিক বিৰল ক্ষণৰ সাক্ষী হৈ ৰ'ল নগাঁও জিলা ক্ৰীড়া সংস্থাৰ খেলপথাৰ ( নুৰুল আমিন ষ্টেডিয়াম)। আজি পুৱাই সুধাকণ্ঠ, ভাৰতৰত্ন ড°ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকীৰ বৰ্ষযোৱা কাৰ্যসূচীৰ লগত সংগতি ৰাখি তেখেতৰ অমৰ সৃষ্টিৰাজি কালজয়ী গীতক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ মহান উদ্দেশ্যেৰে নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত নগাঁও ক্ৰীড়া সংস্থাৰ খেলপথাৰ (নুৰুল আমিন ষ্টেডিয়াম) ত জিলাখনৰ ৬৩খন শিক্ষানুষ্ঠান (বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু বিদ্যালয়)ৰ প্ৰায় ১৭,০০০ সংখ্যক শিক্ষাৰ্থীয়ে সমস্বৰে হাত চাপৰিৰে পৰিৱেশন কৰে সুধাকণ্ঠৰ চিৰসেউজ গীত মানুহে মানুহৰ বাবে। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলে শৃংখলাবদ্ধভাৱে অংশগ্ৰহণ কৰি সমগ্ৰ খেলপথাৰখনত এক দৃষ্টিনন্দন পৰিবেশ গঢ়ি তোলে। সাংস্কৃতিক কৰ্মী কৃষ্ণ কিংকৰ খাটনিয়াৰ আৰু প্ৰজ্ঞা পাৰমিতাই সুন্দৰ উপস্থাপনেৰে আঁত ধৰা উক্ত অনুষ্ঠানটিত আদৰণী ভাষণ আগবঢ়াই জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। অনুষ্ঠানটিত উপস্থিত থাকি নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ সন্মানীয় বিধায়ক ৰূপক শৰ্মা আৰু ৰহা বিধানসভা সমষ্টিৰ সন্মানীয় বিধায়ক শশী কান্ত দাসে তেওঁলোকৰ ভাষণত বিশ্ববিশ্ৰুত জনতাৰ শিল্পী ভাৰতৰত্ন ড° ভূপেন হাজৰিকাদেৱৰ গীত সমূহ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নগাঁও জিলা আয়ুক্ত গৰাকীয়ে গ্ৰহণ কৰা পদক্ষেপৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰি, সমাজৰ সকলোকে বিশেষকৈ নৱপ্ৰজন্মক সুধাকণ্ঠৰ যুগমীয়া সৃষ্টি গীত সমূহক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাত এনেদৰে আগভাগ লবলৈ আহ্বান জনায়। আমাৰ ৰাজ্যবাসীৰ লগতে সমগ্ৰ জিলবাসীৰ বাবে অতি গৌৰবময় ক্ষণ হিচাপে প্ৰতিষ্ঠিত হৈ আজিৰ এই অনুষ্ঠানে লাভ কৰিলে ইণ্ডিয়ান বুক অফ ৰেকৰ্ডছ ত স্থান। ইণ্ডিয়া বুক অফ ৰেকৰ্ডছ ৰ কলিকতা স্থিত কাৰ্যালয়ৰ বিচাৰক শ্ৰীমতী সুনিতা কেডিয়াৰ নেতৃত্বত অহা পৰ্যবেক্ষৰ দলে সমগ্ৰ গীতৰ অনুষ্ঠানটো নিৰীক্ষন কৰি পৰিৱেশনৰ অন্তত বিষয়া গৰাকীয়ে জিলা আয়ুক্ত গৰাকীৰ হাতত ইণ্ডিয়ান বুক অফ ৰেকৰ্ডছ ত নাম অন্তৰ্ভূক্তিৰ প্ৰমাণপত্ৰ অৰ্পণ কৰে। উল্লেখযোগ্য যে, আজিৰ এই গৌৰৱময় অনুষ্ঠানটি ৰাজ্যখনৰ বিশিষ্ট চাউণ্ড ইঞ্জিনীয়াৰ দিগন্ত শৰ্মাৰ তত্ত্বাৱধানত সুন্দৰ ভাবে পৰিচালিত হয়। আজিৰ এই অনুষ্ঠানত নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ হিতেশ ডেকা, জিলা আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, কলিয়াবৰ সম জিলাৰ সম আয়ুক্ত ৰাজ বৰুৱা, নগাঁও পৌৰসভাৰ উপ সভাপতি সীমান্ত বৰা, জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ, নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ ধ্ৰুৱজ্যোতি শৰ্মা, বিশিষ্ট অভিনেত্ৰী বীণা বাৰোৱতী, জিলাখনৰ অতিৰিক্ত উপায়ুক্ত সকল, সহকাৰী আয়ুক্ত সকল, চক্ৰ বিষয়াসকল, খণ্ড উন্নয়ন বিষয়াসকল, জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলকে প্ৰমুখ্য কৰি বিদ্যালয় সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী সকল, গণ্য মান্য ব্যক্তিসকল আৰু বহুসংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে। উক্ত অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী, বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰী, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, ব্যৱসায়ী সংস্থা, স্বেচ্ছাসেৱী সংগঠনৰ বিষয়-ববীয়া, সংবাসেৱী সকল আৰু জিলাবাসী ৰাইজক নগাঁও জিলা প্ৰশাসনে অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব দেৰগাঁৱৰ প্ৰফুল্ল চন্দ্ৰ শৰ্মাৰ দেহাৱসান

**অসম বাৰ্তা, দেৰগাঁও, ৯ ছেপ্টেম্বৰ ঃ** ১৯৫০ চনৰ ১৬ অক্টোবৰ তাৰিখে দেৰগাঁও কমাৰগাঁৱৰ প্ৰয়াত দুৰ্গানাথ শৰ্মা আৰু প্ৰয়াত ভৱানী দেৱীৰ সুযোগ্য সন্তান অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব দেৰগাঁৱৰ সু-সন্তান প্ৰফুল্ল চন্দ্ৰ শৰ্মাই ৯ ছেপ্তেম্বৰ তাৰিখে গুৱাহাটীৰ এপ'ল হস্পিটেলত পুৱা ৫.৪৫ বজাত শেষ নিশ্বাস ত্যাগ কৰে। ব্যক্তি গৰাকীৰ মৃত্যুৰ খবৰ পুৱাৰ ভাগতে প্ৰচাৰ হোৱাত তেওঁৰ জন্মস্থান দেৰগাঁৱৰ সকলো স্তৰৰ ৰাইজে গভীৰ শোক প্ৰকাশ কৰে। দেৰগাঁও কমাৰগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা প্ৰয়াত শৰ্মাই হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। উল্লেখ্য যে প্ৰফুল্ল চন্দ্ৰ শৰ্মা ছাত্ৰ অৱস্থাত থকা সময়ত তেওঁৰ ঘৰুৱা অৱস্থা যথেষ্ট দুৰ্বল আছিল যদিও একেবাৰে সাধাৰণভাৱে চলি থকা পৰিয়ালটোৰ সন্তান হিচাপে তেওঁ বহু কষ্ট কৰিব লগা হৈছিল। জীৱন বাটত যথেষ্ট সংগ্ৰামেৰে আগবাঢ়ি গুৱাহাটীৰ কটন কলেজত ১৯৭০ চনত ৰসায়ন বিজ্ঞানত সন্মান সহকাৰে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভেৰে স্নাতক আৰু ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা একেটা বিষয়তে স্নাতকোত্তৰ শাখাত পুনৰ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। ইয়াৰ পিছতে তেওঁ কেইমাহমান যোৰহাট আঞ্চলিক গৱেষণাগাৰত বিজ্ঞানী হিচাপে কাম কৰাৰ পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সহকাৰী অধ্যাপক হিচাপে যোগদান কৰিছিল। প্ৰয়াত শৰ্মাৰ প্ৰথম চৰকাৰী প্ৰশাসনীয় বিষয়া হিচাপে ডিব্ৰুগড় জিলাৰ সহকাৰী আয়ুক্ত হিচাপে যোগদান কৰি পিছলৈ তেওঁ ক্ৰমে বৰপেটা, কামৰূপ, শোণিতপুৰ জিলা পৰ্যায়ত প্ৰশাসনীয় বিষয়া হিচাপে কাৰ্য সম্পাদন কৰে। প্ৰফুল্ল চন্দ্ৰ শৰ্মাই গুৱাহাটী আইন মহাবিদ্যালয়ৰ পৰা আইনৰো স্নাতক ডিগ্ৰী লাভ কৰিছিল। তেখেতে দিল্লীত তিনি বছৰ ভাৰতীয় প্ৰতিৰক্ষা বিভাগতো সেৱা আগবঢ়াইছিল। অসম চৰকাৰৰ বিভিন্ন বিভাগত ৩৬ বছৰ কৰ্ম সম্পাদন কৰি ২০১১ চনত তেওঁ অসম চৰকাৰৰ মুখ্য সচিব হিচাপে অৱসৰ গ্ৰহণ কৰে। প্ৰয়াত শৰ্মা বেদ-শাস্ত্ৰ আদিতো অতি পাৰ্গত হোৱাৰ উপৰিও তেওঁ নিজেই সকলো পূজা-অৰ্চনা কৰিছিল বুলিও জনা যায়। তেওঁৰ মৃত্যুত জন্মস্থান দেৰগাঁও কমাৰগাঁৱৰ লগতে দেৰগাঁৱৰ প্ৰতিটো অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

# গোলাঘাট ৰ'টাৰী ক্লাবৰ উদ্যোগত বিশ্ব সাক্ষৰতা দিৱস উপলক্ষে 'ৰাষ্ট্ৰ নিৰ্মাতা বঁটা' প্ৰদান অনুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৯ ছেপ্টেম্বৰ ঃ** গোলাঘাট ৰ'টাৰী ক্লাবৰ উদ্যোগত ৮ ছেপ্টেম্বৰত গোলাঘাটস্থিত উত্তৰ পূব চাহ সংস্থাৰ ( নেটা) প্ৰেক্ষাগৃহত বিশ্ব সাক্ষৰতা দিৱস উপলক্ষে 'ৰাষ্ট্ৰ নিৰ্মাতা বঁটা' বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত ২০২৫ চনৰ বিশ্ব সাক্ষৰতা দিৱস উপলক্ষে বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ মানস প্ৰতিম বৰাই "ডিজিটেল যুগত সাক্ষৰতাৰ প্ৰচাৰ" শীৰ্ষক বিষয়ত সমল ব্যক্তি হিচাপে ভাষণ প্ৰদান কৰে। ভাৰত চৰকাৰৰ নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচীৰ বিষয়ে অনুষ্ঠানত গোলাঘাট জিলাৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া অৱনী গগৈয়ে বক্তব্য আগবঢ়ায়। শিক্ষাবিদ তথা সমাজকৰ্মী তিলেশ্বৰ তামোলীয়ে ডিজিটেল সাক্ষৰতাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে তথা ৰ'টাৰী ক্লাবৰ বিভিন্ন সমাজসেৱামূলক কাৰ্যসূচীৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ক্লাৱে ৰ'টাৰী আন্তঃৰাষ্ট্ৰীয় জিলা-3240ৰ মৌলিক শিক্ষা আৰু সাক্ষৰতাৰ নিৰ্দেশনাৰ অধীনত গোলাঘাট জিলাৰ চৰকাৰী আৰু ব্যক্তিগত বিদ্যালয়সমূহৰ ১০জন শিক্ষকক 'ৰাষ্ট্ৰ নিৰ্মাতা বঁটা-২০২৫'ৰ বাবে নিৰ্বাচিত কৰে। বঁটা প্ৰাপক শিক্ষক সকল দীপাংকৰ হাজৰিকা, পুলিবৰ আদৰ্শ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়, দিব্যলতা চেতিয়া, ঢেকিয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়, দীপশিখা দাস, গণকপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়, উত্তৰা দত্ত, মাৰ্চনেল একাডেমী, সঙ্গীতা গগৈ, খ্ৰীষ্টীয়ান উচ্চ মাধ্যমিক বিদ্যালয়, সুৰভি বৰদলৈ, মহাত্মা বাল্য ভৱন উচ্চতৰ মাধ্যমিক বিদ্যালয়, গোলঘাট, মৌচুমী হাতীকাকতি, ছেক্ৰেড হাৰ্ট হাইস্কুল গোলঘাট, গুবিন শইকীয়া, শংকৰদেৱ শিশু বিদ্যা নিকেতন, গোলঘাট, বুধিনাথ উপাধ্যায়, টাউন হিন্দী হাইস্কুল আৰু উজ্জ্বল বৰা, পূব আঞ্চলিক হাইস্কুল। সভাত প্ৰতিখন বিদ্যালয়ৰ মুৰব্বী আৰু পৰিচালনা সমিতিৰ সভাপতিয়ে অংশ গ্ৰহণ কৰে। সভাত সভাপতিত্ব কৰে ক্লাবৰ সভাপতি চৈয়দ চাদিকুৰ ৰহমানে আৰু সঞ্চালনা কৰে সাক্ষৰতা সভাপতি প্ৰদীপ কুমাৰ সোণাৰে। বঁটা বিজয়ী শিক্ষকসকলে বঁটা প্ৰাপ্তিত সন্তুষ্টি প্ৰকাশ কৰে আৰু নিজৰ অনুভৱ ব্যক্ত কৰে।

## পশ্চিম নগৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ প্ৰস্তুতি

**অসম বাৰ্তা, বঢ়মপুৰ, ১১ ছেপ্টেম্বৰ ঃ** বৃহত্তৰ নগৈ অঞ্চলৰ অন্যতম অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান পশ্চিম নগৈ উচ্চ মাধ্যমিক বিদ্যালয়ে চলিত বৰ্ষত ৫০ বছৰত ভৰি দিছে। বিদ্যালয়খনৰ ৫০ বছৰ পুৰ্তি উপলক্ষে সোণালী জয়ন্তী উৎসৱ উদযাপনৰ ব্যাপক প্ৰস্তুতি চলিছে।ইতিমধ্যে বঢ়মপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জিতু গোস্বামীক সভাপতি ,বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা সমাজকৰ্মী প্ৰতাপ শৰ্মাক কাৰ্যকৰী সভাপতি আৰু বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী জাহ্নবী দেৱীক সাধাৰণ সম্পাদিকা হিচাপে লৈ এখন ৫১ জনীয়া শক্তিশালী উদযাপন সমিতি গঠন কৰা হৈছে। উল্লেখ যে ১৯৭৫ চনত স্থানীয় ৰাইজৰ সহযোগত পশ্চিম নগৈ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰা হৈছিল।

**অসমত কৰ্মসংস্থাপন সৃষ্টি কৰিবলৈ আমি উদ্যোগীকৰণত গুৰুত্ব আৰোপ কৰিছোঁ - ডাঃ ৰণোজ পেগু**

# চেঙাস্থিত মধ্য কামৰূপ মহাবিদ্যালয়ৰ নৱনিৰ্মিত ভৱন, মূল তোৰণ মুকলি শিক্ষামন্ত্ৰীৰ

## শিক্ষা মানে এতিয়া কেইখনমান কিতাপ নহয়; শিক্ষা হৈছে এজন ছাত্ৰ বা ছাত্ৰীক মহাবিদ্যালয়ে নিয়োগ কৰ্তা নাইবা নিয়োগ যোগ্য কৰি উভোতাই পঠোৱা

**অসম বাৰ্তা, চেঙা, ১০ ছেপ্তেম্বৰ ঃ** অবিভক্ত কামৰূপ জিলাৰ মধ্যৱৰ্তী অঞ্চল তথা বৰ্তমান বৰপেটা জিলাৰ দক্ষিণ পূৱ প্ৰান্তৰ শুভা আদৰ্শ গাঁৱত ১৯৭১ চনত স্থাপিত মধ্য কামৰূপ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ অৰ্থসাহায্যত নৱ নিৰ্মিত ভৱন আৰু কাৰ্বি আংলঙৰ ডকমকাত নৃশংসতাৰ বলি হৈ মৃত্যুবৰণ কৰা অভিজিৎ নাথৰ সোঁৱৰণত অভিজিৎ নাথৰ পৰিয়ালে দান কৰা মহাবিদ্যালয়খনৰ মূল তোৰণখন আজি পুৱা ১০ বজাত অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মুকলি কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ মূল তোৰণ আৰু নৱ নিৰ্মিত ভৱনটো আনুষ্ঠানিকভাৱে মুকলি কৰাৰ পাছতেই মহাবিদ্যালয়খনৰ প্ৰাংগণত অনুষ্ঠিত হয় এখন মুকলি সভা। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডক্টৰ গোপেশ কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়খনৰ শিক্ষকগোটৰ সম্পাদক ড° হাফিজ নজৰুল ইছলামে। আদৰণি অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়খনৰ অধ্যাপিকা মৃদুস্মিতা গোস্বামীয়ে। মুকলি সভাখনত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গোপেশ কুমাৰ শৰ্মাই। শৈক্ষিক ক্ষেত্ৰকে ধৰি বিভিন্ন ক্ষেত্ৰত মহাবিদ্যালয়খনক এক নতুন দিগন্তলৈ নিবলৈ সক্ষম হোৱা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গোপেশ কুমাৰ শৰ্মাই ভাষণ প্ৰসংগত কয় যে - "মহাবিদ্যালয়খনৰ মূল তোৰণ এখনৰ অভাৱ দীৰ্ঘদিনৰ পৰাই আছিল। এই ক্ষেত্ৰত মহাবিদ্যালয়খনৰ ইতিহাস বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা শশীপ্ৰভা ডেকা আৰু তেখেতৰ স্বামী অজিত কুমাৰ নাথৰ ওচৰলৈ গৈ তেখেতসকলৰ পুত্ৰ অভিজিত নাথৰ সোঁৱৰণত মূল তোৰণ নিৰ্মাণ কৰাৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই তেওঁলোকে ১৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিছে এই তোৰণখন। মহাবিদ্যালয়খনৰ তৰফৰ পৰা প্ৰয়াত অভিজিত নাথৰ পিতৃ-মাতৃক আমি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ দানৰ উদ্দেশ্যটো অতি মহান এই কাৰণেই যে তেওঁলোকৰ একমাত্ৰ পুত্ৰ অভিজিত নাথ কাৰ্বি আংলঙৰ ডকমকাত নৃশংসতাৰ বলি হৈ মৃত্যুবৰণ কৰিবলগীয়া হৈছিল আৰু এই তোৰণখনে অভিজিত নাথৰ স্মৃতি যুগমীয়া কৰাৰ লগে লগে এটা বাৰ্তা জনমানসত দিব পাৰিব যে কু-সংস্কাৰ, অন্ধবিশ্বাসে এখন সমাজক প্ৰতিফলিত নকৰে, তাৰ বিৰুদ্ধে মাৰবান্ধি জনসচেতনভাৱে জনজাগৰণ সৃষ্টি হয় তেনেহ'লে কু-সংস্কাৰ, অন্ধবিশ্বাস সমাজৰ পৰা নাইকিয়া হ'ব। অভিজিত আৰু নীলৰ হত্যাকাণ্ড কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ এক মূৰ্ত প্ৰতীক। সেই কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আমি নাশ কৰিব লাগিব।" আনহাতে মহাবিদ্যালয়খনত বাণিজ্য শাখা প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ শিক্ষামন্ত্ৰীগৰাকীলৈ আবেদন জনাইছে অধ্যক্ষ ড° গোপেশ কুমাৰ শৰ্মাই। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মুকলি সভাখনত উপস্থিত থাকি ভাষণ প্ৰসংগত কয়- "অসমৰ প্ৰত্যেকখন মহাবিদ্যালয়লৈ এবাৰকৈ হ'লেও মোৰ যোৱাৰ চেষ্টা আছে। পৃথিৱীখন সলনি হ'ল। মানৱ সমাজখন সলনি হ'ল। আমি পূৰ্বৰ সমাজখনৰ সলনি এখন প্ৰযুক্তিগত সমাজ পালোঁ। এতিয়া মোবাইলটো অকল ফোনৰ বাবেই নহয়, মোবাইলত চিঠি লিখিব পৰা হ'ল। মোবাইলটো টৰ্চ হ'ল, মোবাইলটো কেলকুলেটৰ হ'ল, মোবাইলটো বেংক হ'ল। ইমানখিনি প্ৰযুক্তি আমাৰ হাতৰ মুঠিলৈ আহি গ'ল। এতিয়া কলেজত পঢ়িলেই চাকৰি নাপায়, তীব্ৰ প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লাগিব। তীব্ৰ প্ৰতিযোগিতাৰ মাজেৰেহে আজি চাকৰি হয়। চৰকাৰে দক্ষতাৰ ওপৰত বেছিকৈ গুৰুত্ব আৰোপ কৰিছে। ছাত্ৰ-ছাত্ৰীসকল সৃষ্টিশীলভাৱে চিন্তা কৰিব পাৰিব লাগিব। ছাত্ৰ-ছাত্ৰীয়ে কোনো এটা বিষয়ত দক্ষতা আহৰণ কৰিব লাগিব। শিক্ষা মানে এতিয়া কেইখনমান কিতাপ নহয়; শিক্ষা হৈছে এজন ছাত্ৰ বা ছাত্ৰীক মহাবিদ্যালয়ে নিয়োগ কৰ্তা নাইবা নিয়োগ যোগ্য কৰি উভোতাই পঠোৱা। উদ্যোগ যদি স্থাপন নহয় তেতিয়া ব্যক্তিগত খণ্ডত ক'ত চাকৰি হ'ব? আমি উদ্যোগ স্থাপন কৰিব লাগিব। লাখৰ ওপৰত অসমৰ ল'ৰা-ছোৱালী বহিঃৰাজ্যত চাকৰিৰ বাবে গৈছে। তেওঁলোকে অসমত চাকৰি নাই বাবে বহিঃৰাজ্যলৈ যোৱাৰ বাবে উল্লেখ কৰে। অসমত প্ৰতিবছৰে চাৰি লাখ ল'ৰা-ছোৱালীয়ে মেট্ৰিক পৰীক্ষা দিয়ে, তিনি লাখ বিশ/ত্ৰিশ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা দিয়ে, ডেৰ লাখৰ পৰা দুই লাখ ছাত্ৰ- ছাত্ৰীয়ে গ্ৰেজুৱেচন লয়। তেওঁলোকৰ সংস্থাপন ক'ত? সেইটো এটা ডাঙৰ প্ৰশ্ন/ এতিয়া এইখন চৰকাৰৰ দিনত পাঁচ বছৰত ডেৰ লাখ চাকৰি দিছোঁ, আমিতো সকলোকে নিযুক্তি দিব পৰা নাই। সেইবাবেই উদ্যোগীকৰণ খুব গুৰুত্বপূৰ্ণ কথা। তাৰ বাবে মুখ্যমন্ত্ৰীৰ নেতৃত্বত এডভাণ্টেজ আছাম কৰি আমি অসমৰ বিভিন্ন স্থানত উদ্যোগ স্থাপন কৰিব বিচাৰিছোঁ। অসমত চাকৰি সৃষ্টিৰ বাবে, কৰ্মসংস্থাপনৰ বাবে আমি উদ্যোগ স্থাপনত গুৰুত্ব দিছোঁ। এতিয়া ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ পৰা দুখনকৈ প্ৰমাণ পত্ৰ লৈ ওলাই যাব। এখন হৈছে হাইস্কুল বা উচ্চতৰ মাধ্যমিকৰ বৰ্ডৰ প্ৰমাণ পত্ৰ আৰু আনখন হৈছে দক্ষতাৰ প্ৰমাণ পত্ৰ। এই কাম মহাবিদ্যালয়সমূহেও কৰিব লাগিব।" প্ৰয়াত অভিজিত নাথৰ পিতৃ-মাতৃ সভাখনত উপস্থিত থাকি আৱেগিক হৈ পৰে। অভিজিত নাথৰ মাতৃ শশীপ্ৰভা ডেকাই সংবাদ মাধ্যমৰ আগত কয় যে- "আমাৰ কাৰণে সঁচাকৈ আজি এটা ডাঙৰ দিন। আমি আচলতে অভিভূত হৈছোঁ, আৱেগিক হৈছোঁ। বহুদিনৰ আশা এটা আজি পূৰ্ণ হ'ল। এইখন মহাবিদ্যালয়ত মই চাকৰি কৰিছিলোঁ। আমাৰ একমাত্ৰ পুত্ৰ অভিজিতৰ ইয়াতে শৈশৱকাল অতিবাহিত হৈছিল। ২০১৮ চনৰ ৮ জুনত আমাৰ মাজলৈ যি ধুমুহা আহিছিল সেই কথা সকলোৱেই জানে। আমি অকল শ্ৰাদ্ধ পাতিয়েই আমাৰ পুত্ৰক মৰিবলৈ নিদিওঁ, তাক জীয়াই ৰাখিম। তাক জীয়াই ৰাখিবলৈ বিভিন্ন মঠ-মন্দিৰ, নামঘৰ, বৃদ্ধাশ্ৰম, অনাথ আশ্ৰম আদিত ল'ৰাটোৰ নামত যি পাৰোঁ কৰিলোঁ। আৰু ল'ৰাটোক জীয়াই ৰখাৰ যি এটা প্ৰচেষ্টা সেই প্ৰচেষ্টাৰ আজি অংশ হৈছে মই চাকৰি কৰা মহাবিদ্যালয়খনৰ এই মূল তোৰণখন।" মহাবিদ্যালয়খনৰ মূল তোৰণখনৰ নক্সা প্ৰস্তুত কৰিছিল অসমৰ প্ৰখ্যাত ভাস্কৰ্য্য শিল্পী নুৰুদ্দিন আহমেদে। উল্লেখ্য যে ২০১৮ চনৰ ৮ জুনত কাৰ্বি আংলঙৰ ডকমকাত সংঘটিত হৈছিল এক নৃশংস হত্যাকাণ্ড। দুই বন্ধু অভিজিৎ নাথ আৰু নীলোৎপল দাসে গুৱাহাটীৰ পৰা কাৰ্বি আংলং জিলাৰ ডিফু মহকুমাৰ কাংথিলাংচো জলপ্ৰপাতৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ গৈছিল। কাংথিলাংচো জলপ্ৰপাতৰ সৌন্দৰ্য্য উপভোগ কৰি উভতি অহাৰ সময়ত সোপাধৰাৰ সন্দেহত স্থানীয় লোকে তেওঁলোকক আগচি ধৰি নিৰ্মমভাৱে আক্ৰমণ কৰে। গণ আক্ৰমণৰ ফলত অভিজিৎ নাথ আৰু নীলোৎপল দাসে মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। সভাখনত অভিজিত নাথৰ পিতৃ-মাতৃ ক্ৰমে অজিত কুমাৰ নাথ আৰু শশীপ্ৰভা ডেকা, অসম পেট্ৰ কেমিকেলচ লিমিটেডৰ স্বতন্ত্ৰ সঞ্চালক জিতু তালুকদাৰ, অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিত, মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° হৰেন্দ্ৰনাথ তালুকদাৰ, বিশিষ্ট ভাস্কৰ্য শিল্পী নুৰুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° ফণীধৰ অধিকাৰী, মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° মোহন চন্দ্ৰ তালুকদাৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়াই মহাবিদ্যালয়খনৰ উপাধ্যক্ষ বানেশ্বৰ বেজবৰুৱাই।

**মৃগাঙ্ক জ্যোতি বৰুৱা শ্ৰেষ্ঠ তাৰ্কিক**

# আমগুৰিত আৰক্ষীৰ উদ্যোগত তৰ্ক প্ৰতিযোগিতা

**অসম বাৰ্তা, আমগুৰি, ১০ ছেপ্তেম্বৰ ঃ** আমগুৰি আৰক্ষী থানাৰ উদ্যোগত "আৰক্ষী আৰু জনসাধাৰণৰ মাজত সমন্বয়েই এখন সমাজত অপৰাধ নিয়ন্ত্ৰণৰ একমাত্ৰ উপায়" এই বিষয়ক কেন্দ্ৰ কৰি এক তৰ্ক প্ৰতিযোগিতা আজি আউনীআটীয় হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অষ্টমৰ পৰা দ্বাদশ শ্ৰেণীৰ কুৰিৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত মৃগাঙ্ক জ্যোতি বৰুৱাই শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে। অন্তৰা গগৈয়ে দ্বিতীয় আৰু কৃষ্টি কাব্যশ্ৰী গগৈয়ে তৃতীয় স্থান দখল কৰে। ৰিয়াৰানী চেতিয়া, প্ৰিঞ্চি প্ৰিয়া নেওগ আৰু অংশুনাভ বৰকাকতীয়ে বিচাৰকৰ বিশেষ সন্মান লাভ কৰে। সেইদৰে জেচমিন চুলতানা আহমেদ, অন্বেষা বৰা আৰু প্ৰাৰ্থনা চুতীয়াই উদ্‌গনিমূলক বঁটা লাভ কৰে। তৰ্ক প্ৰতিযোগিতাখনিৰ অধ্যক্ষতা কৰে। অধ্যাপক বিমান শেনচোৱা বৰুৱাই। তেখেতে প্ৰতিযোগিতাৰ অন্তত তাৰ্কিকসকলক উদ্দেশ্যি বিভিন্ন পৰামৰ্শ আগবঢ়ায়। বিচাৰকৰ দ্বায়িত্ব পালন কৰা জ্যেষ্ঠ সাংবাদিক কৌস্তুভমনি কাকতিয়ে তৰ্ক বিষয়টি বৃত্তি হিচাপে গ্ৰহণ কৰিব পৰাকৈ তৰ্ক কৰ্মশালা আয়োজনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আন এজন বিচাৰক শ্ৰীমন্ত দত্তই আৰক্ষী আৰু জনতাৰ মাজৰ ব্যৱধান হ্ৰাস কৰাত এই অনুষ্ঠানৰ ভূমিকা পালন কৰাৰ আশা প্ৰকাশ কৰাৰ লগতে এনে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকালৈ কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰতিযোগিতাৰ অন্তত বঁটাসমূহ বিতৰণ কৰা হয়। অনুষ্ঠানত বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰকমল ফুকন, শিক্ষক-শিক্ষয়ীত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে আমন্ত্ৰিত অতিথি আৰু বিভিন্নজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন